# কাঁচিয়লি

বাৰ্ষিক মুখপত্ৰ, ৩য় সংখ্যা

২০২৪ বৰ্ষ




সম্পাদকদ্বয়

হিমাশ্ৰী কাশ্যপ

বিকাশ দাস

# Editorial Board



Advisor

Dr. Abhijit Dev Adhikary

In- Charge



Barnali Goswami

In- Charge



Sangrila Basumatary

In- Charge



Shyamolima Dutta

In- Charge



Rofiqul Islam

Teacher Member



Rekhamoni Dakua

Teacher Member



Umanandaa Barua

## EDITORS



Himashree Kashyap



Bikash Das

## TRAINEE MEMBERS



Sourabh Das



Himashree Mazumdar



Bikash Kalita



Dhrubajyoti Kalita



Deepjyoti Kalita



Amit Singha



Ranjit Sanyal



Baby Khanikar



Sima Moni Bora



Sushmita Das



Kankana Tamuly



Juri Khakhlary



Devid Medhi



Akangkhya Hazarika



Hirak Jyoti Boro

# কাঁচিয়লি

## বাৰ্ষিক মুখপত্ৰ

## কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়, ছয়গাঁও

তৃতীয় সংখ্যা

২০২৩-২৪ বৰ্ষ

# KANSIYALI

**Annual Journal**

**Krishna Ram Das College of Education, Chhaygaon**

**Edition : III**

**Year : 2023-24**


সম্পাদকদ্বয় ঃ

হিমাশ্ৰী কাশ্যপ, বিকাশ দাস

*Kansiyali : An Annual Journal of Krishna Ram Das(KRD) College of Education, Chhaygaon; 3rd edition; edited by Himashree Kashyap and Bikash Das; Published by K.R.D. College of Education, Chhaygaon; dated 8th April, 2024.*


**।। সম্পাদনা সমিতি ।।**

উপদেষ্টা ঃ
ড° অভিজিৎ দেৱ অধিকাৰী

তত্বাৱধায়ক ঃ
বৰ্ণালী গোস্বামী, সাংগ্ৰিলা বসুমতাৰী
শ্যামলিমা দত্ত, ৰফিকুল ইছলাম

শিক্ষক সদস্য ঃ
ৰেখামণি ডাকুৱা
উমানন্দা বৰুৱা

কৰ্মচাৰী সদস্য ঃ
ভাৰত গোস্বামী
সদানন্দ দাস

সম্পাদকদ্বয় ঃ
হিমাশ্ৰী কাশ্যপ
বিকাশ দাস

প্ৰশিক্ষাৰ্থী সদস্য ঃ
সৌৰভ দাস, হিমাশ্ৰী মজুমদাৰ, অমিত সিংহ, কংকনা তামুলী, দীপজ্যোতি কলিতা, ধ্ৰুৱজ্যোতি কলিতা,
সুস্মিতা দাস, আকাংক্ষা হাজৰিকা, বেবী খনিকৰ, ডেভিদ মেধি,
ৰঞ্জিত সান্যাল, হিৰক জ্যোতি বড়ো, জুৰি খাখলাৰী

প্ৰচ্ছদ ঃ
কংকনা তামুলী, সৌৰভ দাস

আৰ্হি আৰু অংগসজ্জা ঃ
সম্পাদনা সমিতি


মুদ্ৰণ ঃ
সাৰথি অফ্‌ছেট প্ৰেছ, ছয়গাঁও (আলেগজাৰী)
ম'-৭৮৯৬০৫১৭৯৭

'কাঁচিয়লি'ত প্ৰকাশিত লেখনিসমূহ লেখকৰ সম্পূৰ্ণ নিজা, কোনো ধৰণৰ তথ্য বিভ্ৰান্তিৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

# উৰ্চগা



ঐতিহ্যৰে মহিমামণ্ডিত ছয়গাঁও অঞ্চলৰ নিবাসী সাংবাদিক বঁটাপ্ৰাপ্ত বিশিষ্ট
সাংবাদিক, বুদ্ধিজীৱী স্বৰ্গীয় **শিৱচৰণ কলিতা**ৰ চৰণত
'কাঁচিয়লি'ৰ এই তৃতীয় সংখ্যাটি অৰ্পণ কৰিলোঁ।

— সম্পাদনা সমিতি

'কাঁচিয়লি' ২০২৪ বৰ্ষ

# শ্ৰদ্ধাঞ্জলি



'মৃত্যুওতো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য।'

অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰি থৈ যোৱা বিশিষ্ট সাহিত্যিক, গল্পকাৰ তথা
চম্পকনগৰ ছোৱালী হাইস্কুল, ছয়গাঁৱৰ সুদক্ষ শিক্ষক লগতে
কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ
স্বৰ্গীয় **যাদৱ চন্দ্ৰ শাস্ত্ৰী**দেৱলৈ যাচিলোঁ একাঁজলি গভীৰ শ্ৰদ্ধাঞ্জলি।

শ্ৰদ্ধাৰে,
সম্পাদনা সমিতি
'কাঁচিয়লি' ২০২৪ বৰ্ষ

# GOVERNING BODY



**Left to Right :** Arun Ch. Sarma (Member), Tarani Charan Kalita (Member), Baneswar Das (President), Brojendra Kr. Goswami (Member), Bolo Ram Das (Member), Rudra Kumar Choudhary (Member), Dr. Moni Ram Saloi (Member), Dr. Nripen Goswami (Member), Dr. Abhijit Dev. Adhikary (Principal & Secretary), Umanandaa Barua (Teacher Representative), Dr. Sangita Kakati (Doner Member), Dr. Arup Chakrabarty (G. U. Nominee) (Absent), Akan Saloi (Member) (Absent).



TEACHING STAFF



OFFICE STAFF



HOUSE OF UNION-2023-2024




HAND WRITTEN MAGAZINE 'JNANAM', Ed-II INAUGURATION



Morning Assembly



Fit India Movement Observation- Dec.2023



International Mother Language Day Celebration



Celebration of Teachers' Day 2023




# FROM PRINCIPAL'S DESK

I am very much delighted for Krishna Ram Das (KRD) College of Education, Chhaygaon, Kamrup, which is delivering best efforts since its birth in 1993, to build a better and quality education environment for the teacher trainees which in turn builds up the strong foundation of a thriving society.

KRD College of Education is a premier institution that provides confidence, discipline, clarity of thought and critical thinking and decision making ability to set and achieve goals in life and above all to improve the qualities of taking social responsibilities for the betterment of life of that particular individual as well as of the society collectively.

As we embark on another exciting journey with the upcoming edition of our college magazine, I am filled with immense pride and anticipation. Our magazine serves as a testament to the dedication, creativity and scholarly pursuits of our faculty and students alike.

To our esteemed contributors, I extend my heartfelt gratitude for your unwavering commitment to excellence. To our diligent editorial team, thank you for your tireless efforts in curating and refining the content of this publication. And last but not the least, my heartfelt gratitude to all engaged with this magazine directly or indirectly.

As we collaboratively strive to uphold the values of scholarship, integrity and excellence, let us continue to inspire one another and push the boundaries of knowledge. May this edition of our magazine serves as a beacon of inspiration and a testament to the collective brilliance of our Teacher Training College Community.

*With warmest regards-*

*(Dr. Abhijit Dev Adhikary)*
Principal
K.R.D College of Education, Chhaygaon

**ৰণোজ পেগু**
মন্ত্ৰী
শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম)
খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু
সংস্কৃতি (সংগ্ৰহালয় আৰু পুথিভঁৰাল
সঞ্চালকালয়)

सत्यमेव जयते

ব্লক - বি, তৃতীয় মহলা,
জনতা ভৱন, দিশপুৰ,
গুৱাহাটী - ৭৮১০০৬
দূৰভাষ ঃ ০৩৬১-২২৩৭০২৩
৯৯৫৪৭০৩৮২৫



# শুভেচ্ছাবাণী

কামৰূপ জিলাৰ দক্ষিণ প্ৰান্তত অৱস্থিত কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'কাঁচিয়লী' প্ৰকাশ কৰিবলৈ ওলোৱা বুলি জানিব পাৰি নথৈ আনন্দিত হৈছোঁ।

বাৰ্ষিক আলোচনী এখন শিক্ষা প্ৰতিষ্ঠানটোৰ বৌদ্ধিক ভূষণ স্বৰূপ। ই সৃজনীশক্তিৰ বিকাশৰ সুযোগ প্ৰদানৰ লগতে শিক্ষানুষ্ঠানখনৰ বৌদ্ধিক তথা সামগ্ৰিক বিদ্যায়তনিক পৰিৱেশৰ আভাস দাঙি ধৰাত সহায় কৰে। শিক্ষক শিক্ষণৰ দিশত স্থাপনা কাল ১৯৯৩ চনৰে পৰা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয় মুখপত্ৰখনে শিক্ষানুষ্ঠানখনৰ ভিন্ন বিষয়ৰ চিন্তন-মনন, শৈক্ষিক ঐতিহ্য আদি মননশীল ৰূপত দাঙি ধৰিব বুলি আশা ৰাখিছোঁ। মই 'কাঁচিয়লী' মুখপত্ৰখন প্ৰকাশৰ দায়িত্বত থকা সম্পাদনা সমিতিৰ প্ৰয়াসৰ শলাগ লৈছোঁ আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

ইয়াৰ লগতে এগৰাকী শিক্ষকক প্ৰয়োজনীয় জ্ঞান আৰু দক্ষতাৰে পৰিপূৰ্ণ কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়খনে নিষ্ঠাৱান সেৱা আগবঢ়াই যোৱাৰ কামনা কৰিছোঁ। শিক্ষকতাৰ দৰে মহান বৃত্তিত জড়িত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সামৰ্থ্যৰ বিকাশ মানে আমাৰ ৰাজ্যৰ শিক্ষাৰ্থীসকলৰ উৎকৰ্ষ সাধন। শিক্ষক-শিক্ষয়িত্ৰী তথা পৰিচালনা সমিতিৰ সাধনা আৰু সমৰ্পিত সেৱাৰ সমন্বয়ত মহাবিদ্যালয়খন ৰাজ্যৰ শিক্ষক শিক্ষণৰ অন্যতম মহাবিদ্যালয় ৰূপে সমাদৃত হৈ থকাৰ শুভকামনাৰে।

(ডাঃ ৰণোজ পেগু)

রেকিবুদ্দিন আহমেদ
বিধায়ক, ৪৯ ছয়গাঁও বিধানসভা সমষ্টি
দিশপুৰ, অসম

দুৰভাষ ঃ ০৩৬১-২২২৩৫৪৬ (গৃহ)
৯৯৫৪১-২১০১৭ (মোঃ)
৯৪৩৫০-৪৮২৬৯ (মোঃ)
ই-মেইল ঃ rekib.rehan@gmail.com



## শুভেচ্ছা বাণী

কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়,ছয়গাঁৱৰ বাৰ্ষিক মুখপত্ৰ 'কাঁচিয়লী' প্ৰকাশৰ পূৰ্ণ প্ৰচেষ্টা চলা বুলি জানিবলৈ পাই মই পৰম আনন্দিত। বিগত বৰ্ষৰ দৰে ছাত্ৰ একতা সভাই মুখপত্ৰখনি প্ৰকাশ কৰিবলৈ দিহা কৰাটো নিতান্তই আদৰণীয়। যিহেতু সাহিত্য চৰ্চাৰ জৰিয়তে সমাজ এখনৰ চিত্ৰ প্ৰতিফলিত হোৱাৰ উপৰিও একোটা জাতিৰ উৎকৰ্ষ সাধনৰ পথ মুকলি হয়। মুখপত্ৰখনি বলিষ্ঠ আৰু তত্বগধুৰ লিখনিসমৃদ্ধ ও নতুন চিন্তাৰ খোৰাক যোগাই সৰ্বাংগ সুন্দৰ হৈ জনমানসত সমাদৃত হোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ লেখনিয়ে নতুন চিন্তাৰ খোৰাক যোগাব বুলি মই আশাবাদী।

সদৌশেষত মুখপত্ৰখনে সুন্দৰ ৰূপত আত্মপ্ৰকাশ লাভ কৰাৰ কামনাৰে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ৰেকিবুদ্দিন আহমেদ)

**Mr. Hemanga Thakuria,** M.Sc, LLB, MBA
MLA, 50 No. Palasbari Constituency, Assam

98640-24976 / 86382-32601 (M)
E-mail: hemangat@rediffmail.com

Ref.

Date :......................

# শুভেচ্ছা বাণী



মই জানিবলৈ পাই আনন্দিত হৈছোঁ যে কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ **'কাঁচিয়লি'** প্ৰকাশৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই প্ৰচেষ্টাৰ বাবে মই শলাগ যাচিছোঁ।

মই ভাবো এই বাৰ্ষিক মুখপত্ৰ প্ৰকাশ কৰাটো অতি দৰকাৰী। কিয়নো এখন বাৰ্ষিক মুখপত্ৰই মহাবিদ্যালয়ৰ লগত জড়িত প্ৰতিগৰাকী ব্যক্তিৰ সৃজনাত্মক দক্ষতা আৰু সৃষ্টিশীল প্ৰতিভাৰ লগতে বৌদ্ধিক উৎকৰ্ষ সাধন কৰাত সহায় কৰে।

এই বাৰ্ষিক আলোচনী 'কাঁচিয়লি' খন সৰ্বাংগসুন্দৰ হৈ প্ৰকাশ পাওঁক তাৰ বাবে মোৰ ফালৰ পৰা আন্তৰিক শুভেচ্ছা থাকিল, লগতে এই আলোচনীৰ প্ৰকাশৰ লগত জড়িত সম্পাদনা সমিতিলৈ মোৰ হিয়াভৰা ওলগ যাচিলোঁ।

হেমাংগ ঠাকুৰীয়া

**(হেমাংগ ঠাকুৰীয়া)**
বিধায়ক
৫০ নং পলাশবাৰী বিধানসভা সমষ্টি, অসম

# শুভেচ্ছা বাণী



মই জানিবলৈ পাই আনন্দিত হৈছোঁ যে কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ **'কাঁচিয়লি'** প্ৰকাশৰ বাবে যো-জা কৰা হৈছে।

এই বাৰ্ষিক আলোচনী প্ৰকাশ কৰাটো অতি গুৰুত্বপূৰ্ণ তথা প্ৰয়োজনীয় যাতে প্ৰশিক্ষাৰ্থীসকলে তেওঁলোকৰ শৈক্ষিক জীৱনৰ পৰাই তেওঁলোকৰ বৌদ্ধিক উৎকৰ্ষ সাধন কৰাৰ লগতে সুপ্ত সাহিত্য প্ৰতিভা বিকাশ কৰিবলৈ সুবিধা পায়, লগতে শিক্ষক-শিক্ষয়িত্ৰী সকলেও নিজৰ বৌদ্ধিক জ্ঞান-ভাণ্ডাৰ শিক্ষাৰ্থীৰ মাজত বিলাই দিব পাৰে।

এই বাৰ্ষিক আলোচনী 'কাঁচিয়লি' খন সৰ্বাংগসুন্দৰ হৈ প্ৰকাশ পাওঁক তাৰ বাবে মোৰ ফালৰ পৰা আন্তৰিক শুভেচ্ছা থাকিল, লগতে এই আলোচনীৰ প্ৰকাশৰ লগত জড়িত সম্পাদনা সমিতিলৈ মোৰ হিয়াভৰা ওলগ যাচিলোঁ।

বিনম্ৰতাৰে —

বানেশ্বৰ দাস
সভাপতি
পৰিচালনা সমিতি
কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়, ছয়গাঁও

# কৃতজ্ঞতা অৰ্পণ

পোন প্ৰথমে কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'কাঁচিয়লি'ৰ তৃতীয় সংখ্যাটি প্ৰকাশ কৰি উলিওৱাত সহায় কৰা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড০ অভিজিৎ দেৱ অধিকাৰী তথা মহাবিদ্যালয়ৰ জেষ্ঠ্যা অধ্যাপিকা ৰেখামণি ডাকুৱা বাইদেউ, উমানন্দা বৰুৱা বাইদেউ আৰু বৰ্ণালী গোস্বামী বাইদেউক কৃতজ্ঞতা জনালোঁ।

আলোচনীখন প্ৰকাশ কৰি উলিওৱাত সময়ে সময়ে সাহস-উৎসাহ আৰু মানসিক শক্তি আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যাপক ৰফিকুল ইছলাম ছাৰ, শ্যামলিমা দত্ত বাইদেউ আৰু সাংগ্ৰিলা বসুমতাৰী বাইদেউৰ লগতে শিক্ষকবৃন্দক আন্তৰিক কৃতজ্ঞতা জনালোঁ

বেটুপাত প্ৰস্তুত কৰাত সহায় কৰা শ্ৰদ্ধাৰ প্ৰচ্ছদ শিল্পী লোহিত ৰাজবংশীদেৱলৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

এই প্ৰসংঙ্গতে ছাত্ৰ একতা সভাৰ সমূহ সদস্যবৃন্দ, বিশেষকৈ সাধাৰণ সম্পাদক অমিত সিংহ আৰু আৰম্ভণিৰে পৰা সাহিত্যৰ প্ৰতিটো দিশত ছাঁৰ দৰে লাগি থাকি সহায়ৰ হাত আগবঢ়োৱা সাংস্কৃতিক সম্পাদক সৌৰভ দাসক বিশেষ কৃতজ্ঞতা জনাইছোঁ। লগতে মহাবিদ্যালয়ৰ সমূহ প্ৰশিক্ষাৰ্থী, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ বিশেষকৈ ভাৰত গোস্বামী খুড়া আৰু সদানন্দ দাস ছাৰ, সাৰথি অফ্ছেট প্ৰেছৰ বাইদেউ মেঘালী ঠাকুৰীয়ালৈ আন্তৰিক ধন্যবাদ জনাইছোঁ।

আলোচনীখন এটা নিৰ্দিষ্ট কলেৱৰত আৱদ্ধ হোৱা হেতুকে বহু লেখনি আমি প্ৰকাশ কৰিবলৈ অপাৰগ হ'লো, ইয়াৰ বাবে আপোনালোৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিছাৰিছোঁ।

শেষত নিজৰ বহুমূলীয়া লেখনীৰে আলোচনীখন সমৃদ্ধ কৰা প্ৰতিগৰাকী ব্যক্তিলৈ আমাৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

— সম্পাদকদ্বয়

# সম্পাদকীয় কলম...



জয়জয়তে পৰম কৰুণাময় আৰু নেদেখাজনৰ ওচৰত সশ্ৰদ্ধ প্ৰণিপাত জনাই এই বছৰৰ 'কাঁচিয়লি'ৰ সম্পাদকৰ তৰফৰ পৰা একলম লিখিবলৈ লৈছোঁ।

সাহিত্য হৈছে এক সাধনা। ই মানৱ জীৱনৰ অবিচ্ছেদ্য অংগ। সৃষ্টিৰ মাধ্যমত জীৱনৰ নিত্য ৰূপ দিবলৈ যাওঁতে সাহিত্য হৈ পৰে জীৱনৰ পথ প্ৰদৰ্শক। সেয়েহে শিক্ষা জগত আৰু ব্যক্তিৰ জাতীয় জীৱনত সাহিত্যৰ ভূমিকা উল্লেখযোগ্য। ভাষা, সাহিত্য আৰু সংস্কৃতি নাথাকিলে কোনো জাতিয়েই নিজৰ অস্তিত্ব অটুট ৰাখিব নোৱাৰে।

এখন আলোচনীয়েই হৈছে এখন মহাবিদ্যালয়ৰ দাপোন স্বৰূপ আৰু আলোচনী এখন মহাবিদ্যালয়ৰ মুখপত্ৰ। শিক্ষাৰ্থীয়ে নিজৰ সৃষ্টিশীল প্ৰতিভাৰ প্ৰকাশ কৰিবলৈ পোনপ্ৰথমে সুবিধা লাভ কৰে শিক্ষানুষ্ঠানৰ মুখপত্ৰৰ জৰিয়তে আৰু তাত প্ৰকাশিত উচ্চমানৰ সাহিত্যৰাজিয়ে মহাবিদ্যালয়ৰ সৌষ্ঠৱ বৃদ্ধি কৰাত সহায় কৰে, লগতে শিক্ষাৰ্থীৰ মানসিক আৰু বৌদ্ধিক উৎকৰ্ষ সাধনত নতুন দিগন্তৰ সৃষ্টি কৰে।

আগৰ বছৰৰ দৰে এইবছৰো কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'কাঁচিয়লি' উলিয়াবলৈ মনস্থ কৰা হৈছিল। এই আলোচনীখন প্ৰকাশৰ দায়িত্বৰ বাবে আমি একেবাৰেই অভিজ্ঞ নাছিলো, তথাপি মনত পুহি ৰখা হেঁপাহ আৰু শিক্ষাগুৰুৰ বিশ্বাসক বাস্তৱায়িত কৰিবলৈ আমি আগবাঢ়িছিলো। এই মহৎ কাৰ্য্যত আগবাঢ়ি অনুভৱ কৰিলোঁ যে এখন মহাবিদ্যালয়ৰ এখন বাৰ্ষিক আলোচনী প্ৰস্তুত কৰি উলিওৱাটো এক বিৰাট প্ৰত্যাহ্বান। গুৰু-শিষ্য আৰু মহাবিদ্যালয়ৰ লগত জড়িত সকলোখিনিৰ সুস্থ মিশ্ৰণেৰেহে এখন আলোচনীৰ পূৰ্ণাংগ ৰূপ দিব পাৰে। আলোচনীখনৰ মানদণ্ড উন্নত কৰিবলৈ আমি যথেষ্ট কষ্ট আৰু চেষ্টা কৰিছিলো। আলোচনীখনৰ প্ৰকাশৰ লগত জড়িত সকলো দিশে আমাৰ অভিজ্ঞতাৰ মোনাখন ভৰ্তি কৰালে, যিয়ে ভৱিষ্যত জীৱনত মধুৰ স্মৃতি হোৱাৰ লগতে আমাক বিভিন্ন দিশত সহায় কৰিব।

শেষত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, তত্বাৱধায়ক হিচাপে দায়িত্বৰ ভাৰ লোৱা শিক্ষকবৃন্দ, লগতে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে এই আলোচনীৰ প্ৰকাশত সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ সমূহ ব্যক্তিলৈ অশেষ ধন্যবাদ আৰু সন্মানপূৰ্বক শ্ৰদ্ধা আগবঢ়ালো। আমাৰ সীমিত জ্ঞান আৰু অভিজ্ঞতাৰে আলোচনীখন প্ৰস্তুত কৰি উলিয়াইছো। আমি এখন উৎকৃষ্ট আলোচনী প্ৰস্তুত কৰাত কিমান সফল হৈছো নাজানো। এই গুৰুদায়িত্ব পালন কৰাৰ ক্ষেত্ৰত অজানিতে আৰু অনিচ্ছাকৃতভাৱে ভুল হৈ যাব পাৰে, তাৰবাবে আমি পাঠকৰ ওচৰত নতশিৰে ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ ভৱিষ্যত উন্নতি কামনা কৰি সম্পাদকীয় একলমৰ সামৰণি মাৰিলো।

বিনম্ৰতাৰে—
হিমাশ্ৰী কাশ্যপ
বিকাশ দাস
সম্পাদকদ্বয়, সাহিত্য বিভাগ
কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়

# সূচীপত্র


| | | |
|---|---|---|
| ড° ভূপেন হাজৰিকাৰ গীতৰ সুকীয়া বৈশিষ্ট্য | ড° সংগীতা কাকতি | ১ |
| পৰিষ্কাৰ-পৰিচ্ছন্নতাত নাৰীৰ ভূমিকা | উমানন্দা বৰুৱা | ৪ |
| শৰৎ আৰু আমাৰ শৈশৱ | মঃ ৰফিকুল ইছলাম | ৭ |
| সাম্প্ৰতিক শিক্ষা ব্যৱস্থা আৰু শিক্ষকৰ কৰণীয় | হিমাশ্ৰী কাশ্যপ | ৯ |
| ইকিগাই (দীৰ্ঘায়ু আৰু সুখী জীৱন-যাপনৰ জাপানী ৰহস্য) | ডেভিদ মেধি | ১০ |
| অসমৰ বসন্তকালীন উৎসৱ | বিকাশ দাস | ১৪ |
| সময়ৰ মোল | বৰ্ণালী গোস্বামী | ১৭ |
| ভাৰতীয় নৃত্যশৈলীৰ চমু আভাস | হিমশিখা কেওঁট | ১৮ |
| এক অদ্ভুত মানসিকতা | ভাস্কৰজ্যোতি বৰ্মন | ১৯ |
| শৰ্মিষ্ঠা প্ৰীতম এক প্ৰত্যাখ্যান | ৰঞ্জিত সান্যাল | ২১ |
| বিষয় ঃ ঘৰ | অৰ্পনা ৰাভা | ২২ |
| ভূপাল গেছ দুৰ্ঘটনা | ডলী মালী | ২৩ |
| The origin of the name of Assam | Himashree Mazumdar | ২৫ |
| The bard of Brahmaputra : Dr. Bhupen Hazarika | Jimani Nath | ২৭ |
| Traditional Food Culture in North-East India | Deepsikha Kalita | ২৯ |
| Anthropology as a subject and its relationship with other academic disciplines | Sourabh Das | ৩২ |
| Need for Girl Child Education | Nilakshi Borah | ৩৭ |
| Unveiling the unseen struggles of Women | Shyamolima Dutta | ৩৯ |
| Educational implication upon the Rural lives | Himashree Das | ৪০ |
| Impact of AI in our daily life | Prerana Nath | ৪২ |

| | | |
|---|---|---|
| A path to success for struggling students | Manisha Dutta Lahkar | ৪৪ |
| Biotechnology in Agricultural field | Bonoshree Dutta | ৪৬ |
| Education till senescence | Sushmita Das | ৪৮ |
| বেকডেটেড | ভূপালী কলিতা | ৪৯ |
| যাজ্ঞসেনী | লিজা আহমেদ | ৫১ |
| মায়ালগা সময়ৰ উকমুকনি | কাবেৰী গোস্বামী | ৫৩ |
| মোৰ বিনামূলীয়া জাপান ভ্ৰমণ | চুমকী দাস | ৫৬ |
| Title : The nostalgia of my B.Ed. voyage | Dhrubajyoti Kalita | ৬০ |
| A trip to the Economic capital of India | Sayani Bhattacharjee | ৬২ |
| ক্ৰমশঃ | টুলুমনি দাস | ৬৪ |
| অনুভৱ | ৰিমঝিম ডাউকা | ৬৪ |
| এমুঠি সুখ | কৰিশ্মা দাস | ৬৫ |
| প্ৰাৰ্থনা | শিল্পা ৰায় | ৬৫ |
| জীৱনৰ শলিতা | নিপামণি বড়ো | ৬৬ |
| অনুগ্ৰহ কৰি মোক হত্যা নকৰিব | সুজিত সৰকাৰ | ৬৭ |
| দেৱদাস | অমিত সিংহ | ৬৮ |
| তুমি মাথো এটি অনুভৱ | জেৰিফা আহমেদ | ৬৯ |
| শিৰোনামা— মই উৰ্মি | টুবুলু নাথ | ৭০ |
| ক'ৰবাতে ৰৈ থাকিল ! | অংকিতা দেৱী | ৭০ |
| মই আজি অন্ধ | বিকাশ কলিতা | ৭১ |
| আধৰুৱা অতীত | বেবী খনিকৰ | ৭১ |
| Eternal Remembrance : A poetic Tribute to my mother in law | Shyamolima Dutta | ৭২ |

| | | |
|---|---|---|
| ○ B.Ed - A journey | Bidyut Jyoti Sarmah | ৭৩ |
| ○ The Night... | Semim Nasrina Yesmin৭৪ | |
| ○ The Life... | Abdus Salam | ৭৪ |
| ○ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | অমিত সিংহ | ৭৫ |
| ○ সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | দীপজ্যোতি কলিতা | ৭৯ |
| ○ সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | হিমাশ্ৰী কাশ্যপ | |
| | বিকাশ দাস | ৮১ |
| ○ An Annual Report from Cultural Secretaries | Sourabh Das | |
| | Chayanika Kalita | ৮২ |
| ○ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | বিকাশ কলিতা | |
| | কংকনা তামুলী | ৮৪ |
| ○ সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন | | |
| | ধ্ৰুৱজ্যোতি কলিতা | |
| | হিৰকজ্যোতি বড়ো | ৮৫ |
| ○ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন | হিমাশ্ৰী মজুমদাৰ | ৮৭ |
| ○ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফলসমূহ | | ৮৮ |
| ○ Governing Body | | ৯৪ |
| ○ Staff of K.R.D. College of Education Chhaygaon | | ৯৫ |
| ○ Members of House of Union | | ৯৬ |
| ○ Achievement of our Trainees | | ৯৭ |


○ ○ ○ ○ ○ ○

# ড° ভূপেন হাজৰিকাৰ গীতৰ সুকীয়া বৈশিষ্ট্য

— ড° সংগীতা কাকতি
দাতা সদস্য, কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়, ছয়গাঁও

'সংগীত সূৰ্য, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ অবিস্মৰণীয় অৱদান, সাগৰ সদৃশ বিশালতাৰে ভুৰপুৰ। ২০১১ চনৰ ৫ নৱেম্বৰত মহাপ্ৰয়াণ ঘটা ড° ভূপেন হাজৰিকাৰ গীতত ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয়, আঞ্চলিক আটাইকেইটা পৰ্যায়তে জনতাৰ হাঁহি, চকুলো, পোৱা-নোপোৱাৰ বেদনা, আশা আকাংক্ষা, জীয়াই থকাৰ সাহস, সংগ্ৰামী মনোবৃত্তি প্ৰকাশ পাইছে। দুখীয়া, সৰ্বহাৰাৰ প্ৰতি সহমৰ্মিতা প্ৰদৰ্শন, মৰম-চেনেহ, প্ৰেমৰ এনাজৰীৰে বান্ধি এক স্বৰ্গীয় জ্যোতিৰে মন-প্ৰাণ হৰ্ষিত কৰি তোলাৰ এক গভীৰ আবেদন লুকাই আছে। ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত শদিয়াত পিতৃ নীলকণ্ঠ হাজৰিকা আৰু মাতৃ শান্তিপ্ৰিয়া হাজৰিকাৰ প্ৰথম সন্তান আছিল ড° ভূপেন হাজৰিকা। পাঁচ বছৰ বয়সতে কটন কলেজিয়েট স্কুলত দেউতাকে শিকাই দিয়া এটি গীত তেওঁ গাই ৰসৰাজ লক্ষীনাথ বেজবৰুৱাদেৱৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। ১৯৩৬ চনত জ্যোতি বিষ্ণুৰ সান্নিধ্যলৈ আহে আৰু দুটি গীত বানীবদ্ধ কৰে। এইজনা শিল্পীয়ে কৈশোৰ কালতে 'কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে ধৰিছিল নামেৰে তান' শীৰ্ষক গীতেৰে তেওঁৰ প্ৰথম গীতি-সাহিত্য জীৱনৰ আৰম্ভণি কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুৰাভাৰ দৰে মহান জীৱন দৰ্শন আৰু ব্যক্তিত্বৰ সান্নিধ্যই ড০ হাজৰিকাকক এক বিশেষ বাট দেখুৱালে, এই বাট হ'ল জনতাৰ হৃদয়ত প্ৰৱেশ কৰাৰ বাট। বেনাৰসত আয়ত্ত কৰা জ্ঞানে তেওঁৰ জীৱনৰ প্ৰতিটো মুহূৰ্তৰ যাত্ৰা, সংগ্ৰাম আৰু সংঘাতে মানুহৰ বাবে লিখাৰ প্ৰেৰণা যোগালে। ১৯৪৮ চনতে 'অল ইণ্ডিয়া ৰেডিঅ'ৰ জৰিয়তে গীত পৰিৱেশন কৰি জনতাৰ মাজলৈ আৰু বেছিকৈ সোমাই গ'ল।



ড° হাজৰিকাৰ গীতৰ এক সুকীয়া বৈশিষ্ট্য আছে। তেওঁৰ গীতৰ মাজৰে সমাজৰ আৰ্তজনৰ দুখ-দুৰ্দশাৰ ছবি ফুটি উঠিছে। নিজৰ লগতে আনৰ ব্যক্তিগত অনুভূতিক বিশ্লেষণ কৰি তেওঁ সমাজ সচেতনভাৱে গীতসমূহ ৰচনা কৰিছিল। দেশ-জাতিৰ সমূহীয়া বিপ্লৱী মনৰ বিশ্লেষণ কৰি দেশ আৰু সমাজৰ সমস্যাৰাজিৰ সমাধানেৰে ৰাইজক গীতৰ মাজেৰে জাগ্ৰত কৰি তোলাই তেওঁৰ গীতৰ প্ৰধান লক্ষ্য আছিল। একবদ্ধতাৰ বৰভেটিত ৰচিত সমাজহে প্ৰকৃত সমাজ। কৈশোৰ কালতেই এই কথাষাৰৰ সাৰমৰ্ম উপলব্ধি কৰি সমসাময়িক সময়ৰ প্ৰেক্ষাপটত সমাজখনৰ মাজলৈ শ্ৰীশংকৰ গুৰুৰ প্ৰাসংগিকতাক গীতৰ মাজেৰে উপস্থাপন কৰি তেখেতে লিখিছিল—

নামঘৰ সাজিলা ৰাইজ থাপিলা
একতাৰ আসনত আনি
ভাওনা সোণাতে বৰগীত সুৰগা
প্ৰচাৰিলা দেৱবাণী।। (তেজপুৰ, ১৯৩৭)

১৯৪২চন। এফালে দ্বিতীয় মহাসমৰ আৰু আনফালে ভাৰত ত্যাগ আন্দোলন। এই সময়ছোৱাতেই মাত্ৰ যোল্ল বছৰ বয়সত অভিলেখ সৃষ্টিকাৰী এই গীত ৰচনা কৰি কোমল বয়সীয়া ডেকা ল'ৰাজনৰ অন্তৰত উদ্বুদ্ধ হৈ উঠা বৈপ্লৱিক চেতনাৰ বহিঃপ্ৰকাশ কৰিছিল। এই গীতটিৰ মাজেৰে তেখেতে ব্ৰিটিছসকলৰ অত্যাচাৰ তথা নিৰ্যাতনত দেশৰ নাগৰিকসকলে ভোগ কৰা অশেষ দুখ-দুৰ্দশাৰ প্ৰতি গভীৰ সহানুভূতি প্ৰদৰ্শন কৰিছিল।

'অগ্নিযুগৰ ফিৰিঙতি মই /নতুন অসম গঢ়িম'

ড০ হাজৰিকা একেধাৰে এজন স্বদেশপ্ৰেমী আৰু বিশ্বপ্ৰেমী আছিল। সেয়েহে তেওঁৰ গীতত জাতীয়তাবাদৰ পৰা আন্তৰ্জাতিক চেতনালৈ গীতৰ ধাৰা প্ৰবাহিত হৈছে। তেওঁৰ গীতৰ মাজেৰে এখন সুন্দৰ বিশ্ব প্ৰতিষ্ঠাৰ বাবে স্বদেশপ্ৰেমৰ অনুভূতি প্ৰকাশ কৰিছিল। তেওঁ অসম, ভাৰত আৰু বিশ্ব— এই তিনিটাৰ মাজৰ সমন্বয় সাধন কৰিব বিচাৰিছিল। তেওঁৰ আন্তৰ্জাতিক গীতবোৰ তলত দিয়া বিভিন্ন ভাগত আলোচনা কৰিব পাৰি।

১। স্বদেশপ্ৰেম আৰু বিশ্বপ্ৰেমৰ মাজত সমন্বয় ঃ ড° ভূপেন হাজৰিকাই জাতীয়তাবাদ, আন্তৰ্জাতিকতা, স্বদেশপ্ৰেম আৰু বিশ্বপ্ৰেমৰ মাজত গীতৰ মাধ্যমত সমন্বয় স্থাপন কৰিছে। স্বদেশৰ প্ৰতি কৰ্তব্য পালন কৰিলেহে বিশ্বৰ প্ৰতিও কৰ্তব্য পালন কৰা হ'ব। তেওঁৰ গীতৰ কথাৰে— 'আমি অসমীয়া নহওঁ দুখীয়া.........''

২। মানৱতাবাদ ঃ ড° হাজৰিকাই মানুহৰ জীৱন বিশ্লেষণ কৰি পাইছে যে সকলোৰে ঊৰ্দ্ধত মানৱতা। তেওঁ এনেকুৱা এখন সমাজ প্ৰতিষ্ঠা কৰিব বিচাৰিছে য'ত সোণতকৈও মানুহৰ দাম অলপ হ'লেও বেছি।

৩। দাস প্ৰথাৰ বিৰোধিতা ঃ ড° হাজৰিকাই বহু ঘৰত গৃহ দাস দেখি মানুহ কিনা-বেচা কৰা নীতিৰ বিৰোধিতা কৰি গাইছিল— 'মানুহে মানুহক কিনিব খুজি/মানুহে মানুহক বেচিব খুজি...'

৪। বিশ্ব বুৰঞ্জীৰ মাজত থকা ঐক্য ঃ ড° হাজৰিকাই বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ বুৰঞ্জীৰ মাজত এটি ঐক্য বিচাৰি পাইছিল। তেখেতৰ মতে বিশ্বৰ সকলো সমাজতে এটা শ্ৰেণী সদায় শোষিত, নিষ্পেষিত, নিপীড়িত হৈ জীৱন কটাবলগীয়া হৈছে। এই শ্ৰেণীৰ মানুহৰ মুকুতিৰ বাবে লিখিছিল—

'অতীতৰ বুৰঞ্জী লেখকে লিখিছিল।
ৰজা মহাৰজাৰ কথা.....।'

৫। বিশ্ব ভাতৃত্ব ঃ ড° হাজৰিকাই সকলো লোকৰ মাজতে সম্প্ৰীতি আৰু ভাতৃত্ববোধ জগাই তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰি সততে পল্ ৰবচনৰ সেই বিখ্যাত গীতটি গাইছিল— 'We are the same boat brother'

'মহাবাহু ব্ৰহ্মপুত্ৰ মহামিলনৰ তীৰ্থ' এই গীতটিও এইক্ষেত্ৰত উল্লেখযোগ্য।

৬। শ্ৰেণী বৈষম্যবাদ ঃ মই দেখিছোঁ অনেক গগনচুম্বী অট্টালিকাৰ শাৰী/তাৰ ছাঁতেই দেখিছোঁ কতনা গৃহহীন নৰনাৰী'

ড° হাজৰিকাই গগনচুম্বী অট্টালিকা আৰু গৃহহীন নৰনাৰীক ক্ৰমে ধনিক আৰু শোষিত শ্ৰেণীৰ লগত তুলনা কৰিছে। (প্ৰতীক)

আকৌ 'বিক্ষুব্ধ বিশ্বকণ্ঠই' শীৰ্ষক গীতটিও তেখেতে জীৱশ্ৰেষ্ঠ মানৱৰ কু-কৰ্মৰ তাৎপৰ্যপূৰ্ণ ইংগিত দি পৃথিৱীখনক বিচাৰ-বিবেকহীন মৰণফান্দ বুলি কৈছে।

৭। সমাজ চেতনা ঃ ১৯৬২ চনৰ চীনা আক্ৰমণৰ সময়ত অসমকে ধৰি শত্ৰুপক্ষৰ হাতত এৰি দি নেহৰুৱে কৰা ঘোষণাত ব্যাথিত হৈ ড° হাজৰিকাই দেশ ৰক্ষাৰ বাবে সংকল্পবদ্ধ হৈ ৰচিছিল 'ৰণক্লান্ত নহও' শীৰ্ষক গীতটি।

তদুপৰি 'তপ্ত তীখাৰে অগ্নি শক্তি' শীৰ্ষক গীতটিত কৈছে— 'জনতাতন্ত্ৰৰ সাজি ল'লো অস্ত্ৰ/স্বতন্ত্ৰতাকে আনিম বুলি..'

১৯৬২ চনৰ চীনা-ভাৰত যুদ্ধৰ পটভূমিত অন্য এটি শ্ৰেষ্ঠ গীত 'বুকু হম হম কৰে'ত লিখিছে— 'দেশৰে চন্দ্ৰমা কাল এন্ধাৰে আৱৰে...'।

শ্বিলঙতপ্ৰেয়সীয়ে প্ৰত্যাখ্যান কৰাৰ পিছত ড° ভূপেন হাজৰিকাই লিখিছিল— শৈশৱতে ধেমালিতে' শীৰ্ষক গীতটি। বিচ্ছেদৰ গীত যদিও তাৰ মাজত ধ্বনিত হৈছে সমসাময়িক সমাজৰ বাস্তৱতা— 'জীয়াই থাকি এখন সমাজ/ গঢ়িবৰ মোৰ মন আছে....'

সামৰণি ঃ বহু বিস্তৃত আৰু বৈচিত্ৰ্যমণ্ডিত বিচৰণভূমিৰ প্ৰত্যক্ষ অভিজ্ঞতাই মহীয়ান কৰি তোলা শিল্পী ড° ভূপেন হাজৰিকা সন্দৰ্ভত লতা মংগেশকাৰে কৈচে— 'ভূপেনদা নিজেই এক সংগীতৰ ঘৰানা। তেওঁক পৃথিৱীৰ কোনো সংগীত শিল্পীৰ সৈতে তুলনা কৰিব নোৱাৰি।'

২০০২ চনত স্নেহ প্ৰডাকচনে নিৰ্মাণ কৰা 'চিৰযুগমীয়া গীত' নামৰ এলবামটি ড° ভূপেন হাজৰিকাদেৱৰ সৈতে দ্বৈতকণ্ঠত গীত গাবলৈ মই সুবিধা পাইছিলোঁ। জনপ্ৰিয় এলবামটিত মোৰ গীত শুনি ভূপেনদা অতিশয় আনন্দিত হৈছিল আৰু সন্তুষ্টি লাভ কৰিছিল। মোৰ মূৰত হাত থৈ কৈছিল— 'তুমি খুব সুন্দৰকৈ গীতকেইটা গাইছা। এনেদৰেই গাই থাকিলে তুমি পিছলৈ বহু আগুৱাই যাব পাৰিবা।' ○

" ৰাজনৈতিক দলবোৰে এখন দেশ বা এটা জাতি গঢ়িব পাৰে; কিন্তু তাত প্ৰাণ প্ৰতিষ্ঠা কৰিব নোৱাৰে। প্ৰাণ প্ৰতিষ্ঠা কৰে ৰূপতান্ত্ৰিক সিদ্ধ পুৰুষ বাঞ্ছা বিজয়ী আত্মাৰ গৰাকী শিল্পীয়েহে।"

— বিষ্ণুপ্ৰসাদ ৰাভা

# পৰিষ্কাৰ-পৰিচ্ছন্নতাত নাৰীৰ ভূমিকা

— উমানন্দা বৰুৱা
জ্যেষ্ঠ অধ্যাপিকা

পৰিষ্কাৰ-পৰিচ্ছন্নতা হ'ল স্বাস্থ্যসন্মত পৰিৱেশ সৃষ্টিকাৰী এক জীৱন বোধ। ই প্ৰতিটো জীৱনৰ লগতে লগতে চাৰিওকাযে থকা জীৱজগত আৰু অজৈৱিক কাৰক সমূহৰ সু-অৱস্থানৰ চাবি-কাঠি। মানুহৰ নিজা পৰিৱেশ পৰিষ্কাৰ পৰিচ্ছন্নতাৰে স্বাস্থ্য সন্মত কৰাৰ দায়িত্ব নিজৰ ওপৰতে ন্যস্ত। পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু পৰিপাটীৰে সুন্দৰ পৰিৱেশ গঢ়ি তোলাৰ সামৰ্থ্য হৈছে এখন ঘৰৰ বা সমাজৰ জীৱন বোধৰ মানৰ প্ৰতিচ্ছবি।

আমাৰ কোনো কোনো ব্যক্তিয়ে নিজৰ দেহাটো বা কেতিয়াবা নিজৰ ঘৰখন যথেষ্ট পৰিষ্কাৰ কৰি ৰাখে কিন্তু চৌদিশৰ পৰিৱেশ যিমানেই অস্বাস্থ্যকৰ নহওঁক লাগে তাৰ প্ৰতি কোনো ভ্ৰুক্ষেপ নাথাকে। কিন্তু এটা কথা মনত ৰখা প্ৰয়োজন যে যেনেকৈ কেৱল সুস্থ দেহতহে সুস্থ মন বাস কৰিব পাৰে ঠিক তেনেকৈ আভ্যন্তৰ আৰু বাহ্যিক এই দুয়োটা দিশ নিকা হ'লেহে মানুহে নিজৰ দেহাটোক আৰু লগতে নিজৰ পৰিৱেশক প্ৰকৃত অৰ্থত সুন্দৰ কৰি ৰাখিব পাৰে। জ্ঞান-বিজ্ঞান আৰু পৰিৱেশ তথা স্বাস্থ্যসন্মত সচেতনতাৰে গঢ়ি তোলা সু-শিক্ষা ব্যৱস্থা আৰু এনে শিক্ষাৰ ভেঁটিত গঢ়ি উঠা বাস্তৱ জীৱনবোধে মানুহৰ দেহা আৰু পৰিৱেশ পৰিষ্কাৰ পৰিচ্ছন্ন কৰিব পাৰে। এই ক্ষেত্ৰত মহিলা সকলৰ সৰ্বাধিক ভূমিকা আছে।

পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰতি সচেতনতা বহুতো কথাৰ ওপৰতে নিৰ্ভৰ কৰে। মধ্যযুগৰ ইউৰোপৰ লোকসকলৰ ব্যক্তিগত জীৱন আৰু সামগ্ৰীক পৰিৱেশ আছিল অত্যন্ত অপৰিষ্কাৰ। আমি জানো যে সেই সময়ৰ ইউৰোপৰ পাৰম্পৰিক চিন্তাৰ পৰিৱেশ আছিল অনেক কু-সংস্কাৰ, শিক্ষা বিহীনতা, দৰিদ্ৰতাৰে আৱৰি থকা একোটা গঁৱালৰ নিচিনা। সেয়ে, বিভিন্ন ধৰণৰ সংক্ৰামক ৰোগৰ দ্বাৰা মানুহবিলাক প্ৰায়ে আক্ৰান্ত হৈছিল আৰু মানুহৰ জীৱনকালো আছিল অতি চমু। কিন্তু, বিজ্ঞানৰ জয়যাত্ৰাৰ ফলত ইউৰোপৰ লোকসকলে পাৰম্পৰিক চিন্তাৰ চিন্তাৰ চক্ৰবেহুৰ পৰা মুকলি হ'ল ; বিজ্ঞানে আনি দিয়া জ্ঞান আৰু সামাজিক আন্দোলন তথা চেতনাবোধে মানুহৰ জীৱনবোধ নতুনকৈ গঢ় দিলে। লাহে লাহে পৰিষ্কাৰ পৰিচ্ছন্নতা তেওঁলোকৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ অবিচ্ছেদ্য অংগ হৈ পৰিল। এই পৰিপ্ৰেক্ষিততে দুৰ্ভাগ্যক্ৰমে আমাৰ ভাৰতৰ চহৰ অঞ্চলেই হওঁক বা গ্ৰামাঞ্চলেই হওঁক, ব্যক্তিগত লোকেই বা সামাজিক পৰিৱেশেই হওঁক, পৰিষ্কাৰ পৰিচ্ছন্নতাৰ চিত্ৰখন বৰ উজ্বল বুলি ক'ব নোৱাৰি। এই ক্ষেত্ৰত অসমৰ বিশিষ্ট বুদ্ধিজীৱি হোমেন বৰগোহাঞিও দেৰে আত্ম সমালোচনাত সুলভ মন্তব্য কৰি কৈছে যে "বহু যুগ, বহু শতাব্দী ধৰি বিষ্ঠা আৰু মূতৰ গোন্ধত আমি এনেভাৱে অভ্যস্ত হৈছো যে আমাৰ শিক্ষিত মানুহজনো পোক কিলবিল কৰি থকা মুকলি পায়খানাৰ প্ৰতি সন্ন্যাসীৰ দৰেই নিৰ্বিকাৰ।" প্ৰকৃততে জীৱন আৰু সমাজৰ প্ৰতি এনে দায়িত্বহীন দৃষ্টিভংগী আমাৰ ঐতিহ্যই বহন কৰা কেতবোৰ চিন্তাধাৰাকে দোষাৰোপ কৰিব পাৰি।

অসমৰ গাঁও বিলাকত ধৃতি-নীতি বাচ বিচাৰৰ গুৰুত্ব বেছি। ধৰ্মৰ দোঁহাই দিয়ো কিছুমান নিয়ম প্ৰতিপলিত হৈ

আহিছে। এই ক্ষেত্রত মহিলা সকলেই বেছি ৰীতি-নীতি পালন কৰিবলগীয়া হয়। পৰম্পৰাগত ভাৱে ভাৰতীয় সমাজত ৰীতি-নীতিৰ বান্ধোন অতি কটকটীয়া আছিল। এই ৰীতি-নীতি সমূহে কেতিয়াবা মানুহক চাফ-চিকুণতাৰ প্ৰতি সচেতন কৰি আহিছিল, ই সঁচা। কিন্তু বহু সময়ত তেনে ৰীতি-নীতিৰ কোনো বৈজ্ঞানিক বিচাৰ বিবেচনা লেখ মাত্ৰও আছে বুলি ক'ব নোৱাৰি।

আধুনিক শিক্ষাৰ ফলত এই সকলোবোৰৰ পৰিৱৰ্তন হ'ব ধৰিছে। ঐতিহ্যই বহন কৰি অনা জীৱনৰ আৰু সমাজৰ প্ৰতি দৃষ্টিভংগী লাহে লাহে সলনি হ'ব ধৰিছে। বিজ্ঞানেৰে সমৃদ্ধ আধুনিক শিক্ষাৰ প্ৰসাৰৰ লগে লগে আমাৰ দেশতো সকলো মানুহে গুৰুত্বপূৰ্ণ দিশটোৰ প্ৰতি সচেতন হ'বলৈ ধৰিছে। মহিলা সকলৰো এই ক্ষেত্ৰত উল্লেখযোগ্য দায়িত্ব আছে। মানুহৰ মৌলিক প্ৰয়োজন সমূহৰ ভিতৰত অন্ন, বস্ত্ৰ আৰু বাসস্থানেই প্ৰধান। শৰীৰ সুস্থ আৰু নিৰোগীকৈ ৰাখিবলৈ হ'লে এই সমূহ পৰিষ্কাৰ কৰি ৰখাটো অতি প্ৰয়োজন। প্ৰথমেই আমাৰ খাদ্য সমূহৰ চাফ চিকুণতাৰ প্ৰতি লক্ষ্য ৰখাটো এগৰাকী মহিলাৰ দায়িত্ব লগতে পাকঘৰৰ আচবাব পত্ৰ, বাচন বৰ্তন আদি বস্তুবোৰ চাফা কৰি ৰখাটোও মহিলা গৰাকীৰে দায়িত্ব। খোৱা পানীৰ দ্বাৰা যিহেতু নানা বেমাৰৰ সংক্ৰমিত হয় গতিকে বিশুদ্ধ আৰু বীজাণুমুক্ত খোৱাপানী ব্যৱহাৰত মহিলা গৰাকীয়ে যথেষ্ট গুৰুত্ব দিব লাগে। দ্বিতীয়তে, ঘৰখনত দৈনন্দিন ব্যৱহৃত কাপোৰ কানি, সাজ-পোচাক আদিৰ পৰিষ্কাৰ পৰিচ্ছন্নতাৰ দিশটোৰ প্ৰতি মহিলাসকল সাধাৰণতে সজাগ। তৃতীয়তে বাসস্থান বা ঘৰখন বুলিলে আমি থকা ঘৰৰ চৌদিশকে ধৰি ঘৰৰ ভিতৰখনো কিদৰে চাফ-চিকুণকৈ প্ৰদূষণ মুক্ত কৰি ৰাখিব পাৰি তাৰ বিষয়ে নাৰী সকলে চকু দিয়াটো প্ৰয়োজন।

অতীতত হিন্দু ৰীতি-নীতি মতেও শৌচাগাৰ পালনত যথেষ্ট গুৰুত্ব দিছিল। সৰুৰে পৰাই তেনেবোৰ শিক্ষাৰ ওপৰত গুৰুত্ব দিয়াটো পুৰুষ জনতকৈ মহিলা গৰাকীৰ দায়িত্ব বেছি। বিশেষকৈ ছোৱালীৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি চকু দিয়াটো মাকৰ কৰ্তব্য। কিশোৰী কালৰ চাফ-চিকুণতাই এজনী ছোৱালীৰ ভৱিষ্যত স্বাস্থ্যৰ ওপৰত বহুত নিৰ্ভৰ কৰে। এগৰাকী কিশোৰী হ'ল এগৰাকী ভৱিষ্যতৰ মাতৃ। সৰুৰে পৰা পোৱা চাফ-চিকুণতাৰ শিক্ষাই কিশোৰী গৰাকীৰ ভৱিষ্যতৰ পৰিয়াল আৰু সমাজ খনৰ পৰিষ্কাৰ পৰিচ্ছন্নতাৰ কথাৰ গুৰুত্ব দিয়াটো নৈতিক কৰ্তব্য বুলি ধৰিব লাগে। মাতৃ দুগ্ধ দিওঁতে ল'ব লগা সাৱধানতাৰ প্ৰতি সজাগ হোৱা দৰকাৰ।

জনজাতীয় সমাজ ব্যৱস্থাৰ পৰিষ্কাৰ পৰিচ্ছন্নতা মন কৰিবলগীয়া। বিশেষকৈ মাতৃপ্ৰধান জাতি সকলৰ মহিলা গৰাকীয়ে ঘৰখন পৰিপাটীকৈ চলাই নিয়াত এক মুখ্য ভূমিকা গ্ৰহণ কৰে। একোগৰাকী মহিলা একোখন ঘৰৰ চালিকা শক্তি। এই শক্তি একগোট কৰি মহিলা সকলে সমাজৰ আৰু পৰিৱেশৰ পৰিষ্কৰণৰ ক্ষেত্ৰত এক জাগৰণ আনিব পাৰে। কেৱল নিজৰ ঘৰখন চাফ-চিকুণকৈ ৰখাতে আবদ্ধ নাথাকি মহিলা সকলে সামূহিকভাৱে নিজৰ চুবুৰীটোৰ ৰাস্তা-ঘাট আদি পৰিষ্কাৰ ৰখাৰ ক্ষেত্ৰটো সমূহীয়া প্ৰচেষ্টা ল'ব পাৰে। নিজৰ সন্তান সকলক নিজে পৰিষ্কাৰ হৈ থাকি পৰিৱেশ ৰক্ষাৰ বিষয়ে সজাগ কৰি ৰাখিব পাৰে।

বৰ্তমান যান্ত্ৰিক যুগত কল-কাৰখানা, গাড়ী-মটৰ আদিৰ পৰা নিৰ্গত হোৱা ধোঁৱা, ৰাসায়নিক দ্ৰব্য, গেছ আদিয়ে পৰিৱেশ প্ৰদূষিত কৰি তুলিছে। বৃক্ষ ৰোপনৰ দ্বাৰা কিদৰে বায়ুমণ্ডল শোধিত কৰিব পাৰি এই বিষয়ে ল'ৰা-ছোৱালীক শিকোৱাৰ লগতে মাতৃসকলে হাতে-কামে এনে প্ৰচেষ্টা ল'ব পাৰে।

"The earth provide enough to satisfy everyone's nud but not only greed"- মহাত্মা গান্ধীয়ে কোৱাৰ দৰে প্ৰকৃতিয়ে আমাৰ প্ৰয়োজনীয়তা খিনি যথাযথ ভাৱে পূৰাব পৰাকৈ অনেক সৃষ্টি কৰি থৈছে। কেৱল মানুহে পৰিৱেশ সচেতনতাৰ অভাৱত এই সম্পদবোৰৰ সু-ব্যৱহাৰ নাজানি দিনে দিনে পৃথিৱীখনক এক ভয়াবহ বিপদৰ ফালে ঠেলি দিছে আৰু ই বৰ্তমান আমাৰ স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত এক প্ৰত্যাহবান

হিচাপে থিয় দিছে। বৰ্তমান পৰিস্থিতিত আমি নাৰী সমাজে পৰিৱেশ ৰক্ষাৰ বাবে যদি আগবাঢ়ি আহোঁ ই আমাৰ ভৱিষ্যত প্ৰজন্ম সঠিক দিশত আগুৱাই নিয়াত যথেষ্ঠ সহায়ক হ'ব। আমি নাৰীসকলে সমাজৰ আন ব্যক্তিৰ লগতে আমাৰ দৈনন্দিন জীৱন-যাপন প্ৰণালীত যদি কিছু সচেতনতা অৱলম্বন কৰো তেন্তে নিশ্চয় কিছু পৰিমাণে নিৰাপদ, সুস্থ, নিকা বাতাবৰণ এটা আমাৰ ভৱিষ্যত প্ৰজন্মৰ বাবে থৈ যাব পাৰিম। ○

---

"যি মানুহে তেওঁৰ লক্ষ্য বা উদ্দেশ্য কি সেই কথা যদি জানে, সেই মানুহেই পৃথিৱীত তেওঁৰ লক্ষ্যত উপনীত হোৱাৰ পথ প্ৰশস্ত কৰি ল'ব পাৰে।"

— এমাৰ্চন

# শৰৎ আৰু আমাৰ শৈশৱ

—মঃ ৰফিকুল ইছলাম
সহকাৰী অধ্যাপক



বাৰীৰ বগৰীজোপা ফুলিলেই আমাৰ পৰিয়ালৰ মানুহবোৰৰ পানী লগা জ্বৰ হোৱাটো এটা অঘোষিত নিয়মৰ দৰেই আছিল। মা- আৰু খুৰীহঁতে প্ৰায়েই কৈছিল—"উৎপাত কৰি নুফুৰিবি, বগৰীফুলিলেই জ্বৰত পৰিবি।" গ্ৰীষ্মকালে মেলানি মাগি শৰতৰ বাবে বাট এৰি দিয়াৰ মুহূৰ্ততে আমাৰ ঠুনুকা শৰীৰে ভাৰসাম্য ৰাখিব নোৱাৰাৰ বাবেই চাগে আমাৰ তেনেদৰে অসুখ হৈছিল অথবা এনেয়ো বগৰীজোপাৰ ফুলবোৰেই আমাক এটা ঋতু পৰিবৰ্তনৰ আভাস দিছিল।

বোকা-পানীৰে লেটি লোৱা আছিল আমাৰ শৈশৱ। বাৰিষাৰ বোকা-পানী গছকিয়েই আমি বিদ্যালয়লৈ গৈছিলো। বৰষা ঋতুক ভাল পাওঁ যদিও শৰৎ আহিলে মন আনন্দত নাচি উঠিছিল এই ভাবিয়েই যে, আমি আৰু বোকা-পানীত লেটি লৈ থাকিব নালাগে। কজলা বৰণ এৰি ক্ৰমশঃ শুকুলা বৰণ লোৱা বতাহত উৰি ফুৰা মেঘবোৰক আমি কৈছিলোঁ— "যাগৈ সাগৰু শুই থাকিবি, আমাৰ খেতি কৰা সময়ত আকৌ আহিবি।" তেতিয়ালৈকে শংকৰদেৱৰ শৰৎ বৰ্ণনা বা কালিদাসৰ মেঘদূত পঢ়া নাছিলো, যদিও বাৰিষাৰ মেঘতকৈ শৰৎ কালৰ মেঘবোৰ যে বেছি সহনশীল সেই ধাৰণা মনলৈ আহিছিল। মেঘক আমি তেতিয়াই ব্যক্তিৰূপত কল্পনা কৰিছিলোঁ। সেই সময়ৰ ৰাতি পুৱাবোৰত আমি ল'ৰা-ছোৱালীবোৰে সূৰ্য উঠাৰ আগেয়েই নিয়ৰত শুদা ভৰিৰে খোজকাঢ়ো, শেৱালি ফুল বুটলি মালা গাঁথো, বিভিন্ন খেল-ধেমালিতো ব্যৱহাৰ কৰিছিলোঁ। গছে-পাতে ওলমি থকা নিয়ৰৰ কণাবোৰ আলফুলে আঙুলিৰে তুলি আনি দুচকুত সানো। এবাৰ আমি গোটাই থোৱা ফুলবোৰ মায়ে খাৰ ৰান্ধি খাবলৈ দিছিল। শেৱালি ফুলত বোলে ঔষধি গুণ থাকে। স্নিগ্ধতা আৰু পৱিত্ৰতাৰ প্ৰতীক এই ফুলখিনি আঞ্জা কৰি ৰন্ধাত মোৰ শৈশৱৰ মনটোৱে সহজভাৱে ল'ব নোৱাৰিলে। সিদিনাৰ পৰা শেৱালি বুটলিবলৈ এৰিয়েই দিছিলোঁ।

শৰৎ অহাৰ লগে লগে পূজাৰ কথায়ো মনত আনন্দ প্ৰদান কৰিছিল। আমাৰ গাঁৱৰ কাষৰতে থকা নেউলডোৱা

গাঁৱত আমি প্ৰতিবোৰেই পূজা চাবলৈ যাওঁ। নতুন কাপোৰ পালেতো কথাই নাই, নাপালেও পুৰণি কাপোৰ পিন্ধিয়েই ফূৰ্তিত পূজা চাবলৈ যাওঁ। যি আনন্দ সাধাৰণতে আমি ঈদৰ সময়তো পাওঁ। দীঘলীয়া বেলুন, পুতলা, বন্দুক তেতিয়া আমাৰ বৰ প্ৰিয় আছিল। এবাৰ তেনে এটা বিজয়া দশমীৰ সন্ধ্যা এগৰাকী মজদুৰ গাভৰুৱে প্ৰাণঢালি ঝুমুৰৰ গীত গোৱা শুনিছিলোঁ— 'এটনা ডাঙৰ পৰৱ গেল, মা-বাপে যাতে না-দিল গ...'। কিয় নাজানো মই শুনা বহুতো কৰুন সুৰৰ ভিতৰত এই ঝুমুৰৰ গীতৰ সুৰটোৱেও মোৰ মনোজগতত আজিও অনুৰণনৰ সৃষ্টি কৰে।

আহিনৰ ধাননি পথাৰবোৰলৈ চাই চাই ভাবিছিলো, অন্য সময়ত নহ'লেও অন্ততঃ আহিনত বতাহৰ ৰং হয় সেউজীয়া। বতাহে কোৱাই যোৱা ধাননী পথাৰৰ সেউজীয়া ঢৌবোৰ চাই তন্ময় হওঁ। মা-খুৰীহঁতে কেতিয়াবা কেতিয়াবা পথাৰৰ ধাননি চাবলৈ যায়। প্ৰথম গৰ্ভধাৰণ কৰা নিজৰ ছোৱালীক পঞ্চামৃত খুৱাবলৈ গৈ মাকে মৰম কৰাৰ দৰে সঁজাল ধৰা ধাননিবোৰত মাঁহতে মৰম কৰে। আহিনৰ ধাননি পথাৰবোৰলৈ চাই চাই ভাবিছিলো, অন্য সময়ত নহ'লেও অন্ততঃ আহিনত বতাহৰ ৰং হয় সেউজীয়া। বতাহে কোৱাই যোৱা ধাননি পথাৰৰ সেউজীয়া ঢৌবোৰ চাই তন্ময় হওঁ।

আহিনৰ পথাৰৰ নিজস্ব এটি গোন্ধ আছে। আকাশেদি উৰি যোৱা বগলী, নৈৰ পাৰৰ কঁহুৱা ফুল, আকাশৰ শুকুলা মেঘ, পথাৰৰ পৰা ভুৰংকৈ উৰা মৰা এজোকাক চৰায়ে আমাৰ মনোজগতত নিশ্চিতভাৱে এক নতুন ভাবাৱেগৰ সৃষ্টি কৰিছিল। নহ'লে কিয় আমাৰ সেউজীয়া পথাৰৰ মাজে মাজে ঘূৰি ফুৰিবলৈ মন গৈছিল? মা- খুৰীহঁতে ভয় খুৱাইছিল— 'পথাৰত টলৌ টলৌকৈ ঘূৰি নুফুৰিবি, সোপাধৰা ওলাব।' মোনাত এখন জাল, মুখ চিলাবলৈ ডাঙৰ বেজী, সূতা অস্ত্ৰৰ লগতে যাদুজনা সেই কাল্পনিক সোপাধৰা চৰিত্ৰটোৱে শৈশৱতে আমাৰ বহুদিন টোপনি হৰণ কৰিছিল। আহিনৰ পৰাই হেনো আৰম্ভ হয় সোপাধৰাৰ চলন-ফুৰন। ধাননিত জোপ লৈ বহি থাকে, চল পালেই লগ ধৰি বস্তাত ভৰাই লৈ যায়।

সময় সলনি হোৱাৰ লগে লগে আহিনৰ ৰং আৰু ৰূপ সলনি হৈছে। খেতিয়কসকলে নানা বৰ্ণসংকৰ ধানৰ খেতি কৰিবলৈ লোৱাৰ পৰা আহিনৰ চিৰসেউজ ৰঙৰ পৰিবৰ্তে চকুত পৰে বহুৰূপী ৰঙহে। আৰু সেই সোপাধৰাবোৰ? নতুন বেশ-ভূষন, নতুন কলা-কৌশলেৰে সিঁহত এতিয়া নিশ্চয় চহৰমুখী হৈছে।○

> "সফলতাৰ কাহিনী নপঢ়িবা কাৰণ তাৰ পৰা অকল কাহিনীটোহে পাবা, ব্যৰ্থতাৰ কাহিনী পঢ়িবা তেনেহ'লে সফল হোৱাৰ উপায় পাবা।"
>
> — এ. পি. জে. আব্দুল কালাম

# সাম্প্ৰতিক শিক্ষা ব্যৱস্থা আৰু শিক্ষকৰ কৰণীয়

— হিমাশ্ৰী কাশ্যপ
বি.এড. দ্বিতীয় বৰ্ষ

শিক্ষা হ'ল মানৱ সমাজৰ প্ৰগতি আৰু উত্তৰণৰ চালিকাশক্তি। সেইবাবে পৃথিৱীৰ প্ৰতিখন কল্যাণকামী দেশেই শিক্ষাক মৌলিক প্ৰয়োজন হিচাপে গ্ৰহণ কৰি আহিছে। প্ৰকৃততে এখন দেশৰ সমৃদ্ধি আৰু জীৱন নিৰ্বাহৰ প্ৰগতি নিৰ্ভৰ কৰে উচ্চ মানসম্পন্ন শিক্ষা ব্যৱস্থাৰ ওপৰত।

সাম্প্ৰতিক কালৰ শিক্ষা ব্যৱস্থা বহুতো সমস্যাজৰ্জৰিত যদিও পূৰ্বতকৈ বহুতো দিশত উন্নত মানদণ্ডৰ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ন-ন উদ্ভাৱন তথা উন্নত আৰু উপযুক্ত শিক্ষাদান পদ্ধতি আৰু কৌশলে শিক্ষা ব্যৱস্থাত শিক্ষা কেৱল মাত্ৰ কোনো বিষয় এটাৰ জ্ঞান প্ৰদানতে সীমাবদ্ধ হোৱাৰ বিপৰীতে বৰ্তমান শিক্ষা ব্যৱস্থাৰ পৰিধি যথেষ্ট বহল হৈ পৰিছে। ছাত্ৰ এজনৰ ব্যক্তিসত্বাৰ সৰ্বাংগীন দিশৰ বিকাশ সাধন কৰি ভৱিষ্যতে এজন সম্পূৰ্ণ ব্যক্তি হিচাপে এজন শিশুক গঢ় দিয়াই সাম্প্ৰতিক শিক্ষাৰ প্ৰধান আৰু মুখ্য উদ্দেশ্য। শিক্ষা হৈছে এক জীৱনজোৰা প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াটোৰ কিছু অংশ শিক্ষানুষ্ঠানৰ সৈতে জড়িত। যিটো শিক্ষা ব্যৱস্থাক আনুষ্ঠানিক শিক্ষা নামেৰে নামাকৰণ কৰা হৈছে।

শিক্ষানুষ্ঠানৰ সময়খিনিত গুৰু আৰু শিষ্যৰ মাজত এক পবিত্ৰ সম্পৰ্কই গঢ় লৈ উঠে। বিশেষকৈ আমি এগৰাকী শিক্ষক প্ৰশিক্ষাৰ্থী হিচাপে শিক্ষক এজনৰ গুণ কেনে হোৱা উচিত তাক বিতংকৈ জনাটো অতিকৈ প্ৰয়োজনীয়। শিক্ষাক অধিক সফল আৰু কাৰ্যকৰী কৰি তুলিবৰ বাবে গুৰু শিষ্যৰ পবিত্ৰ সম্পৰ্ক এটা অতি প্ৰয়োজন। শিক্ষাৰ্থীৰ লগত শিক্ষকৰ সম্পৰ্ক পিতা পুত্ৰৰ সমান। প্ৰয়োজন সাপেক্ষে আৰু সময় অনুসৰি এজন অভিভাৱক, নিৰ্দেশক, বন্ধুৰ দায়িত্ব শিক্ষকে পালন কৰিব লাগে। এজন গুৰুৱেই প্ৰথমে শিক্ষাৰ্থী এগৰাকীক হাতত ধৰি শিক্ষানুষ্ঠানত জ্ঞানৰ বিশাল জগতত প্ৰৱেশ কৰোৱায় আৰু নানা জ্ঞানেৰে তেওঁক চহকী কৰি তোলে। এগৰাকী শিশুৰ শাৰীৰিক, মানসিক, নৈতিক, আধ্যাত্মিক দিশৰ বিকাশ সাধন কৰি তেওঁক জ্ঞানৰ জ্যোতিৰে উজ্বলাই তুলি এজন সৎ চৰিত্ৰবান সুনাগৰিক কৰি গঢ়ি তোলাত শিক্ষকেই আগভাগ লয়। সেইকাৰণে শিক্ষক সদায় শিক্ষাৰ্থীৰ চিৰনমস্য। এক কথাত ক'বলৈ গ'লে শিক্ষকৰ হাততেই যেন সৃষ্টি নাইবা ধ্বংস।

'চেকনিৰ আগত বিদ্যা', উক্ত কথাষাৰ যেন মোৰ ব্যক্তিগতভাৱে খুব অপছন্দৰ। যিটো সময়ত শিক্ষাৰ্থীৰ শাৰীৰিক আৰু মানসিকভাৱে এগৰাকী নিৰ্দেশকৰ প্ৰয়োজন হয়, সেই সময়ছোৱাত চেকনিৰ ব্যৱহাৰে শিক্ষাৰ্থী ব্যক্তিত্বৰ বিকাশত ঋনাত্মক প্ৰভাৱ পেলোৱাটো স্বাবাৱিক। শিক্ষক এগৰাকীৰ প্ৰথম সন্তান হৈছে শিক্ষাৰ্থী, সেয়ে তেওঁলোকৰ প্ৰতিটো দিশত দৃষ্টি ৰাখি পাঠদান কৰাৰ লগতে এগৰাকী বন্ধুৰ দৰে ব্যক্তিগত আৰু সামাজিক দুয়োটা জীৱনৰ খবৰ ৰখাটো খুব দৰকাৰী।

সাম্প্ৰতিক সময়ৰ বস্তুবাদী সমাজে ব্যক্তিক যিদৰে কঠোৰ কৰি তুলিছে, ঠিক একেদৰেই নিসংগ আৰু দুৰ্বল কৰিও তুলিছে। গতিকে শিক্ষক এগৰাকীৰ দায়িত্ব কেৱল শিক্ষাদান কৰাতেই সীমাবদ্ধ নহৈ শিক্ষাৰ্থী এগৰাকীক মানসিকভাৱে স্বাৱলম্বী কৰাটো দায়িত্ব আছে। ঠিক তেনেদৰে শিক্ষাৰ্থীসকলেও শিক্ষকসকলক যথোপযুক্ত সন্মান প্ৰদান কৰিব লাগে যাতে গুৰু-শিষ্যৰ সু-সম্পৰ্কৰ ফলত শিক্ষাদান কাৰ্য অধিক ফলপ্ৰসূ আৰু কাৰ্যকৰী হৈ উঠে।

# ইকিগাই (দীৰ্ঘায়ু আৰু সুখী জীৱন-যাপনৰ জাপানী ৰহস্য)

— ডেভিদ মেধি
বি. এড. দ্বিতীয় বৰ্ষ

আপুনি দীঘলীয়া জীৱন যাপন কৰিব বিচাৰে নেকি? আপুনি সুখী কেনেকৈ হ'ব যদি আপোনাৰ দুয়োটা থাকে তেন্তে কেনে হ'ব? দীঘলীয়া জীৱনৰ ৰহস্য প্ৰকৃততে প্ৰতিদিনে আনন্দ আৰু উদ্দেশ্য বিচাৰি পোৱাৰ পৰাই আহে। আমাৰ বেছিভাগেই এই আদৰ্শবোৰক কেৱল সপোন বুলি ভাবে যিটো কিছু সোভাগ্যবান লোকেহে পোৱটো সম্ভৱ বুলি ধৰা হয়।

"আপুনি যেতিয়া জীৱনৰ প্ৰতিটো মূহুৰ্ত সক্ৰিয়তাৰে অতিবাহিত কৰিব পাৰিব তেতিয়াই আপোনাৰ এশবছৰ জীয়াই থকাৰ ইচ্ছা জাগ্ৰত হ'ব"— উক্ত জাপানী প্ৰবাদটোৰে কোৱাৰ দৰে আজি আমি জাপানৰ জীৱনশৈলীৰ লগত জড়িত এনে এখন কিতাপৰ বিষয়ে আলোচনা কৰিম যিখন কিতাপ পঢ়াৰ পিছত জীৱনৰ প্ৰকৃত উদ্দেশ্য আৰু অৰ্থ সম্পৰ্কে আমাৰ দৃষ্টিভংগী নিজে নিজে সলনি হ'ব। লগতে আপুনি জানিব পাৰিব জীৱন দীৰ্ঘায়ু আৰু সুখী কৰাৰ মূলমন্ত্ৰ। জীৱনত যদি কেতিয়াবা এনে কোনো পৰিস্থিতিৰ মুখামুখি হয় য'ত ঠিয় হৈ আপুনি সিদ্ধান্ত গ্ৰহণ কৰাত ব্যৰ্থ হয় আপোনাৰ জীৱনৰ গতিপথ শুদ্ধ নে ভুল তেতিয়া এই কিতাপখনে আপোনাক যথেষ্ট সহায় কৰিব। কিতাপখনৰ নাম হ'ল 'ইকিগাই' (দীৰ্ঘায়ু আৰু সুখী জীপন-যাপনৰ জাপানী ৰহস্য)। কিতাপখন যৌথভাৱে, 'হেক্টৰ গাৰ্ছিয়া' (Hector Garicia) আৰু 'ফ্ৰাঞ্চিচমিৰালেছ' (Fransese Miralles) নামৰ লেখক দুজনে লিখিছে। কিতাপখনত পাতনি (Prolouge) আৰু উপসংহাৰ (Conclusion) ৰ লগতে মুঠ ৯টা অধ্যায় (Chapter) আছে— ১। ইকিগাই, ২। বয়স বাঢ়িব নিদিয়া ৰহস্য, ৩। লোকথেৰাপিৰ পৰা ইকিগাই, ৪। নিজৰ প্ৰতিটো কামত প্ৰবাহৰ সন্ধান কৰা, ৫। দীৰ্ঘায়ুৰ মাষ্টাৰ্চ, ৬। জাপানত বসবাস কৰা বয়সস্থ লোকৰ পৰা কি শিকিবি, ৭। ইকিগাই খাদ্য-সংস্কৃতি, ৮। লয়বদ্ধ ব্যায়াম, দীৰ্ঘায়ু জীৱন আৰু ৯। দৃঢ়তা আৰু ৱাবি-ছাবি (Wabi-Sabi)।

কিতাপখনৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বে আমি লেখক দুজনৰ বিষয়ে কিছু কথা জানিবলৈ যত্ন কৰো আহঁক। হেক্টৰ গাৰ্ছিয়া হ'ল জাপানৰ নাগৰিক য'ত তেওঁ বহুত দিনৰ পৰাই আছে। তেওঁৰ জন্ম হৈছিল স্পেইনত। তেওঁ এজন প্ৰাক্তন ছফ্টৱেৰ অভিযন্তা। তেওঁ জাপানত অহাৰ আগতে ছুইজাৰলেণ্ডৰ CERN ত কাম কৰিছিল। য'ত তেওঁ 'ভইচ ৰিকগনিশ্বন ছফ্টৱেৰ' (Voice Recognition Software) আৰু 'ছিলিকন ভেলি ষ্টাৰ্ট আপৰ (Sinlicon Valley Startup) বাবে প্ৰয়োজনীয় প্ৰযুক্তিৰ বিকাশ সাধন কৰে; জাপানৰ বজাৰত প্ৰৱেশৰ বাবে তেওঁ জনপ্ৰিয় Krainet.com নামৰ ব্লগৰ প্ৰতিষ্ঠা কৰিছিল। তেওঁ 'AGreek in Japan' নামৰ জনপ্ৰিয় কিতাপখনো ৰচনা কৰে। তেখেতে জাপানৰ সংস্কৃতি আৰু জাপানী লোকৰ প্ৰজ্ঞাই পৃথিৱীৰ অন্য প্ৰান্তৰ লোকক জীৱনত আগবাঢ়ি যোৱাত কেনেকৈ সহায় কৰে সেই বিষয়েও লিখিছে।

ফ্ৰাঞ্চিচ মিৰালেছ হ'ল এজন বঁটা বিজয়ী লেখক। তেওঁ আত্ম সহায় আৰু অনুপ্ৰেৰণামূলক বিভিন্ন জনপ্ৰিয় গ্ৰন্থ ৰচনা কৰিছে। তেওঁৰ জন্ম বাৰ্চিলোনাত ১৯৬৮ চনৰ ২৭ আগষ্টত হৈছিল। তেওঁ সাংবাদিকতা, ইংৰাজী সাহিত্য আৰু জাৰ্মানৰ ওপৰত অধ্যয়ন কৰে। তেওঁ এজন সম্পাদক, অনুবাদক, সুৰকাৰ হিচাপেও কাম কৰে। তেওঁৰ কিছুমান জনপ্ৰিয় উপন্যাস হ'ল — 'Set lag'; 'Love

in lowercase'; 'Perdut a Bombai (Lost in Bombai,2001); 'El somnid' occident (The Dream of the west, 2002)' ইত্যাদি। তেওঁৰ জনপ্ৰিয় উপন্যাস— " Love in Lowercase" বিশ্বৰ ২০ টা ভাষাত অনুবাদ হৈছে।

কিতাপখনৰ আৰম্ভণিতে লেখকে ইকিগাই সম্পৰ্কে আলোচনা কৰিছে। ইকিগাইৰ সাধাৰণ অৰ্থ হ'ল— 'A motivational force, something of someone that gives a person a sense or perpose or a reason for living.' IKIGAI শব্দটো দুটা জাপানী শব্দ 'IKI' আৰু 'GAI' মিলি গঠিত হৈছে। IKI মানে 'জীৱন' আৰু gai মানে, 'ফল', ইকিগাই হ'ল জাপানৰ জনপ্ৰিয় ধাৰণা। যিটো জাপানৰ ওকিৱানা (Okiwana) দ্বীপৰ গাঁও এখনৰ পৰা উদ্ভাৱন হৈছে। ওকিৱানাৰ বিশেষত্ব হ'ল— বিশ্বৰ আটাইতকৈ দীৰ্ঘায়ু লোকসকল ইয়াতেই বাস কৰে। দ্বিতীয় বিশ্বযুদ্ধৰ সময়তো এই গাঁওত আক্ৰমণ হৈছিল আৰু ২০০ ৰো অধিক লোকে প্ৰাণ হেৰুৱাইছিল। তথাপিও কিন্তু ইয়াৰ লোকসকলৰ মাজত প্ৰতিহিংসাৰ জুই জ্বলা নাছিল। ইয়াৰে লোকসকল ইতিবাচক আৰু 'ইচাৰিবোচোড'ৰ ভিত্তিত জীৱন অতিবাহিত কৰিছিল। 'ইচাৰিবোচোড' মানে হ'ল সকলোৰে লগত ভাই-ভনীৰ দৰে মিলি থকা। ওকিৱানাৰ এই দীৰ্ঘায়ু ব্যক্তিসকলক লৈ বিভিন্ন গৱেষকে বিভিন্ন গৱেষণা আৰু অধ্যয়নো কৰে। কেৱল দীৰ্ঘায়ুৱেই নহয় ইয়াৰ লোকসকল স্বাস্থ্যৱান আৰু সুখীও। ইয়াৰে ৮০-১০০ বছৰৰ লোকসকলৰ সুস্থ, সবল আৰু সুখী জীৱনৰ পৰাই উৎপন্ন হয়। 'ইকিগাই' নামৰ জাপানী ধাৰণাটো। কাৰণ তেওঁলোকৰ মতে সুস্থ, সবল, সুখী আৰু দীৰ্ঘায়ু জীৱনৰ ৰহস্যই হ'ল— 'ইকিগাই'। তেওঁলোকৰ মতে, ইকগাই মানে হ'ল — 'জীৱনৰ উদ্দেশ্য'।

কিতাপখনৰ প্ৰথম অধ্যায়ত লেখকে বয়স বৃদ্ধিৰ পাছতো আপুনি কেনেকৈ ডেকাহৈ থাকিব পাৰিব তাৰ ৰহস্য বাখ্যা কৰিছে। এই ৰহস্য উত্তৰ হ'ল— ইকিগাই অৰ্থাৎ জীৱনৰ উদ্দেশ্য। অৰ্থাৎ ইকিগাই ধাৰণাক নিজৰ জীৱনত প্ৰয়োগ কৰি আমি দীৰ্ঘায়ু হৈ থাকিব পাৰো। লেখকৰ মতে কিছুমান মানুহে নিজৰ জীৱনৰ ইকিগাই অতি সহজে লাভ কৰে। আনহাতে, কিছুমানে ইয়াৰ সন্ধানতে নিজৰ সমগ্ৰ জীৱন অতিবাহিত কৰে। ইকিগায়ে কয় জীৱনত যদি আপুনি আপোনাৰ লক্ষ্যত সফল হ'ব বিচাৰে তেন্তে আপোনাৰ চাৰিটা বস্তু দকাৰ হ'ব— ১। সেইবোৰ কাম কৰা যিবোৰত আপুনি পাৰ্গত বা নিপুন; ২। সেইবোৰ কাম কৰা যিবোৰ কাম কৰিলে আপুনি সুখ অনুভৱ কৰে; ৩। এনেকুৱা কাম কৰা যিবোৰ বিশ্বৰ বাবে প্ৰয়োজনীয়; ৪। এনেকুৱা কাম কৰা য'ৰ পৰা আপুনি উপাৰ্জন লাভ কৰিব। এই চাৰিটা ধাৰণাৰ সংমিশ্ৰণতে উৎপন্ন হয় ইকিগাইৰ ধাৰণা। এই ধাৰণা মতে আপুনি যিটো কামত পাৰ্গত আৰু যিটো কাম কৰি ভাল পায় এই দুটা মিলি হ'ল আপোনাৰ অনুৰাগ (passion) । যিটো কামে আপোনাক উপাৰ্জন দিয়ে, সেই দুটা মিলি হ'ল আপোনাৰ জীৱিকা। বিভিন্ন গৱেষণা মতে জাপানৰ ওকিৱানাৰ লোকসকলৰ দীৰ্ঘায়ুৰ ক্ষেত্ৰত ইকিগাইৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। আচলতে ইয়াৰে লোকসকলে যে কেৱল বহু বছৰ জীয়াই থাকে সেয়াই নহয়, ইয়াৰ লগে লগে কেঞ্চাৰ, হৃদৰোগ আদিৰ দৰে দুৰাৰোগ্য ৰোগসমূহ তেওঁলোকৰ শৰীৰত দেখা নাযায়। ইয়াৰ লোকসকলে ইমান শান্তি আৰু সুখেৰে জীৱন কটায় যে আন মানুহে ইয়াৰ চিন্তাও কৰিব নোৱাৰে। বয়স বৃদ্ধিৰ লগে লগে ইয়াৰে লোকসকলৰ তেজৰো কোনো পৰিৱৰ্তন নহয় কাৰণ তেওঁলোকে ৮০% পেট ভৰি খাদ্য খায় আৰু বাকী ২০% চাহেৰে পৰিপূৰ্ণ কৰে।

কিতাপখনৰ দ্বিতীয় অধ্যায়ত লেখকে বয়স বৃদ্ধি নোহোৱাৰ ৰহস্য সম্পৰ্কে আলোচনা কৰিছে। লেখকে বয়স বৃদ্ধিৰ নোহোৱাৰ ৰহস্য আলোচনা কৰি কৈছে যে, যদি এজন ব্যক্তিয়ে নিজৰ মনটোক ডেকা আৰু জাগ্ৰত কৰি ৰাখে তেন্তে তেওঁ কেতিয়াওঁ নিজৰ বয়সক লৈ চিন্তিত নহয়। এই অধ্যায়তে লেখকে অমৰত্ব আৰু শহা-পহুৰ

গল্প এটাও ব্যাখ্যা কৰিছে। আচলতে আমি নিজকে বৃদ্ধ অনুভৱ কৰাৰ প্ৰধান কাৰণ হ'ল - শাৰীৰিক আৰু মানসিক চাপ আৰু সাম্প্ৰতিক সময়ত এই চাপৰ প্ৰধান কাৰণ হ'ল প্ৰতিযোগিতা। "সুস্থ শৰীৰেই সুস্থ মনৰ বাস" গতিকে আপুনি যদি শাৰীৰিক আৰু মানসিকভাৱে সুস্থ থাকিব বিচাৰে তেন্তে কিছুমান অভ্যাসক আপুনি আপোনাৰ জীৱনৰ অংগ হিচাপ গঢ়ি তুলিব লাগিব। সেই অভ্যাসবোৰ হ'ল- দিনত কমেও ২০ মিনিট খোজ কাঢ়ক, লিফ্টৰ সলনি চিৰি ব্যৱহাৰ কৰক, বিভিন্ন সামাজিক কামত অংশ গ্ৰহণ কৰক, জাঙ্ক-ফুডৰ সলনি ফল-মূল খাওক, সঠিক মাত্ৰাত টোপনি মাৰক, দৈনন্দিন জীৱনত নিজৰ কামবোৰ নিজে কৰিবলৈ যত্ন কৰক। লেখকে কৈছে মানুহৰ বা কোনো ব্যক্তিৰ সঠিক বয়স জনাৰ উপায় হ'ল- ব্যক্তিজনৰ ছাল। কাৰণ, আমাৰ শৰীৰত যি পৰিৱৰ্তন হয় তাৰ সম্পূৰ্ণ প্ৰতিফলন হয় আমাৰ ছালত। অৰ্থাৎ, ছাল আমাৰ ভিতৰৰ দাপোন। লেখকে লিখিছে যৌৱন ধৰি ৰখাৰ প্ৰধান উপায় হ'ল টোপনি। কাৰণ আমি যেতিয়া টোপনি যাও তেতিয়া আমাৰ শৰীৰত 'মেলটোনিন' হৰমণৰ সৃষ্টি হয়। যাৰ সহায়ত আমি আমাৰ যৌৱন ধৰি ৰাখিব পাৰো। প্ৰভাৱশালী এণ্টিঅক্সিডেণ্ট পূৰ্ণ মেলটোনিনে আমাক দীৰ্ঘায়ু কৰে। ইয়াৰ আন উপকাৰবোৰ হ'ল- ই আমাৰ শৰীৰৰ ৰোগ প্ৰতিৰোধৰ ক্ষমতা বৃদ্ধি কৰে, কেঞ্চাৰৰ লগত যুদ্ধ কৰে, প্ৰাকৃতিক ইনচুলিন সৃষ্টি কৰে, আলজাইমাৰৰ দৰে ৰোগক বাধা দিয়ে, হৃদ ৰোগৰ লগত যুদ্ধ কৰাত সহায় কৰে। কিন্তু ৩০ বছৰৰ পাছত এই মেলটোনিনৰ উৎপাদনৰ পৰিমাণ কমি যায় । ইয়াৰ পৰা ৰক্ষা পাবলৈ আপুনি সুষম আহাৰ গ্ৰহণ কৰিব লাগিব, শৰীৰত ৰ'দ লাগিব দিব লাগিব দিনত ৮ ৰ পৰা ৯ ঘণ্টা টোপনি মাৰিব লাগিব, নিচাযুক্ত দ্ৰব্যৰ সেৱনৰ পৰা আতৰি থাকিব লাগিব।

তৃতীয় অধ্যায়ত লেখকে দীৰ্ঘায়ুৰ বাবে ইকিগাই থকাটো কিয় প্ৰয়োজনীয়তাক ব্যাখ্যা কৰিছে। ইয়াত লেখকে 'লোক থেৰাপীৰ' কতাও উল্লেখ কৰিছে। যিটোৱে আপোনাক জীৱনৰ এক সঠিক উদ্দেশ্য অন্বেষণত সহায় কৰে। লোকথেৰাপীয়ে মানুহৰ জীৱনৰ উদ্দেশ্য সন্ধানত সহায় কৰে, যাৰ ফলত তেওঁ জীৱনৰ অৰ্থ বিচাৰি পায়। প্ৰতিজন ব্যক্তিয়ে জীৱনত কিছু উদাসীনতা অনুভৱ কৰে আৰু সেই উদাসীনতাক ভৰিব পাৰিব ইকিগাই বিচাৰি। আপুনি যিকোনো ব্যক্তিৰ পৰা শক্তি প্ৰয়োগ কৰি বহু বস্তু কাঢ়ি ল'ব পাৰে কিন্তু ব্যক্তিজনৰ দৃষ্টিভংগীক কিন্তু কেতিয়াও কাঢ়ি নিব নোৱাৰে। উদাহৰণস্বৰূপে ধৰি লওঁক আপুনি এটা গাধক এটা খুটাত বান্ধি থৈছে। ই নিজকে মুকলি কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিব আৰু চেষ্টা কৰি যেতিয়া ভাগৰি পৰিব সি খুটাটোৰ চাৰিওফালে ঘূৰিবলৈ আৰম্ভ কৰিব। সি ভাৱিব ঘূৰি ঘূৰি ই দূৰত গৈ আছে কিন্তু আচলতে সি যিমান ঘূৰি থাকিব সিমান খুটাটোৰ সৈতে জড়িত হৈ পৰিব। মানুহৰ বিচাৰ বা চিন্তাও ঠিক একে যিমান আমি ইয়াৰ পৰা দূৰত যাব বিচাৰো সিমানেই ই আমাৰ ওচৰ চাপি আহে।

চতুৰ্থ অধ্যায়ত লেখকে জীৱন ফ্ল'ৰ শক্তিৰ বিষয়ে আলোচনা কৰি ইয়াত লাভৰ সাতটা উপায় আলোচনা কৰিছে। লেখকে কৈছে আমি সদায় জীৱনত এটা কঠিন লক্ষ্য হাতত ল'ব লাগে, এটা নিৰ্দিষ্ট লক্ষ্য গ্ৰহণ কৰি তাত মনোযোগ দিব লাগে আৰু এটা সময়ত এটা কামত গুৰুত্ব দিব লাগে।

পঞ্চম অধ্যায়ত লেখকে ওকিৱানাৰ দীৰ্ঘায়ু কিছুমান ব্যক্তিৰ পৰা গ্ৰহণ কৰা বিভিন্ন পৰামৰ্শবোৰৰ বিষয়ে আলোচনা কৰিছে। তেনেকুৱা এজনী মহিলা হ'ল - মিছাৱো ওকাৱা (Misao Okawa)। তেওঁৰ বয়স আছিল ১১৭ বছৰলৈকে তেওঁ অকলেই নিজৰ কাম নিজে কৰিয়েই চলিছিল। তেওঁৰ মতে দীৰ্ঘায়ুৰ ৰহস্য হ'ল ঃ ভাল খাদ্য আৰু ভাল টোপনি। ইয়াৰ উপৰিও লেখকে Maria Capovilla (116), Watter Brevming (114), Jeame Calment (112), Alexander Imich (111) নামৰ বয়সস্থ লোকসকলৰ জীৱন শৈলীৰ বিষয়েও উল্লেখ কৰিছে। তেওঁলোকৰ মতে দীৰ্ঘায়ুৰ আটাইতকৈ ডাঙৰ মূলমন্ত্ৰ হ'ল 'কাম'।

ষষ্ঠ অধ্যায়ত লেখকে জাপানৰ দীৰ্ঘায়ু লোকসকলে আমাক কি শিক্ষা দিয়ে তাকে আলোচনা কৰিছে। এই অধ্যায়ত লেখকে ওকিৱানাৰ লোকসকলে দীৰ্ঘায়ু, স্বাস্থ্যকৰ আৰু সুখী জীৱনৰ বাবে দিয়া কিছুমান উপদেশৰ বিষয়েও আলোচনা কৰে। সেই উপদেশবোৰ হ'ল- ১। কেতিয়াওঁ চিন্তিত নহ'ব ; ২। সজ অভ্যাস গঢ়ি তোলক ; ৩। প্ৰতিদিনে বন্ধুত্বক প্ৰতিপালন কৰক ; ৪। জীৱনত খৰধৰ নকৰিব ; ৫। আশাবাদী হওঁক।

সপ্তম অধ্যায়ত লেখকে বিশ্বৰ দীৰ্ঘায়ু লোকসকলে অৰ্থাৎ ওকিৱানাৰ লোকসকলে কি কি খায় তাৰ বিষয়ে আলোচনা কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাই জাপানৰ খাদ্যক বিশ্বৰ দীৰ্ঘায়ু সম্পন্ন খাদ্যৰ সন্মান প্ৰদান কৰিছে। এই সংস্থা মতে জাপানৰ খাদ্যই মানুহক দীৰ্ঘ জীৱন প্ৰদান কৰে। জাপানৰ পুৰুষৰ গড় আয়ু ৮৫ বছৰ আৰু মহিলাৰ ৮৭.৬ বছৰ। ইয়াৰ লোকসকলে ৮০% পেট ভৰি খাদ্য খায়। ওকিৱানাৰ লোকসকলৰ জীৱন শৈলীৰ বাবে ১৬ বিধ খাদ্য পদাৰ্থ অপৰিহাৰ্য অংগ। সেইবোৰ হ'ল - টোফু, মিসো, টুনা, গাজৰ, গোয়া, কোম্বু, বন্ধাকবি, নোৰি, পিয়াজ, চয়াবিন, চয়-অঙ্কুৰ, হেচিমা, মিঠা আলু, জালুক, ছানপিন-চা ইত্যাদি। ইয়াৰে লোকসকলে 'গ্ৰীণ টি' ও খায়।

অষ্টম অধ্যায়ত লেখকে বিভিন্ন ধৰণৰ ব্যায়ামৰ বিষয়ে আলোচনা কৰিছে, যিবোৰে তাৰে লোকসকলক দীৰ্ঘায়ু কৰি গঢ়ি তুলিছে। ইয়াত লেখকে বিভিন্ন ধৰণৰ ব্যায়াম যেনে- ৰেডিঅ' টাইছো, যোগ, টাই-চি, কুইগং আদিৰ পদ্ধতি আৰু উপকাৰিতা সম্পৰ্কেও আলোচনা কৰিছে।

অন্তিম অধ্যায়ত লেখকে দৃঢ়তা আৰু 'ৱাবি-ছাবি'ৰ বিষয়ে আলোচনা কৰিছে। জীৱনৰ যিকোনো পৰিস্থিতিৰ লগত মোকাবিলা কৰিব পৰা শক্তিয়ে হ'ল দৃঢ়তা। আৱেগিক দৃঢ়তাক কেনেকৈ বুদ্ধিইজম আৰু বৈৰাগ্যবাদৰ দ্বাৰা ভাল কৰিব পাৰি সেই সম্পৰ্কেও লেখকে আলোচনা কৰিছে। 'ৱাবি-ছাবি' হ'ল— এটা জাপানী ধাৰণা যিটোৱে আমাক আমাৰ চাৰিওফালে অস্থায়ী, পৰিৱৰ্তনশীল, অসম্পূৰ্ণ সৌন্দৰ্যক দেখুৱাই দিয়ে।

মুঠতে 'ইকিগাই' জাপানীসকলৰ জীৱন-যাপনৰ এনে এটা কলা যিটোৱে তেওঁলোকক এক সুস্থ, সুখী আৰু দীৰ্ঘায়ু জীৱন প্ৰদান কৰে। জাপানৰ মানুহে বিশ্বাস কৰে যে প্ৰত্যেক লোকৰে ভিতৰত ইকিগাই লুকাই থাকে। ইয়েই হ'ল নিতৌ ৰাতিপুৱা শুই উঠি দিনটোৰ বাবে আগবঢ়াৰ কাৰণ। প্ৰেৰণা আৰু প্ৰবোধ যোগোৱা এই গ্ৰন্থই আপোনাক আপোনাৰ ব্যক্তিগত ইকিগাই বিচাৰি উলিওৱাত সহায়ক হোৱাকৈ জীৱনত পৰিৱৰ্তন সাধিব পৰা সম্বল উপলব্ধ কৰাব। ই আপোনাক দেখুৱাব কেনেদৰে অনাৱশ্যক বোজা এৰি থৈ নিজৰ উদ্দেশ্য সিদ্ধি কৰিব পাৰি, নিজকে নিজৰ আকাংক্ষাৰ প্ৰতি কেনেকৈ সমৰ্পিত কৰিব পাৰি। দীৰ্ঘায়ু সুস্থ জীৱন অতিবাহিত কৰিব বিচৰা লোকসকলে এবাৰ হ'লেও কিতাপখন পঢ়িব লাগে। যদি আপুনি কৰা কামটো বিশ্বৰ বাবে প্ৰয়োজনীয় আৰু আপুনি কামটো কৰিও ভাল পায় তেন্তে সেয়া হ'ল আপোনাৰ 'অভিযান'। এই অনুৰাগ (Passion), জীৱিকা (Livelihood), বৃত্তি (Occupation) আৰু অভিযান (Campaign) সংযুক্ত হৈ উৎপন্ন হয় "ইকিগাই"। ○

# অসমৰ বসন্তকালীন উৎসৱ

— বিকাশ দাস
বি. এড. দ্বিতীয় বৰ্ষ

অসম হৈছে বিভিন্ন জাতি-উপজাতিৰ বাসভূমি। অতি প্ৰাচীন কালৰেপৰাই অসমৰ বুকুলৈ বিভিন্ন জনগোষ্ঠীৰ মানুহৰ প্ৰব্ৰজন ঘটিছে। যাৰ ফলস্বৰূপে অসমখন বাৰেৰহণীয়া বৰঅসমলৈ ৰূপান্তৰিত হৈ পৰিছে। উৎসৱ-অনুষ্ঠান হৈছে একোটা জাতিৰ সামাজিক লোকাচাৰ; অৰ্থাৎ পৰম্পৰাগত সমাজৰ লোকসকলে আমোদ-প্ৰমোদৰ উদ্দেশ্যে পালন কৰা আচৰণবোৰকে উৎসৱ-অনুষ্ঠানৰ ভিতৰত সামৰিব পাৰি। বৰঅসমৰ সমাজ জীৱনতো বিভিন্ন ধৰণৰ উৎসৱ-অনুষ্ঠান পালন কৰা দেখা যায়। বিভিন্ন ঋতু অনুসৰি ভিন্ন উৎসৱ-অনুষ্ঠান পালন কৰা হয়; তাৰ ভিতৰত অন্যতম বসন্তকালীন উৎসৱ। বসন্ত ঋতুৰ আগমনত প্ৰকৃতিৰ গছ-লতাই ন-কুঁহিপাতেৰে জীপাল হৈ সমাজলৈ, মানুহলৈ এক নতুন উদ্যম, উৎসাহ, আনন্দ কঢ়িয়াই আনে আৰু এই সময়ছোৱাত অসমত বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত ভিন্ন উৎসৱ পালন কৰা পৰিলক্ষিত হয়। তলত ইয়াৰ আলোচনা কৰা হ'ল।

**বিহু ঃ** অসমৰ জাতীয় উৎসৱ হৈছে বিহু। বসন্তৰ পৰশত প্ৰাণ পাই উঠা প্ৰকৃতিয়ে জীপাল গৈ বহাগৰ বিহুক আদৰণি জনায়। প্ৰকৃতিৰ এই নতুন উন্মাদনাত অসমীয়া ডেকা-গাভৰুৰ মন আনন্দত মতলীয়া হৈ পৰে। কিয়নো বহাগ বিহু মানেই যেন ৰঙালীৰ ৰঙীণ উলহ-উন্মাদনা। অসমৰ এই জাতীয় উৎসৱ চ'ত আৰু বহাগ মাহৰ সংক্ৰান্তিত অৰ্থাৎ সাত বিহু আৰু সমূহিকভাৱে গোটেই বহাগ মাহটোৱে ৰং-ৰহইচৰে গীত-মাত গাই নাচি-বাগি আনন্দৰে উপভোগ কৰে। বিহু অসমীয়া লোক-জীৱনৰ কৃষি-কৰ্মৰ লগতো জড়িত; ইয়াৰ লগত নানান লোক-বিশ্বাস আৰু ৰীতি-নীতিয়ে বিৰাজ কৰি আহিছে।

**বায়খো ঃ** অসমৰ ভিন্ন জনগোষ্ঠীৰ ভিতৰত ৰাভাসকল অন্যতম। ৰাভাসকলে বছৰৰ ভিন্ন সময়ত নিজস্ব ৰীতি-নীতিৰে বিভিন্ন উৎসৱ-পাৰ্বণ পালন কৰা দেখিবলৈ পাওঁ। ৰাভাসকলৰ এক প্ৰধান বসন্তকালীন উৎসৱ হৈছে বায়খো উৎসৱ। বায়খো ৰাভাসকলৰ জাতীয় উৎসৱ। বায়খো দেৱতাক পূজা-অৰ্চনাৰ জৰিয়তে নতুন বছৰটোক আদৰণি জনোৱা আৰু প্ৰকৃতিৰ উৰ্বৰা শক্তি বৃদ্ধিৰ বাবে এই উৎসৱৰ আয়োজন কৰা হয়। বায়খো উৎসৱত ৰাভা ডেকা-গাভৰুৱে ছাথাৰ গীত গায়। এই ছাথাৰ গীতবোৰ অসমীয়া বিহুগীতৰ সৈতে প্ৰায় মিল থকা। বায়খোৰ অৰ্থ হৈছে— 'ধাই' মানে 'দেৱতা' আৰু 'খু' মানে দিয়া অৰ্থাৎ দেৱতাই দিয়া ৰং-ধেমালি।

**বৈশাগু ঃ** বড়ো জনগোষ্ঠীৰ প্ৰধান উৎসৱ হৈছে বৈশাগু উৎসৱ। চ'ত মাহৰ সংক্ৰান্তিৰ পৰা আৰম্ভ কৰি সাতদিন এই উৎসৱ পালন কৰে। চ'ত মাহৰ সংক্ৰান্তিৰ দিনা গৰুক গা ধুৱাই পৰম্পৰাগত নিয়ম-নীতিৰে বৈশাগু উৎসৱৰ আৰম্ভণি কৰে। ইয়াৰে 'বৈচা' শব্দই নতুন বছৰ আৰু 'আগে' বা 'আগু' শব্দই আৰম্ভণি বুজায়। বহাগ বিহুৰ সৈতে বৈশাগু উৎসৱৰো মিল পৰিলক্ষিত হয়। বৈশাগু উৎসৱৰ সাতদিন বড়োসকলে কোনো ধৰণৰ শস্য বেচা-কিনা নকৰে। বৈশাগুৰ সপ্তম দিনটোত বড়ো লোকসকলে আত্মীয় আৰু বন্ধুবৰ্গৰ সৈতে মিলিত হয় আৰু সকলোৱে আনন্দত বিভোৰ হৈ ডেকা-গাভৰুৱে সমূহীয়াকৈ নৃত্য-

গীত কৰে। ইয়াত ডেকাসকলে চিফুং (বাঁহী), খাম (ঢোল, থোৰকা (টকা) বজায় আৰু গাভৰুসকলে নাচে। বৈশাগু উৎসৱত বড়ো গাভৰুসকলে নাচিলেহে পৃথিৱী শস্য-শ্যামলা হয় বুলি বিশ্বাস কৰা হয়।

**আলি-আই-লৃগাং ঃ** অসমৰ মিচিং জনগোষ্ঠী এক কৃষিভিত্তিক বসন্তকালীন উৎসৱ হৈছে আলি-আই-লৃগাং। আলি-আই-লৃংগা মিচিসকলৰ এক বৰ্ণাঢ্য উৎসৱ। এই উৎসৱৰ জৰিয়তে মিচিংসকলে সৰ্বপ্ৰথম বসন্তক আদৰণি জনায়। এই উৎসৱ প্ৰতি বছৰে ফাগুন মাহৰ প্ৰথমটো বুধবাৰে অতি উলহ-মালহেৰে পালন কৰা হয়। এই উৎসৱক শস্য বা কঠীয়া সিঁচাৰ আৰম্ভণি উৎসৱ বুলিও কোৱা হয়। আলি-আই-লৃগাঙৰ অৰ্থ গৈছে 'আলি' মানে শস্যৰ বীজ, 'আই' মানে গছৰ গুটি বা ফল, 'লৃগাং' মানে সিঁচিবলৈ আৰম্ভ কৰা দিন বা সময়। এই উৎসৱৰ দিনা প্ৰত্যেক গৃহস্থই নিজ নিজ পথাৰত মেগেলা গছৰ ডাল গুজি শস্যৰ বীজ সিঁচে। ইয়াৰ লগত এই উৎসৱত মিচিংসকলে শস্য সিঁচাৰ লগতে ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৱে সমূহীয়াকৈ ভোজ-ভাত খাই নানান নৃত্য-গীত কৰে। মিচিংসকলে ভাবে যে, দেৱতাক নাচ-গানেৰে সন্তুষ্ট নকৰিলে পৃথিৱীত বৰষুণ নহ'ব, তেতিয়া শস্যৰ উৎপাদন নহ'ব। সেয়ে তেওঁলোকে নৃত্য-গীতৰ মাজেৰে লখিমীক সন্মান প্ৰদৰ্শন কৰে। এই উৎসৱত কৰা নাচক 'গুমৰাগ্ পাক্‌ড' আৰু 'নিঃতম' (গীত)বোৰক 'বঃৰগ্ নিঃতম' বোলে।

**ছ'গ্ৰা মিছাৱা ঃ** ছ'গ্ৰা মিছাৱা হৈছে তিৱা জনগোষ্ঠীৰ প্ৰধান বসন্ত উৎসৱ। এই উৎসৱ মূলতঃ কৃষিভিত্তিক উৎসৱ। এই উৎসৱৰ মূল বিশেষত্ব হৈছে যৌনগন্ধিতা আৰু জীৱৰ প্ৰতি উৎসৱ কালত প্ৰদৰ্শন কৰা অহিংসা। ছ'গ্ৰা মিছাৱাৰ অৰ্থ হৈছে 'ছ'গ্ৰা' মানে সকলোৱে একেলগে আৰু 'মিছাৱা' মানে নাচা। অৰ্থাৎ পথাৰৰ খেতি চপোৱাৰ পৰিশ্ৰম, অৱসাদ আঁতৰাই নতুন সজীৱতা আৰু উদ্দীপনা যোগাই তোলাৰ ই হ'ল নৃত্য-গীতেৰে পৰিপূৰ্ণ বসন্তোৎসৱ। ছ'গ্ৰা মিছাৱা উৎসৱ সপ্তাহৰ বুধবাৰৰপৰা আৰম্ভ কৰি তিনি দিন, তিনি ৰাতি সম্পূৰ্ণ চৌৰাশী ঘণ্টা উদ্‌যাপন কৰা হয়। তিৱাসকলে বুধবাৰটো পৱিত্ৰ দিন হিচাপে মানি লোৱা দেখা যায়। সাধাৰণভাৱে ক'বলৈ হ'লে, শস্য উৎপাদনেৰে পৰিশ্ৰমৰ ফল লাভ কৰাৰ আনন্দই এই ছ'গ্ৰা মিছাৱা উৎসৱ উদ্‌যাপনৰ মূল কথা।

এনেদৰে ফাগুনৰ এটি বুধবাৰে আয়োজন কৰা নৃত্য-গীতেৰে মুখৰিত এই উৎসৱ সোমবাৰৰ দিনাখন শেষ হয়। পথাৰত কঠোৰ পৰিশ্ৰমেৰে খেতি কৰি শেষ সময়ছোৱাত নৃত্য-গীত কৰি দেৱতাৰপৰা আশিস গ্ৰহণ কৰি, কৃষিকৰ্মৰপৰা বিৰত থাকি সেই সময়ছোৱাৰ কাৰণে নৃত্য-গীতেৰে দেৱতাৰ ওচৰত নিজৰ খেতিৰ সঁজুলি আদি অৰ্পণ কৰে। গতিকে তিৱাসকলে এই উৎসৱত নিজস্ব বিশ্বাস, পৰম্পৰা অনুসৰি নিজস্ব উপাস্য দেৱতাক পূজা-অৰ্চনা কৰি চমকপ্ৰদ নৃত্য প্ৰদৰ্শন কৰা পৰিলক্ষিত হয়।

**দ'মাহী পে ঃ** ভৈয়ামৰ কাৰ্বি জনগোষ্ঠীৰ মাজত প্ৰচলিত বসন্তকালীন উৎসৱ হৈছে দ'মাহী পে। চ'তৰ সংক্ৰান্তিৰ দিনা কৃষিকাৰ্যৰ ঘাই আহিলা গৰুৰ গাত মাহ-হালধি আদি সানি দ'মাহী পে উৎসৱৰ আৰম্ভণি কৰে। দ'মাহী পে শব্দৰ অৰ্থ হৈছে 'দম' মানে হালি-জালি, 'হী' মানে ইফালে-সিফালে, 'পে' মানে ডাৰ বা বৰ অৰ্থাৎ ইফালে-সিফালে হালি-জালি নচা ডাঙৰ বিহু। দ'মাহী উৎসৱটো কাৰ্বিসকলে বৰ বিহু হিচাপে পালন কৰা দেখা যায়। তেওঁলোকে অজনজাতীয় লোকৰ দৰে গৰু বিহু পালন কৰে। দ'মাহী পেৰ এটা উল্লেখযোগ্য লোকাচাৰ হ'ল শাক বিতৰণ কাৰ্য। এই সময়ছোৱাত কাৰ্বি গাভৰুসকলে শাক তুলি প্ৰথমে দেৱতাক অৰ্পণ কৰে, পিচত সকলোৱে ঘৰে ঘৰে বিতৰণ কৰে। ইয়াৰ উপৰিও এই উৎসৱত তেওঁলোকে খেতি-বাতিত ব্যৱহৃত সঁজুলিসমূহ পানীৰে ধুই পৰিষ্কাৰ কৰি ঘৰৰ চোতালত বিশেষকৈ পূবফালে ৰাখি শুচি কৰি লয়। তেনে কৰিলে খেতিৰ সঁজুলিবোৰ বেয়া নহয় বুলি বিশ্বাস কৰে। এনেদৰে ভৈয়ামৰ কাৰ্বি লোকসকলে পৰম্পৰাগত ৰীতি-নীতি, গীত-মাতেৰে দ'মাহী পে উৎসৱ পালন কৰে।

The transportation sector is witnessing a paradigm shift with the emergence of AI-powered autonomous vehicles. These vehicles rely on complex AI algorithms for navigation, hazard detection, and decision-making, promising safer and more efficient travel. AI also plays a role in optimizing

traffic management systems, reducing congestion, and improving overall transportation logistics.

4. AI in Finance :

In the finance industry, AI algorithms are used for fraud detection, risk assessment, algorithmic trading and personalized financial advisory services. These algorithms analyze vast datasets in real-time, identifying suspicious patterns and anomalies to prevent fraudulent activities. AI-powered robo-advisors offer tailored investment strategies based on individual preferences and risk profiles.

5. AI in Entertainment and Media :

AI algorithms are integral to the entertainment industry, powering content recommendation systems on streaming platforms, music services and gaming. These systems leverage user preferences and behaviors to deliver personalized content, enhancing user experiences and engagement. AI-driven technologies like deepfakes also raise ethical concerns in media manipulation.

6. AI in Education :

Education is being transformed by AI-powered adaptive learning platforms that tailor educational content to individual learning styles and abilities. Machine learning algorithms analyze student performance data, enabling educators to provide personalized interventions and optimize teaching methodologies. AI-based educational tools enhance accessibility to learning resources and support remote learning initiatives.

7. AI in Cybersecurity :

The proliferation of cyber threats has led to the integration of AI in cybersecurity measures. AI algorithms analyze network behaviour and patterns to detect anomalies and potential security breaches in real-time. Automated response systems mitigate threats and enhance overall cybersecurity posture by adapting to evolving risks.

Conclusion :

Artificial intelligence has become deeply embedded in everyday human life, revolutionizing various sectors and significantly impacting individual experiences. Its continued development and responsible integration are crucial to harness its potential benefits while addressing ethical concerns and ensuring a more inclusive and equitable future for society.

The seamless integration of AI into daily life underscores its transformative potential and the need for ongoing discussions, regulations and ethical frameworks to maximize its benefits while minimizing potential risks.○

# A path to success for struggling students

— Manisha Dutta Lahkar
B.Ed. 2nd year



**The power of restart :**

Education is a journey filled with challenges, triumphs and moments of self-discovery. However, for some students, the road is paved with setbacks and failures, leading to frustration and a sense of hopelessness. In these instances, the concept of a 'restart' emerges as a powerful tool for rejuvenation and success. This writeup explores the significance of restarting for students facing academic challenges, emphasizing its potential to transform failures into opportunities for growth and achievement.

Before going into the idea of a restart, it is crucial to acknowledge the impact of failure on students. failure is not an endpoint but a part of the learning process. However, when students consistently struggle, it can erode their confidence, dampen motivation, and create a negative perception of education. Recognizing failure is the first step towards understanding the need for intervention and a fresh start. The concept of a restart for failing students is a kin to pressing the reset button on a computer - a chance to begin a new. This approach recognizes that each student is unique, with distinct learning styles, challenges and strengths. A restart allows educators to reassess teaching methods, identify individual learning needs and tailor strategies to address specific issues. One of the key benefits of a restart is the opportunity to identify and cater to diverse learning styles. Not every student thrives in a traditional classroom setting. Some may excel through visual learning,

while others grasp concepts better through hands-on activities. A restart allows educators to explore alternative teaching methods, fostering an inclusive environment where each student has the chance to thrive. In the restart process, individualized support empowers students to overcome obstacles. A successful restart is not solely reliant on academic adjustments. Creating a supportive environment within the school community is equally crucial. Encouraging peer collaboration, promoting a growth mindset, and fostering open communication contribute to a culture where students feel safe to ask for help and embrace the idea of restarting as a positive step towards success. Mentorship plays a pivotal role in the restart process. Assigining mentors to struggling students provides guidance, encouragement and a sense of accountability. Mentors can share personal stories of overcoming challenges, instilling hope and inspiring students to persevrance through difficulties. The mentor-student relationship becomes a source of motivation and guidance, reinforcing the belief that a restart is an opportunity for positive mindset.

Central to the concept of restarting is the cultivation of a growth mindset. Embracing the idea that intelligence and abilities can be developed through dedication and hard work empowers students to view challenges as opportunities for growth rather than insurmountable obstacles. This shift in mindset fosters resilience, preseverance and a willingness to take on new challenges.

In conclusion the concept of a restart for failing students is a beacon of hope in the realm of education. It signifies a commitment to recognizing the unique needs of each learner, providing individualized support and fostering an environment where failure is not a roadblock but a stepping stone to success. By embracing the power of restarts, educators and students a like can unlock untapped potential, transforming setbacks into opportunities for growth, achievement and a brighter educational journey. ❍

# Biotechnology in Agricultural field

— Bonoshree Dutta
B.Ed. 2nd year

Biotechnology is a broad field that involves the use of biological system, organisms, or derivatives to develop or create new product or processes for various applications. It merges biology, chemistry, genetics, and other scientific disciplines to harness living organisms and their components for practical purposes. Biotechnology has diverse applications in medicine, agriculture, industry and envirommental management. Biotechnology is any technique that uses living agricultural based country. Majority of the population earns their livelihood by agriculture. The hybridization can be used to produce the new seed variety with maximum productivity. Biotechnology can be applied to all genus of organisms from viruses and bacteria to plants and all animals and it's becoming a major feature of modern medicine, agriculture and industry. Modern agricultural biotechnology includes range of tools that use science to understand and manipulate the genetic make-up of organisms for use in the production or processing of agricultural products.

Agricultural biotechnology is the branch of biotechnology that involves the exertion of scientific techniques, without any question, has profoundly improved important heritable characters, however, there are certain restrictions to these techniques like it may take a very long time to introduce, select and establish a trait into cultivar. With the increasing population, traditional agriculture is not sufficient to meet the demands of food worldwide, thus the continuous increase in agriculture productivity depends on effective unification of biotechnology with classical breeding to create an "Evergreen Revolution".

Biotechnology in agriculture involves using biological systems, organisms, or derivatives to enhance crop production, improve quality, resistance to pests and address agriculturel challenges. Genetically modified (GM) crops, developed through biotechnology contributes to sustainable

farming practies and addressing global food security challenges. Science significantly influences agriculture through various disciplines. Agronomy (a branch of agriculture dealing with field-crop production and soil management) utilizes scientific principles to optimize crop with desired traits, enhancing yield and resilience. Biotechnology plays a crucial role in agriculture with various applications such as genetic engineering, crop improvement, disease and pest resistance, biological nitrogen fixation, drought and salinity tolerance, precision agriculture, biofortification and development of bio-pesticides and biofertilizers. These applications collectively contribute to sustainable agriculture by addressing challenges related to food security, environmental impact and resource efficiency.

Agriculture biotechnology is potentially the most powerful and beneficial for mankind. Modern biotechnology represents distinctive applications of science that can be used for the betterment of society through development of crops with improved nutritional quality. Additionally, biotech methods can create genetically modified crops, biofertilizers and biopesticides, offering sustainable solutions to enhance food security and reduce environmental impact. Overall, the integration of scientific advancements in agriculture promotes efficiency, sustainability and resilience in the face of challenges.○

# EDUCATION TILL SENESCENCE

— Sushmita Das
B.Ed. 2nd year

A child is a plantlet taken care by their parents. They tend to shape them into an acceptable human being. Education starts from the day we are born as education is to learn something you didn't know before. From the very first day, we come to know our mother. She helps us to get familiar with the surrounding, teacher us every possible good thing in life. Childhood passes playing and understanding what actually things are and its purpose in our lives, educating us to learn what is good and what is not. We hit adolescence, educating ourselves with various activities and utilize the richness of one's creative capacities in every stairs. In this fast changing world where destinations are really heard to map we head towards adulthood and find out that things don't work the way we think they will so educating our mind, learning to think, treating others well, respecting everyone, learning values and morals are way much important. And gradually we meet the end accompanied by what we acquired throughout our life i.e. education.

which includes all the experiences of life, which makes you what you are today and will be the next day? Education is not a preparation for future life but life itself. Education preserves the know ledge we have gained and passes from the womb to the tomb. ○

# বেকডেটেড

— ভূপালী কলিতা
সহকাৰী অধ্যাপিকা
পৰিৱেশ্য কলা বিভাগ

ঃ তহঁত শিক্ষিত হৈছ ঠিকেই, সেইবুলি পঢ়া টেবুলখনত এখিলা উকা কাগজ আৰু লিখিবলৈ বুলি এটা কলম বিচাৰি কিয় হাবাথুৰি খাবলগীয়া হয়? এয়াই নেকি তোৰ পঢ়া-শুনা কৰাৰ স্বৰূপ?

বজাৰলৈ গ'লে এখন সৰু শ্লিপত যাৱতীয় সামগ্ৰীৰ তালিকা লিখি লৈ যোৱাটো বৰুৱাৰ অভ্যাস। সেয়েহে জীয়েকৰ টেবুলত কাগজ-কলম বিচাৰি পাম বুলি আশা কৰি খুচৰি চালে; কিন্তু কোনোবিধেই নাপালে। জীয়েকৰ ম'বাইলৰ প্ৰতি গঢ় লৈ উঠা আসক্তিটো বৰুৱাই মনে-প্ৰাণে ভাল পোৱা নাছিল। সেয়েহে তাই ওপৰত ক্ষোভখিনি উজাৰিবলৈ আজি যেন এটা ভাল সুযোগহে বিচাৰি পালে।

জীয়েকক কটুকৈ শুনোৱা কথাখিনিয়ে বৰুৱানীকো হুলে বিন্ধা দি বিন্ধিলে। সেয়েহে গৃহস্থক এটা খোঁচ নমৰাকৈ নাথাকিল—

ঃ সামান্য বস্তুটো বিচাৰি নেপাই তাইক কিয়নো ইমান বেয়াকৈ ক'ব লাগে? ভালকৈ সুধিলেনো কি হ'লহেঁতেন? কিবা দুষ্প্ৰাপ্য বস্তু নেকি যে ঘৰখনত বিচাৰিয়েই নাপাব। তাই পৰীক্ষা দি উঠিছেহে মাথোন। গতিকে কলমটো টেবুলৰ ওপৰত নাথাকিবও পাৰে!

পঢ়া-শুনা কৰা ল'ৰা-ছোৱালীৰ টেবুলত কাগজ-কলম এইবোৰ বস্তু অৱশ্যেই থাকিব লাগে; বৰুৱাই কথাটো তেনেকৈহে ভাবে। কিন্তু আজিকালিৰ ল'ৰা-ছোৱালীয়ে দেখোন মোবাইল ফোনটো লৈয়েই পঢ়া-শুনা কামখিনি সমাধা কৰিব খোজে! বৰুৱাই লক্ষ্য কৰিছে যে, একমাত্ৰ জীয়েক মাধুৰিমাও ইয়াৰ ব্যতিক্ৰম নহয়। মাথোন এসপ্তাহ আগেয়ে তাই কলা বিভাগত ডিগ্ৰী পৰীক্ষাৰ শেষৰটো চেমিষ্টাৰৰ পৰীক্ষা দি সাং কৰিলে। অথচ তাইৰ পঢ়া টেবুলত গণিব পৰাকৈ মাথোন দুই-চাৰিখন কিতাপহে আছে। টোকা লিখিবলৈ পৰ্যাপ্ত টোকাবহীও টেবুলৰ ওপৰত নাই। পৰীক্ষা চলি থকা সময়ছোৱাটো তাই কিতাপৰ সলনি মাথোন মোবাইলটো চাইহে পঢ়া টেবুলত বহি থকা দেখি বৰুৱা আচৰিতেই হৈছিল। পঢ়িবলগীয়া কিতাপবোৰ মোবাইলটোত কেনেকৈ সোমাল বুলি সোধাত তাই উত্তৰ দিছিল—

ঃ তুমি সেইবোৰ একো নাজানা। গতিকে চুপ থাকা। আমাক ছাৰহঁতে আজিকালি নোটবোৰ পি.ডি.এফ ফাইলত গ্ৰুপত দি দিয়ে। সেইবোৰ চালেই আমাৰ কাম হৈ যায়।

ঃ বাহঃ, কি সহজ বুদ্ধি! সেইবাবে তহঁতৰ পঢ়া টেবুলত আজিকালি কিতাপ-পত্ৰ নথাকে। চৰকাৰে স্কুল-কলেজত নাম লিখালেই একোটাকৈ মোবাইল ফোন যোগাৰ কৰি দিলেইচোন লেঠাই শেষ হয়।

পৰীক্ষাৰ প্ৰস্তুতিত বাধা হ'ব বুলি মনতে ভাবি ল'লে। বৰুৱাৰ উত্তৰটো এনেকুৱাই হ'ব বুলি মনতে ভাবি ল'লে। বৰুৱাৰ নিজৰ ছাত্ৰকাললৈ মনত পৰিল। কলেজত পঢ়ি থাকোঁতে পৰিয়ালৰ আৰ্থিক অনাটনৰ সত্ত্বেও নিজে কিমান যে নতুন নতুন কিতাপ কিনিছিল! কিছুমান কলেজৰ লাইব্ৰেৰীৰ পৰাও আনি পঢ়া তেওঁৰ মনত আছে। আনকি

টেবুলত থকা কিতাপৰ দমবোৰ কেতিয়াবা ওখ হৈ খহিও পৰিছিল।

বৰুৱাই লক্ষ্য কৰিছে যে, ঘৰখনত আজিকালি বাতৰি কাকতখন পঢ়িবলৈকো আনকি মানুহৰ অভাৱ হৈছে। পুৱা ছয় বজাতেই হকাৰে বাৰান্দাত দলিয়াই দি থৈ যোৱা কাকতখন বৰুৱাক বাদে আন কোনেও উঠাই নানে। তেওঁ নপঢ়িলে সেইখনত আন কোনোৱেই আদৰ নকৰে। আগেয়ে বৰুৱানীয়ে পঢ়িছিল যদিও আজিকালি চকু ফুৰাই চাবলৈও সমূলি বাদ দিছে, বিশেষকৈ তেওঁৰ হাতত এণ্ড্ৰইড ফোনটো পৰাৰ পাছৰেপৰা। অকল বাতৰি কাকতেই নহয়, মাহেকীয়া জনপ্ৰিয় আলোচনীখনো বৰুৱাই নপঢ়িলে আন কোনেও পঢ়োঁতা মানুহ ঘৰখনত নোহোৱা হ'ল।

জিলা উপায়ুক্ত কাৰ্যালয়ৰপৰা মাথোন দুমাহ আগেয়ে অৱসৰ লৈ বৰুৱাই ঘৰখনত সময়বোৰ কটাবলৈ এতিয়াও যেন অভ্যস্ত হৈ উঠা নাই। তেওঁৰ সুদীৰ্ঘ চাকৰিকালত অন্য সহকৰ্মীৰ দৰে নিজেও এটা দামী ম'বাইল ফোন ল'ব পাৰিলেহেঁতেন; কিন্তু বিশেষ প্ৰয়োজন অনুভৱ নকৰিলেও বেছিভাগ সময় পকেটত ভৰাই লৈ ফুৰা সৰু কীপেড ফোনটোৰেই কাম চলালে। অথচ তেওঁ নিজেই প্ৰথমে জীয়েকক আৰু পাছলৈ পত্নীকো দামী ম'বাইল ফোন কিনি দিছিল। পাছলৈ জীয়েকৰ ম'বাইল ফোনৰ প্ৰতি তীব্ৰ আসক্তি গঢ় লৈ উঠা লক্ষ্য কৰিলেও বৰুৱাই পোনপটীয়াকৈ একো কোৱা নাছিল। কিয়নো, তাই এতিয়া সৰু ছোৱালীজনী হৈ থকা নাই। তথাপিতো তাইৰ এইবোৰ অভ্যাসে বৰুৱাক বিতুষ্ট কৰি তুলিছিল। কিতাপ, আলোচনী বা বাতৰি কাকত এইবোৰ পঢ়াৰ প্ৰতি তাই মুঠেই মনোনিৱেশ নকৰে। তাৰ সলনি মাথোন মোবাইল ফোনটো লৈহে অনবৰত ব্যস্ত হৈ থাকিব খোজে। ৰেডিঅ'ৰ আঞ্চলিক বাতৰি আৰম্ভ হোৱাৰ লগে লগেই তেওঁ স্কুললৈ সাজু হৈ ঘৰৰপৰা ওলাই গৈছিল। অথচ আজিকালি ল'ৰা-ছোৱালীৰ সেইবোৰ শুনাৰ প্ৰতি অকণো আগ্ৰহ নাই।

এদিন বৰুৱাই মাধুৰিমাক বাতৰি কাকতখন পঢ়াৰ কথা কওঁতে তাই উত্তৰ দিছিল এনেদৰে—

ঃ বাতৰি কাকতত অহা খবৰবোৰ চোন আমি চোচিয়েল মিডিয়াত আগতীয়াকৈ গম পায়েই যাওঁ। গতিকে তাত নতুনকৈ পঢ়িবলৈনো কি বিশেষ বস্তু আছে?

তাই হয়তো ঠিকেই কৈছে। বাতৰি কাকত বা আলোচনীৰ প্ৰতিটো কথা আজিকালি চ'চিয়েল মিডিয়াত আগতীয়াকৈ উপলব্ধ হয়। আজিকালি সৰুকৈ ক'ৰবাত ভূমিকম্প দিলেও কঁপনি অনুভৱ কৰক বা নকৰক, খবৰটো সকলোৱেই চেকেণ্ডতে গম পায়। বৰুৱাৰ দৰে এণ্ড্ৰইড ফোন নথকাসকলেও সহজে ভু নাপায়। গতিকে বাতৰি কাকতৰ বাহী খবৰবোৰ পঢ়িনো কি লাভ হ'ব? বৰুৱাই বুজি পাইছে— জীয়েকে পাকে-প্ৰকাৰে খবৰ কাকত বা আলোচনী পঢ়া দেউতাকৰ দৰে মানুহবোৰক বেকডেটেড বুলিহে ক'বলৈ বিচাৰিছে। বৰুৱাই প্ৰকাশ্যে পত্নীৰ মুখতো একেখিনি কথাৰেই ভু বহু আগতেই পাই গৈছে।

নিজ ঘৰখনতেই যেন তেওঁ যুগৰ পৰিৱৰ্তনবোৰ ভালকৈ অনুভৱ কৰিছে যে আধুনিকতাৰ গ্ৰাসত মোবাইল ফোনটোতেই গোটেই সংসাৰখন সোমাই পৰিছে। লগে লগে নষ্ট হৈছে মনুহৰ সামাজিক সম্পৰ্কবোৰো। তথাপিও বৰুৱা আজিও দৃঢ়মনা। এনে পৰিৱৰ্তন বা আধুনিকতাক তেওঁ লাগ বুলিলেই আদৰি ল'ব নোৱাৰে। সৰুৰেপৰা যিদৰে ডাঙৰ-দীঘল হৈছে, ঠিক তেনেদৰেই আগন্তুক দিনবোৰো পাৰ কৰিব। মানুহে তেওঁক বেকডেটেড বুলিলেও বোলক, আপত্তি নাই। ○

# যাজ্ঞসেনী

— লিজা আহমেদ
বি. এড. প্ৰথম বৰ্ষ

সৌৰা সন্মুখত নীৰৱে শুই আছে অম্লান। চিনাকি-অচিনাকি মানুহেৰে চোতাল ভৰি পৰিছে। নন্দিনীয়ে একমাত্ৰ ককায়েকৰ নিথৰ দেহটো সাৱটি কান্দি কান্দি এসময়ত অৱশ হৈ ঢলি পৰিছে। সহিব পৰা নাই মই, অথচ কান্দিবও পৰা নাই। বুকুৰ মাজৰ শূণ্যতাই ক্ৰমশঃ এফালৰ পৰা গিলি আনিছে মোক। বগা সাজত প্ৰস্তৰ মূৰ্তিৰ দৰে একোণত বহি ৰৈছো মই। শিৰৰ সেন্দুৰকণ মচি দিওঁতে মোক গবা মাৰি ধৰি কন্দা নন্দিনীৰ হিয়াভগা কান্দোনেও মোক টলাব নোৱাৰিলে। গোটেই সময়খিনি নিয়তিৰ অট্টহাস্যক জড়তাৰে সামৰি নিঃশব্দে বহি ৰ'লো মই। সৎকাৰৰ সকলো নীতি-



নিয়ম শেষ হোৱাৰ পিছত কোনোবাই মোক মোৰ কোঠালৈ ধৰি লৈ গ'ল। লাহে লাহে মানুহৰ সংখ্যা কমি আহিল। নিকটাত্মীয় দুই-এগৰাকীৰ বাদে প্ৰায় সকলোখিনি মানুহেই ঘৰাঘৰি গ'ল। চাৰিওফালৰ পৰা চেপি অনা শূণ্যতাই এইবাৰ মোৰ মনৰ কোলাহলখিনিক বাধা দি ৰাখিব নোৱাৰিলে। অম্লানৰ সৈতে কটোৱা যোৱা সাতটা বছৰৰ প্ৰতিটো মূহুৰ্ত মনত পেলাই মই উচুপি.........

অম্লান চলিহা, এজন উদীয়মান যুৱ ব্যৱসায়ী হোৱাৰ লগতে সমাজৰ বিভিন্ন উন্নয়নমূলক কাম-কাজৰ সৈতেও জড়িত আছিল। প্ৰথমে চা-চিনাকি আৰু তাৰ পিছত প্ৰেম। মই আৰক্ষী বিভাগত চাকৰিটো পোৱাৰ বছৰতেই পৰিয়ালৰ জেষ্ঠ্যসকলৰ আশীৰ্বাদ শিৰত লৈ আমি যুগ্মজীৱনৰ পাতনি মেলিছিলো। সময়বোৰ পাখিলগা কাঁড়ৰ দৰেই ক্ষীপ্ৰতাৰে পাৰ হৈ গৈছিল। সাংসাৰিক জীৱনৰ প্ৰতিটো খোজেই পৰস্পৰৰ বুজাবুজিত আগবাঢ়িছিল। আউল লাগিব পৰাকৈ কোনো সমস্যাৰ বাবে যেন তিলমানো সুৰুঙা নাছিল আমাৰ সম্পৰ্কত। জীৱনৰ সৰু-বৰ সকলো সুখ মুক্তভাৱে নিজ কক্ষপথত ঘূৰি থকাৰ সময়তেই কক্ষচ্যুত হৈ উফৰি আহিল এখনি ক'লা ডাৱৰ। মূহুৰ্ততে ছানি ধৰিলে মোৰ সুখৰ পঁজা। পুৱাই ব্যৱসায় সংক্ৰান্তীয় কামত নতুনকৈ লোৱা গাড়ীখন লৈ ওলাই গৈছিল অম্লান। সেই যে ওলাই গৈছিল দুপৰীয়ালৈ নিথৰ হৈ ঘূৰি আহিছিল অম্লানৰ শৰীৰ

এজাক ধুমুহাৰ সৈতে। লগত অহা মানুহখিনিয়ে কোৱাকুই কৰিছিল নিয়ন্ত্ৰণ হেৰুৱাই অম্লানৰ গাড়ীখনে তীব্ৰবেগে প্ৰকাণ্ড গছ এজোপাত খুন্দা মাৰিছিল। কোনোমতে উশাহ লৈ থকা অম্লানক দুৰ্ঘটনাস্থলীৰ পৰা উদ্ধাৰ কৰি হস্পিতালত গৈ পোৱাৰ আগতেই সকলো শেষ হৈ গৈছিল। উজাই অহা বুকুৰ বিষটো দমাই ৰাখিব নোৱাৰি মই পুনৰ ফেঁকুৰি উঠিলো।

ওৰে নিশা কান্দি কান্দিয়েই কোঠাটোৰ এচুকত অৱশ হৈ পৰি থাকিলো। ৰাতিপুৱাই ফোনযোগে মোক থানালৈ মাতি পঠিয়ালে। ইতিমধ্যে পোষ্টমৰ্টেম ৰিপৰ্ট আহি পাইছিল। লৰালৰিকৈ থানালৈ যাবলৈ ওলাই মই কিবা এটা মনত পৰাৰ দৰে আলমাৰিত থকা মোৰ ইউনিফৰ্মজোৰৰ পেণ্টৰ পকেটখন খেপিয়াই চালো। উলিয়াই আনি বেগত ভৰাই ল'লো ; অম্লানক যোৱাবাৰ জন্মদিনত মই উপহাৰ হিচাপে দিয়া আঙুঠিটো, যিটো এসপ্তাহ আগতে এঘাৰবছৰীয়া মিলিৰ ধৰ্ষণ কাৰ্যৰ তদন্তৰ সময়ত ঘটানাস্থলীৰ পৰা অইনৰ চকুত পৰাৰ আগতেই লুকুৱাই পেলাইছিলো।

সেই ঠাইত আঙুঠিটোৰ উপস্থিতিয়ে যে মোক অট্টহাস্য কৰি উঠিছিল। জৰজৰকৈ খহিছিল মোৰ প্ৰেম আৰু বিশ্বাসৰ ভেটি। অপৰাধীৰ মুখখন ক্ৰমাৎ স্পষ্ট হৈ অহাৰ বিপৰীতে অম্লানৰ মুখখন মোৰ মনত ধূসৰ হৈ পৰিছিল। হস্পিতালত কণমানি মিলিৰ অৱস্থা দেখি মই থিৰেৰে থাকিব পৰা নাছিলো। সৰসৰকৈ বৈ অহা চকুপানীখিনিক মই বাধা দি ৰাখিব পৰা নাছিলো। কিছুমান অপৰাধৰ ক্ষমা নাথাকে, কেতিয়াও! লাগিলে সেই অপৰাধ একান্তই আপোনজনেই নকৰক কিয়! কিছুমান অক্ষমণীয় অপৰাধে প্ৰতিদানত জীৱন বিচাৰে, যাৰবাবে সমাজৰ চকুত দুৰ্ঘটনা হৈয়েই ৰওক অম্লানৰ মৃতৰহস্য! বেগটো লৈ অলপো পলম নকৰি থানালৈ গৈ যাৱতীয় কামখিনি সম্পূৰ্ণ কৰি মই চিধাই গৈ মিলিৰ কাষ পালোগৈ। হস্পিতালৰ বিছনাত নিস্তেজ হৈ শুই থকা মিলিৰ চুলিখিনিত হাত বুলাই তাইৰ ওচৰতে নীৰৱে ক্ষমা বিচাৰি উচুপি উঠিলো। ন্যায় পাওঁক পৃথিৱীৰ প্ৰত্যেকজনী মিলিয়ে, ন্যায় পাওঁক মিলিৰূপী প্ৰতিগৰাকী নাৰীয়ে। মনৰ ভিতৰত শুনা-নুশুনাকৈ পাকঘূৰণি খাই থাকিল মোৰ প্ৰিয় কবিতাৰ পংক্তি...

'একেলগে আমি তেজেৰে বোলাম
কাল সাপ যেন বেণী
এতিয়া চুলি নাবান্ধিবা, যাজ্ঞসেনী।" ○

"মহৎ শিল্পীসকলে জীৱনত নিজৰ মতেই জীয়াই থাকে, নহ'লে তেওঁলোক মহৎ হ'ব নোৱাৰে।"
"যি মানুহে সমালোচনাক ভয় কৰে জীৱনত কেতিয়াও তেওঁ নিজ ইচ্ছা পূৰণ কৰিব নোৱাৰে।"

— ডেল কাৰ্নেগী

# মায়ালগা সময়ৰ উকমুকনি

— কাবেৰী গোস্বামী
বি. এড দ্বিতীয় বৰ্ষ

আন্ধাৰৰ বক্ষ ফালি সন্ধিয়াৰ আকাশ মনত এমুঠি জোনাকে আৱৰি ধৰিছে। সোণাৰু জোপাইয়ো শীতৰ জোনাক জাকত ধিমিধিমিকৈ জ্বলি থকা হালধীবুলীয়া লাইটটোৰ পোহৰত নিজৰ ৰূপ সলাইছে। কাষৰ বেঞ্চখন নিয়ৰে তিয়াই গৈছে। ঠেতুৰে ধৰা ঠাণ্ডা যদিও এই ব্যতিক্ৰমী সন্ধিয়াৰ সৌন্দৰ্য নিধিয়ে উপলব্ধি কৰিব পাৰিছে। কিমান স্মৃতিয়ে মেটমৰা হৈ আছে এই সুবাসভৰা সন্ধিয়াবোৰ। কিন্তু এতিয়া সেই সুবাসবোৰ নোহোৱা হ'ল। নিষ্প্ৰাণ হৈ পৰিল বুকুত খৰিকাঁজাই ফুলোৱা জোনাকবোৰ..। মৰম আকলুৱা হালধীয়া পখিলাজনী হৈ সুখৰ সুবাস বিচৰা চঞ্চল নিধিজনীয়ে এতিয়া ভাবুক হৈ সেই স্মৃতিবোৰকে সোঁৱৰাই বহি থাকে ডেউকা ভগা বিহংগজনীৰ দৰে। আজিও আনদিনাৰ দৰেই আপোনাৰ বিচাৰি পোৱা সোণাৰুজোপাক অনৰ্গল কৈ গৈছে প্ৰিয়মৰ কথা। সেই আৱেগ ঢলা সন্ধিয়াবোৰৰ কথা। হিয়া উজাৰি আক্ষেপবোৰ তাই সোণাৰুজোপাৰ আগতেই বৰ্ণনা কৰে। কিয়নো তাই জানে গছ-জোপাই তাইক নিৰাশ নকৰে। কিমান মধুময় স্মৃতিৰ সাক্ষী হৈ আছে সেই সোণাৰুজোপা। তাই সেয়া ভালদৰেই জানে।



মেধাৱী ছাত্ৰ প্ৰিয়মক লৈ কাৰোৰে আক্ষেপ নাথাকে। তাৰ সেই অন্তৰজয় কৰিব পৰা স্বভাৱতোকে তাক সকলোৰে প্ৰিয়ভাজনেষু কৰি তোলে। এসময়ৰ বান্ধৱী নিধি এতিয়া তাৰ প্ৰেমৰ সংগী। নিধিয়ো একাগ্ৰতা সম্পন্ন এজনী অমায়িক ছোৱালী। দুয়োৰো প্ৰেমত প্ৰস্ফুতিত হৈছিল— 'প্ৰেম সৃষ্টিৰ বাবেহে, ধ্বংসৰ বাবে নহয়।'

চনেতীয়া গাণৰৰ দিহাম নদীৰ পাৰৰ নতুন আকৰ্ষণ নামেৰে খ্যাত বজাৰখনৰ পৰা প্ৰায় তিনিমাহিলী আঁতৰত এটা সৰু লাইব্ৰেৰী, নাম 'জ্ঞানতুৰ লাইব্ৰেৰী', তাৰ কাষতেই হালধীবুলীয়া সোণাৰুজোপা। কিতাপ পঢ়ি ভালপোৱা প্ৰিয়মে প্ৰায় সাতমাইল বাট চাইকেল লৈ লাইব্ৰেৰীলৈ আহে। তাৰ পৰা এটা কেঁকুৰি পাৰ হৈ প্ৰায় দুইমাইল গ'লেই নিধিৰ ঘৰ পোৱা যায়। সেই লাইব্ৰেৰীটোতে দুয়োৰে চিনাকী। বন্ধুত্বৰ পৰা প্ৰেমলৈ...

ৰাতি আঠ বজালৈ খোলা থাকে লাইব্ৰেৰীতো। আইনবিভাগৰ ছাত্ৰ প্ৰিয়মে দিনতো ক্লাছ কৰি ৫ মান বজাত লাইব্ৰেৰীটোলৈ আহে। তাত কিতাপ পঢ়াৰ লগতে নিতোৰ

অভিজ্ঞতাৰ বহু কথাই সি তাৰ ডায়েৰীত লিখি যায়। তাৰ সেই লিখনীবোৰ প্ৰায়েই আলোচনী, বাতৰি-কাকত আদিত প্ৰকাশ পায়। বাস্তৱজীৱনৰ সুন্দৰ ভাৱে উপস্থাপন কৰিব পৰাৰ বাবেই বহুতৰে বাবে সি এজন প্ৰিয় লেখক। বহু ব্যক্তিৰ কলিজা কঁপি উঠে তাৰ লিখনি খিনিৰ জোৰত।

উপন্যায় পঢ়ি ভালপোৱা আৰু উপন্যাসৰ মাজত নিজকে বিচাৰি পোৱা নিধিয়ে কলেজশেষ কৰিয়েই নাকে-কাণে ভাত কেইটা গুজি, ঢাপলি মেলে লাইব্ৰেৰীলৈ বুলি। তাইৰ প্ৰতিদিনৰ লক্ষ্য উপন্যাসখন পঢ়ি শেষ কৰা।

কিতাপৰ পিছত দৌৰি ফুৰা দুয়োৰে এক অনাকাংক্ষিত মিলন। আপুনিয়েই প্ৰিয়ব্ৰত বৰঠাকুৰ নেকি? মই আপোনাৰ লিখনী পঢ়িছো। সঁচাই পঢ়ি ভাল লাগে। নিধিৰ সেই কথাষাৰত দুয়োৰে সম্বন্ধৰ আৰম্ভণি হোৱা দিনতো তাইৰ আজিও মনত আছে। পাঁচটা বসন্ত পাৰ কৰা মধুৰ সম্বন্ধতে উত্থান-পতনৰ সাক্ষী হৈ আগবাঢ়িছিল।

সন্ধিয়া সোণাৰু জোপা আৰু সৌন্দৰ্যকৰ হৈ পৰে দুয়োৰে বাবে। লাইব্ৰেৰীটোৰ পৰা ওলাইয়েই এখন্তেক গছজোপাৰ তলৰ বেঞ্চখনত নবহিলে যে দিনটো আধৰুৱা হৈ পৰে। এপিয়লা প্ৰেমৰ ৰাগীয়ে দুয়োকে মাতাল কৰি তোলে। উত্তৰবিহীন বেবেৰিবাং চিন্তাই অশান্ত কৰে বিবেকতোক। ক্লেশৰ অন্ত কৰি স্নিগ্ধ হৃদয়ত সোণোৱালী ছবি অঁকা সোণাৰুৰ পৰশেৰে যুগজিতা এই বান্ধোন।

সেইদিনা প্ৰায় ৬-৩০ বাজিছে। লাইব্ৰেৰীৰ পৰা ওলাই দুয়ো সোণাৰুৰ তলৰ বেঞ্চখনত বহিছে। নিধিৰ কেইডাল মান চুলিয়ে চাৰ্টৰ ওপৰেদি প্ৰিয়মৰ গাল স্পৰ্শ কৰিছে। গছৰ পাতৰ মাজেৰে পোহৰ সৰকি তাইৰ চুলি কোছাত পৰিছে। যেন কোনো এক মায়াবী ৰাতিৰ হাস্যজ্বল জোন নাইবা উন্মুক্ত ফাগুন। আজি বতাহজাকৰ জোৰ আগতকৈ বেছি নহয়নে নিধি? প্ৰিয়মে নিধিলৈ চাই মিচিকিয়াই হাঁহি ক'লে। নিধিয়ে ক'লে- 'হয় দিয়া',। প্ৰিয়মে তাৰ বেগৰপৰা বাতৰি কাকত এখন উলিয়াই নিধিক ক'লে, নিধি তোমাক ক'বলৈ পাহৰিছিলোয়েই। বহুত দিনতেই পঠোৱা লেখা এটা প্ৰতিশ্ৰুতি কাকতত প্ৰকাশ হ'ল কালি। যিটো লেখাত মোৰ বহু অভিজ্ঞতা সোমাই আছে। আমাৰ যাউতীযুগীয়া সংস্কৃতিক বিকৃত কৰাত অৰিহণা যোগোৱা নতুন আকৰ্ষণ নামৰ বাতৰিখনৰ সৃষ্টি কৰি আমাৰ নৱ প্ৰজন্মক অবাটে যাবলৈ উদ্‌গনি জনাব পাৰে তাৰ বিষয়ে লিখিছো। সুৰাৰ বিপনীৰ লগতে অন্যান্য ড্ৰাগছ জাতীয় সামগ্ৰীবোৰ বিক্ৰি কৰি আমাৰ থলুৱা মানুহবোৰক বিপথে পৰিচালিত কৰিছে। ঘৰে ঘৰে শান্তিৰ বতাহ বলা একতাৰ ভাৱধাৰাৰে কট্‌কটীয়া হৈ চনেতীয়াত এতিয়া বিশৃংখলতাময় পৰিস্থিতি। প্ৰতিবাদবোৰ হোৱাৰ পিচতো এই নিচাযুক্ত দ্ৰব্যবোৰে কেনেকৈ আমাৰ বয়সৰ বহু যুৱক-যুৱতীৰ জীৱন ধ্বংস কৰিবলৈ সুবিধা পাইছে। তেনেকুৱা বিপনীৰ যে আমাৰ অঞ্চলত প্ৰয়োজন নাই তাৰ বিষয়েও যুক্তি সহকাৰে জনাইছোঁ। প্ৰয়োজনত প্ৰমাণ দিয়াৰ সাহস আছে বুলিও কৈছো। তাৰ পৰিবৰ্তে জ্ঞানাতুৰ লাইব্ৰেৰীৰ দৰে লাইব্ৰেৰীৰহে প্ৰয়োজনীয়তা আছে অথবা কৰ্ম সংস্কৃতিৰ সুবিধা থকা বিকাশমূলক প্ৰতিষ্ঠানৰহে আৱশ্যকীয়তা অনুভৱ কৰা হৈছে। জানা নিধি! লিখাতো প্ৰকাশ হোৱাৰে পৰা বহু ব্যক্তিয়ে মোলৈ ফোন যোগে উৎসাহ আৰু শুভেচ্ছা দিছে। বহু প্ৰতিক্ষীত লেখাতো প্ৰকাশ হোৱাৰ আনন্দত প্ৰিয়মে অনৰ্গলকৈ কৈ গ'ল বহু কথা।

হঠাৎ এটা ফোনকল আহিল নিধি উচাপ খাই উঠিল। প্ৰিয়মে ফোনতো ৰিচিভ কৰিলে - হয় কওকচোন। সিফালৰ পৰা এটা কঠুৱা কণ্ঠস্বৰ ভাঁহি আহিল ঐ প্ৰিয়ম তোৰ ভণ্ডামী বন্ধ কৰ। সাহিত্যিকৰ প্ৰতিভা বেলেগত দেখাবি। এতিয়াই এটা লেখা বাতৰিৰ বাবে লিখ। য'ত লিখা থাকিব লাগিব কালিৰ সেই লেখাতো ভুল আছিল। তাত কোনো যক্তি নাই আৰু অনতিপলমে ক্ষমা বিচাৰ আমাৰ বিপনীৰ মালিকৰ ওচৰত, যদি প্ৰাণলৈ মৰম আছে সোনকালে কলম উঠা। তাৰ উত্তৰত প্ৰিয়মে ক'লে, মোৰ

হাতত প্ৰমাণ আছে। মোৰ কলম কেতিয়াও ভুল কথা নিলিখে। এই লিখনি মোৰ অনুৰোধ নহয়, ই মোৰ দাবী সকীয়নী, কঠুৱা মাতৰ সেই মানুহজনে ঠিক আছে দেখা যাব বুলি ফোনতো সংযোগহীন কৰিলে। খঙত প্ৰিয়মৰ চকু দুটা ৰঙা হৈ পৰিল। নিধিৰ বুজনিতো আজি তাৰ খঙ কমা নাছিল। আন্ধাৰো যথেষ্ট হৈছিল দুয়ো ঘৰমুৱা হ'ল।

এনেদৰেই দুই-তিনিদিন ধৰি প্ৰিয়মলৈ ফোন আহিছিল যদিও তাক মৃত্যুৰ ভাবুকি দিছিল সি নিজৰ সিদ্ধান্তত অটল আছিল। এদিন হঠাতে প্ৰিয়ম নোহোৱা হ'ল। সেইতোৱেই তাৰ শেষৰ প্ৰকাশিত লিখনি। তাৰ পিছত আৰু কোনো ধৰণৰ লিখনীয়েই পঢ়িবলৈ পোৱা নাই তাৰ অনুৰাগীয়ে। নিধিজনীয়ে এতিয়া পাগলৰ দৰে লাইব্ৰেৰীত চোকে কোনে তাক বিচাৰি ফুৰে। সোণাৰুজোপালৈ চাই তাই প্ৰশ্ন কৰে প্ৰিয়মে মোক এৰি ক'ত হেৰাই গ'ল। আকৌ সি উভতি আহিবনে? তেতিয়ালৈ মোৰ উশাহবোৰ বাগৰি নপৰেতো। কিন কিন বৰষুণত শীতৰ পৰশ পাই বুঢ়া সোণাৰত তেতিয়া জানো কুঁহিপাত ওলাব? চোকা দাঁতৰ কুটকুটনিত একেডাল লেজুৰে শিৰোধানতি সাজি আমাৰ সপোনবোৰ পুনৰ গাবনে যৌৱনৰ কেঁচাপ্ৰেমৰ মুক্তগান? সোণাৰুজোপা এতিয়া নিমাত নিস্তব্ধ।

নিধিৰ অন্তৰৰ কোণত তেজৰ বোলেৰে লিখি ৰোৱা সেই একমাত্ৰ শাৰীতো আজি প্ৰশ্নবোধক কবিতা তই মোৰ উজাগৰী বহু নিশাৰ বিশ্বস্ত লগৰী। দুখৰ সোৱণশিৰী পাৰ হ'ম নিঃসন্দেহ তোৰেই হাতত ধৰি...।○

# মোৰ বিনামূলীয়া জাপান ভ্ৰমণ

— চুমকী দাস
বি.এড. দ্বিতীয় বৰ্ষ

এয়া ২০১১ ইং চনৰ কথা। মই তেতিয়া বি.বৰুৱা কলেজ (গুৱাহাটী)ৰ একাদশ শ্ৰেণীৰ ছাত্ৰী। এটা নিভাজ ৰাতিপুৱা। সময় প্ৰায় ৫.৩০ মান বাজিছিল। মই শুই আছিলো, হঠাৎ ফোনটো বাজি উঠিছিল। মোৰ সৰু Nokia ম'বাইলটোত দেখিবলৈ পাইছিলো মোৰ বৰমাৰ নম্বৰটো (ড° ৰুক্মীণী বৰা, ওচৰৰে বৰমা) টোপনিৰ মাজেৰে যেনে তেনে ফোনটো Receive কৰি কৈছিলো 'অ' বৰমা কওকচোন'। সিফালৰ পৰা উত্তৰ আহিছিল, 'অ' চুমকী জাপান যাবা?' কি কি ....? কি শুনিছিলো সেয়া, নিজৰে বিশ্বাস হোৱা নাছিল। তেনেকৈই আমাৰ জাপান ভ্ৰমণৰ আলোচনা আৰম্ভ হৈছিল।

আচলতে JENESYS (Japan-East Asia Network of Exchange for Students and Youth) এটা Programme যাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলৰ আদান-প্ৰদান কৰা হয় Japan আৰু Asia-Pacific Region ৰ মাজত শিক্ষা আৰু সংস্কৃতি সম্বন্ধীয় জ্ঞানৰ আদান-প্ৰদানৰ অৰ্থে আৰু সমষ্ট Programme ৰ খৰচ বহন কৰিছিল জাপান চৰকাৰে। আমি JENESYS ৰ বাবে আবেদন কৰিছিলো আৰু মোৰ লগতে অসমৰ পৰা দুজন নিৰ্বাচিত হোৱাৰ উপৰিও মোৰ বৰমা Supervisor হিচাপে নিৰ্বাচিত হৈছিল, Visa, Passport সকলো সাজু কৰি আমি জাপান যাবলৈ যো-জা কৰিছিলো।

আমাৰ ভ্ৰমণ আৰম্ভ হৈছিল 11 November 2011 ত। বৰমা, মই আৰু নিৰ্বাচিত হোৱা দুজনৰ সৈতে আমি উৰা মাৰিছিলো দিল্লীলৈ। সেয়াই মোৰ জীৱনৰ প্ৰথম উৰাজাহাজত উঠা অভিজ্ঞতা আছিল। আমি প্ৰায় গধূলি ৩.৩০ মান বজাত দিল্লীত উপস্থিত হৈছিলো। সেই নিশা আমি এখন হোটেলত ৰাতিটো কটাইছিলো। পিছদিনাৰ পৰা আৰম্ভ হৈছিল আমাৰ JENESYS Programme । আমি গৈ পাইছিলো দিল্লীৰ বিখ্যাত হোটেল Suryaa, য'ত আমাৰ ভাৰতৰ অন্য ৰাজ্যৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ লগত সাক্ষাৎ হৈছিলো। বিদেশত যাবলৈ যিখিনি সামগ্ৰী প্ৰয়োজন সেইবোৰ বুজোৱা, অন্য নথিপত্ৰমূলক কাম আৰু লগতে জাপান আৰু ভাৰতৰ টকাৰ সাল-সলনিও তাতেই হৈছিল। জাপানলৈ যোৱা মুঠ ছাত্ৰ-ছাত্ৰী প্ৰায় ১০০ মানেই আছিল আৰু ছাত্ৰ-ছাত্ৰী সকলক বহুতো group ত ভাগ কৰি দিছিল, যেনে Hokkaido, Nagano, Gifu, Ishikawa, Hyogo আৰু Fukuoka। মই Fukuoka group ত নিৰ্বাচিত হৈছিলো, লগতে মোৰ group ত অসমৰ নঁগাৱৰ এজন ল'ৰা আছিল আৰু আমাৰ Supervisor দুজন দিল্লী আৰু মিজোৰামৰ আছিল। Fukuoka group ত মুঠ ২২ জন ল'ৰা-ছোৱালী আছিল। মোৰ বৰমা Hygo group হিচাপে Supervisor হিচাপে নিৰ্বাচিত হৈছিল। আচলতে এই group সমূহৰ নাম জাপানৰ বিভিন্ন ঠাইৰ নামৰ অনুসৰি ৰখা হৈছিল আৰু সেইমতেই জাপানৰ ৰাজধানী Tokyo পোৱাৰ পিছত জাপানৰ বিভিন্ন ঠাইলৈ লৈ গৈছিল।

গোটেই দিনটো Suryaa হোটেলত কটাই আমি ৰাওনা হৈছিলো দিল্লীৰ Indira Gandhi International

Airport লৈ। আমাৰ flight নিশা প্ৰায় ৮.৩০ মান বজাত আছিল। গোটেই ৰাতিটো flight ত কটাই আঠ ঘণ্টা যাত্ৰা কৰি ৰাতিপুৱা ৫.০০ মান বজাত আমি ভৰি দিছিলো জাপানৰ ৰাজধানী Tokyo ত। আৰু কি কম! মোৰ মুখৰ মাত যেন হেৰাই গৈছিল। চাৰিওফালে হালধীয়া ফুলৰ গছৰ মাজে মাজে এখন বাছেৰে আমি গৈছিলো Tokyo ৰ Grand Priace Hotel ত, য'ত আমি লগ পাইছিলো আমাৰ Co-Ordinator দুগৰাকীক Nakasan আৰু Yamasan (San- honorable Mr/Ms or dear)। তেওঁলোকেই আমাক সুন্দৰকৈ guide কৰি সকলো কথা বুজাই দিছিল। একোটা হোটেলত কোঠাত দুজনীক থকাৰ ব্যৱস্থা কৰি দিছিল, মোৰ লগত উৰিষ্যাৰ এজনী ছোৱালী আছিল। আমি কোঠাতেই Breakfast (কণী, ৰুটি, Japanese Sushi ইত্যাদি) কৰি ৰাওনা হৈছিলো এটা Orientation Programme ৰ কাৰণে। তাৰ পিছত আমাক লৈ গৈছিল এখন Indian Resturant লৈ য'ত আমি দুপৰীয়াৰ আহাৰ (Naan, পনীৰ, মাংস ইত্যাদি) গ্ৰহণ কৰিছিলো। সেইদিনা আৰু বিশেষ Programe নাছিল। বহুত দূৰ যাত্ৰা কৰি অহাৰ বাবে সকলোৰে ভাগৰ লাগিছিল। ৰাতিৰ আহাৰ হোটেলতে খাই আমি নিদ্ৰাত মগ্ন হৈছিলো।

পিছদিনা ৰাতিপুৱা ৬.০০ মান বজাত আমাৰ কোঠাৰ alarm বাজি উঠিছিল। তাত সকলো কামৰ বাবে সময় বন্ধা আছিল। যেনে শুই উঠাৰ সময়ত Wake up call , খোৱা লোৱা, শুৱাৰ সময়, ক'ৰবাত যোৱাৰ সময় ইত্যাদি। আমি ক্ৰমত গা-পা ধুই সাজু হৈ হোটেলৰ তলৰ lobby লৈ গৈছিলো। তাত Breakfast কৰাৰ আগত Body temperature, pressure ইত্যাদি চাইছিল। কাৰোবাৰ যদি কিবা গা বেয়া হৈছিল সেইমতে ঔষধ দিছিল (প্ৰতিদিনাই ৰাতিপুৱা এই কাম কৰা হৈছিল)। তাৰ পিছত আমি Breakfast কৰিছিলো। সেইদিনা আমাক Indian Ambassador জনৰ লগত সাক্ষাৎ কৰিছিল আৰু দিনৰ ১১.০০ মান বজাতআমাক বহুতো সুৰক্ষাৰ মাজেৰে জাপানৰ Ministry house লৈ লৈ গৈছিল য'ত আমি জাপানৰ Prime Minister (সেই সময়ৰ Yeshihiko Noda) ক লগ পাইছিলো। Prime Minister হয়ো যে তেওঁ ইমান সুন্দৰকৈ আমাৰ লগত বাৰ্তালাপ কৰিছিল আমি অবাক হৈ গৈছিলো। তাত ফটো তোলা নিষেধ আছিল বাবে তেওঁৰ লগত ফটো তোলা হাবিয়াস কন ৰৈ গ'ল।

তাৰপিছত আমাক Tokyo National Museum ত লৈ গৈছিল। সকলো সময়তে আমাৰ লগত জাপানৰ Co-ordinator দুগৰাকী আৰু আমাৰ ভাৰতৰ Supervisor দুজন আছিল। Museum ত গৈ আমি জাপানৰ ইতিহাস, সংস্কৃতি সম্বন্ধীয় বহুতো কথা শিকিবলৈ পাইছিলো। প্ৰায় এঘণ্টা মান সময় তাত থাকি আমি ঘূৰি আহিছিলো আমাৰ হোটেললৈ আৰু কি জানেনে, ৰাস্তাৰ মাজত এনে এক মনোৰম সৌন্দৰ্য দেখিছিলো তাক ব্যক্ত কৰিবলৈ মোৰ ভাষা নাই। বাছৰ পৰা দেখিছিলো গছবোৰ আৰু জাপানৰ Tokyo চহৰৰ অট্টালিকা বোৰৰ আঁৰে আঁৰে আন্ধাৰৰ মাজত কিবা এটা তিৰ্‌বিৰাই জিলিকি থকা যেন লাগিছিল! হয়, সেয়া Tokyo টাৱাৰ আছিল। আমি সকলোৱে আনন্দত আত্মহাৰা হৈ গৈছিলো। আমাৰ আনন্দ দেখি Nakasan আৰু Yamasan এ কৈছিল গাড়ীখন অলপ লাহেকৈ চলাবলৈ যাতে আমি টাৱাৰটোৰ ফটো তুলিব পাৰো। সেইদিনা আমি এখন Japanese Resturent ত নিশাৰ আহাৰ গ্ৰহণ কৰিছিলো য'ত আমি Noodless লগতে জাপানৰ sticky rice (chopsticks দি খাই বাবে তাত ভাতবোৰ আঠা জাতীয় হয়), Suchi, Tofu, Tempura এইবোৰ খাইছিলো, পিছদিনা আমি অৰ্থাৎ Fukuoka group টো ৰাওনা হৈছিলো Fukuoka লৈ। উৰাজাহাজেৰে প্ৰায় ডেৰ ঘণ্টা মান লাগিছিল। সাগৰৰ ওপৰেৰে আকাশেৰে গৈ পাইছিলো জাপানৰ এখন সৰু ঠাই Fukuoka, মোৰ এতিয়াও মনত আছে নামিয়েই তাত বৰষুণ পাইছিলো। বৰষুণে গছৰ হালধীয়া, সেউজীয়া পাতবোৰ ধুৱাই আৰু মনোমোহা কৰি তুলিছিল। তাতৈ Naka San আৰু Yama San যোৱা নাছিল। তাত আমি Yoshida San নামৰ বেলেগ Co-ordinator এগৰাকী লগ পাইছিলো।

Fukuoka ত গৈ দুপৰীয়াৰ আহাৰ ভাৰতীয় হোটেল এখনত খাই আমি গৈছিলো Japanese Shrine লৈ অৰ্থাৎ মন্দিৰলৈ। আমাৰ ভাৰতত মন্দিৰলৈ সোমোৱাৰ আগত যেনেকৈ হাত-ভৰি ধুৱলৈ ব্যৱস্থা থাকে তাতো তেনেকৈ সুন্দৰ কাঠেৰে বনোৱা পানীৰ কলৰ ব্যৱস্থা আছিল। তাত আমি জাপানী বিয়াও দেখিবলৈ পাইছিলো। আমাৰ ভাৰতত বিয়া সমূহত (বেছি ভাগ) যেনেকৈ বহুত স্ফূৰ্তি, হুলস্থূল হয় তাত সম্পূৰ্ণ ওলোটা আছিল, সকলো মানুহ মনে মনে বহি আছিল। মাজে মাজে তেওঁলোকেও আমাক বিদেশী দেখি আমালৈ চাইছিল। তাৰ পিছত আমাক তাৰ পৰা Fukroka ৰ এটা underground museum (Fushg Museum) ত লৈ গৈছিল। তাত আমি বহুতো বস্তুৰ লগতে এটা আকৰ্ষণীয় বস্তু দেখিছিলো, য'ত কেনেকৈ পানী খোৱা বটল ব্যৱহাৰ কৰি তাৰ পৰা সূতা প্ৰস্তুত কৰি কাপোৰ বনোৱা হৈছিল। সঁচাই আচৰিত আছিল! তাৰ পিছত আমি Hakata Food Laboratory ত গৈছিলো তাত আমাক চাউলৰ পৰা বনোৱা কিছু Japanese মিঠাই বনাবলৈ শিকাইছিল। তাত সকলো কাম বহুত চাফ-চিকুণতাৰে কৰা হৈছিল। সেইদিনাই আমাক Kyushu National Museum ত লৈ গৈছিল। ইমান ডাঙৰ Museum দেখি আমি অবাক হৈছিলো তাত এটা সৰু মন্দিৰো আছিল। তাত আমি বহুত China ৰ tourist লগ পাইছিলো।

আমি আমাৰ Co-ordinator Yoshida San ক কৈ আছিলো যে জাপান বিখ্যাত Bullet train আমাৰ বহুত চাবলৈ মন। ইমান ব্যস্ত আমাৰ Schedule ৰ মাজতে তেওঁ যেনে তেনে অলপ সময় মিলাই আমাক Bullet train station ত লৈ গৈছিল। সেই কথা আমি কেতিয়াও নাপাহৰো।

পিছদিনা আটাইতকৈ বিশেষ দিন আছিল আমাৰ বাবে। কাৰণ আমি সেইদিনা গৈছিলো এখন জাপানী বিদ্যালয়লৈ নামটো আছিল Junshin High School। তাত গৈয়েই আমি দেখিবলৈ পাইছিলো চাৰিওফালে স্কুলৰ ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকে আমাক নমস্কাৰ কৰি অভ্যৰ্থনা জনাইছিল। আমিও জাপানী সকলে যেনেকৈ হাওলি সম্বৰ্ধনা জনায় তেনেকৈ তেওঁলোকক সহাৰি দিছিলো। স্কুলৰ ভিতৰত সোমোৱাৰ আগত আমাৰ জোতা-চেণ্ডেলবোৰ খুলি স্কুলৰ ভিতৰত পিন্ধা বিশেষ চেণ্ডেল পিন্ধিবলৈ দিছিল। এইটো সকলো স্কুলৰে নিয়ম আছিল যাতে বাহিৰৰ ধূলি ভিতৰত যাব নোৱাৰে। তাৰ পিছত আমাক এটা শ্ৰেণী কোঠালৈ লৈ গৈছিল তাত আমাক স্কুলৰ Principal চাৰ জনে একোটা Japanese পুতলা দি সম্বৰ্ধনা কৰিছিল। আমি তাত নানান ধৰণৰ activities কৰিছিলো। তাৰ উপৰি আমি এটা Real ক্লাছৰ অভিজ্ঞতা ল'বলৈ সুবিধা পাইছিলো। সেইটো পদাৰ্থ বিজ্ঞানৰ ক্লাছ আছিল। আমাৰ ভাৰতত যেনেকৈ Practical আৰু Theory ক্লাছ বেলেগ বেলেগকৈ হয়, তাত একেলগে হৈছিল। মানে Theory ৰ লগতে Practically বস্তুবোৰ সুন্দৰকৈ বুজাই গৈছিল। তাৰ পিছত তাত আমি Psysical fitness ৰ ক্লাছ, সংগীতৰ ক্লাছ, Art ক্লাছ সকলোবোৰৰে অভিজ্ঞতা ল'বলৈ সুবিদা পাইছিলো। স্কুলৰ পৰাই আমাক অন্য এক বিশেষ activity ৰ বাবে সাজু কৰাইছিল। কি জানেনে? এখন জাপানী পৰিয়ালৰ ঘৰত গৈ দুই নিশা থকা। কি কম আৰু! ইমানখিনি সুবিধা দিয়াৰ বাবে জাপান চৰকাৰক অশেষ ধন্যবাদ।

আমাৰ Fukuoka group ত ২২ জন ল'ৰা-ছোৱালী আছিল। মই আৰু গুজৰাটৰ ছোৱালী এজনী Narahashi উপাধিৰ পৰিয়াল এঘৰত যাবলৈ সুবিধা পাইছিলো। তেওঁলোকে আহি আমাক স্কুলৰ পৰাই তেওঁলোকৰ ঘৰলৈ লৈ গৈছিল। তেওঁলোকে ইংৰাজী ভঙা ভঙাকে কৈছিল যদিও তেওঁলোকৰ লগত আমি বহুত কথা পাতি গৈছিলো। তেওঁলোকৰ ঘৰ পায়েই দেখিছিলো তেওঁলোকে আমাক অভ্যৰ্থনা জনাবলৈ চাৰিওফালে LED lighy ৰে জ্বিলিকাই থৈছিল। তেওঁলোকৰ এজনী ছোৱালী আছিল (প্ৰায় ২৪ বছৰ মানৰ) আৰু Mary Narahashi (মাক) আৰু Kciko Narahashi (দেউতাক) আৰু জানিবলৈ পাইছিলো তেওঁলোকৰ এজন ডাঙৰ ল'ৰা আছিল যি ভূমিকম্পৰ সময়ত

হোৱা Tsunami ত ঢুকাইছিল। তেওঁলোকে আমাক তেখেতৰ ফটো দেখুৱাইছিল। বাৰু যি কি নহওঁক তেওঁলোকে আমাক অতি কম সময়তে আপোন কৰি তুলিছিল। সেইনিশা সুন্দৰকৈ সকলোৱে মিলিজুলি তেওঁলোকৰ Japanese traditional খাদ্য খাইছিলো। পিছদিনা আমাক তেওঁলোকে Genkai Sea ৰ সাগৰৰ পাৰত লৈ গৈছিল। দিনটো আমি ফূৰ্তি তামাচা কৰি তাতেই কটাইছিলো আৰু ঘৰলৈ ঘূৰি অহাৰ পৰত আমাক কাপোৰ উপহাৰ হিচাপে কিনি দিছিল তেওঁলোকে। সেইনিশা আমি তেওঁলোকক আমাৰ কিছু ভাৰতীয় খাদ্য বনাই খুৱাইছিলো। তেওঁলোকে আমাৰ খাদ্য সমূহ অলপ spicy পাইছিল যদিও হেঁপাহেৰে খাইছিল। পিছদিনা ৰাতিপুৱা মই অসমৰ চিন স্বৰূপে লৈ যোৱা জাপি আৰু গামোচা তেওঁলোক উপহাৰ কৰিছিলো। তেওঁলোকে পুনৰ আহি আমাক Junshin High school ত থৈ গৈছিল। তাত আমি সকলোৱে আহাৰ গ্ৰহণ কৰি বিদায় লৈছিলো। কি ক'ম সেই মূহুৰ্ততো মনত পৰিলে এতিয়াওঁ মোৰ শোকে খুন্দা মাৰি ধৰে। সকলোৰে চকু সেমেকি উঠিছিল। নিজৰ নিজৰ নিৰ্বাচিত পৰিয়াল কেইটিক শেষ বাৰৰ বাবে আলিংগন কৰি সকলোকে বিদায় দিছিল।

তাৰ পিছত আমি আহি পাইছিলো Tokyo ৰ বিখ্যাত Tokyo University। তাত আমাৰ Farewell Speech Programme আৰু Cerficiate distribution Programme হৈছিল। তাতো আমাক ভৱিষ্যতে পঢ়ি শুনি জাপান আহিবলৈ কেনেকৈ পাৰি এইবিলাক বুজাইছিল। তাত কেইজন মান অধ্যাপকৰ লগতো আমি চিনাকি হৈছিলো। তাৰে এজনৰ নাম নলৈ নোৱাৰিছো ড° সীমান্ত হাজৰিকা। হাজৰিকা শুনিয়েই মই ভাবিছিলো, হয় আপোনালোকে থিকেই ভাবিছে তেওঁ অসমৰ (গুৱাহাটী, ৰুক্মণী গাঁৱৰ) আছিল। সঁচাকৈ বিদেশত আপোন মানুহ লগ পালে বহুত ভাল লাগে নহয়নে?

Tokyo University ৰ পৰা আহি আমি Tokyo ৰ হোটেলত শেষ নিশা কটাইছিলো। পিছদিনা আমাক Airport লৈ থ'বলৈ আহোতে Yama San আৰু Nuku San ক সাৱটি ধৰি হুকহুকাই কান্দিছিলো। এক সুন্দৰ আৰু জীৱনত কেতিয়াও পাহৰিব নোৱাৰা অভিজ্ঞতা লৈ ভাৰতলৈ উৰা মাৰিছিলো। গধূলি সময়ত আহি আমি ভাৰতত landing কৰিছিলো। সেই ৰাতি আমাক দিল্লীৰ বিখ্যাত Hotel Ashoka ত ৰাখিছিল। পিছদিনা ৰাতিপুৱা আমাক তাৰ পৰা বিদায় দিছিল। মোৰ লগৰবোৰ আৰু Supervisor সকলোৰে পৰা বিদায় লৈ মই মোৰ বৰমাৰ সৈতে উভতিছিলো অসমলৈ। সেয়াই আছিল মোৰ বিনামূলীয়াকৈ হোৱা জাপান ভ্ৰমণ। এক সুন্দৰ অভিজ্ঞতা যি মোৰ জীৱনৰ পৃষ্ঠাত চিৰদিন জ্বিলিকি থাকিব। ০

# Title : The nostalgia of my B.Ed. voyage

— Dhrubajyoti Kalita
B.Ed. 2nd Year

As I sit back and reminisce about my time at B.Ed. college, a flood of memories rushes in, each one carrying its own unique essence of nostalgia. The journey through those halls wasn't just about earning a degree ; it was a transformative experience that shaped not just my carrer, but my entire outlook on life.

The first day, filled with excitement and nervousness, remains etched in my memory. Walking through the gates, I was greeted by a flurry of activity - students bustling around, professors with warm smiles, and the promise of knowledge waiting to be absorbed. It was a moment filled with anticipation, marking the beginning of a profound educational voyage.

As classes commenced, I found myself immersed in a sea of learning, each lecture offering new perpectives and insights into the world of education. From pedagogical theories to practical teaching methods, every lesson was a stepping stone towards becoming a more effective educator. The camaraderie among classmates, the late-night study sessions, and the shared sense of purpose fostered an environment conducive to growth and discovery.

One of the most cherished aspects of my time at B.Ed. college was the opportunity for hands-on experience. From coducting mock teaching sessions to engaging with real students in classroom settings, every moment spent in practicum was a chance to apply theoretical knowledge to real-world scenarios. The invaluable guidance and mentorship provided by experienced educators helped me navigate the complexities of teaching, instilling in me a sense of confidence and competence.

Beyond academics, the college offered a plethora of extracurricular activities that enriched my overall experience. Whether it was participating in cultural events, organizing educational seminars, or volunteering for community service projects, each endeavor contributed to my holistic development as an individual.

As the days turned into weeks and the weeks into months, I realized that B.Ed. college was more than just an institution; it was a home away from home, a place where lifelong friendships were forged and memories were made. The bonds formed during those years have stood the test of time, serving as a constant reminder of the transformative power of education and human connection.

As I reflect on my journey through the nostalgia of B.Ed. college, I am filled with gratitude for the experiences that have shaped me into the educator I am today. Though the days may have passed, the lessons learned and the memories created will forever remain etched in my heart, serving as a source of inspiration and guidance in my continued pursuit of excellence in the field of education.



# A trip to the Economic capital of India

— Sayani Bhattacharjee
B.Ed. 2nd year

I will delve into the reason for choosing the title later but let's take you around to my travelling experience in Mumbai. After landing in Mumbai and coming out of the airport, it was nothing as to how I imagined it to be. It was the same usual traffic, narrow lanes, slums nearby, highly polluted and populated. At one point I started to relate it with my hometown Guwahati. Apart from the tall buildings and local trains, all looked the same. A slight disappointment was evident on my face. But as soon as we reached Boriveli, our accommodation for the stay, my newly formed opinion started to change. It appeared to me that there are places in this city which are a lot different from each other. Boriveli seemed welcoming and especially the decor, the people the entrance, the cleanliness of the Estate were all beautiful and homely. We went there before Christmas so it was all decked up for the celebration of Christmas Eve and Christmas. A day or two passed by just roaming inside the lanes, the beautiful scenery it offered, the awe-abiding buildings and its parks and pools. But what Mumbai is if you spend the days indoors? So we planned to go out. Our first destination was Sanjay Gandhi National Park. A park so big that it can consume small villages. People hire bicycles, e-rickshaws and cars to cover the spots. The park offered beautiful scenery, safari rides to see tigers and lions, beautiful other species and the history of the cat family. It was a decent place to spend some quality time with family. On the remaining days we travelled to Malad, Bombay Stock exchange building, the oldest financial hub, the metro stations, Bandra, Mannat house, Juhu beach, Marine drive, Colaba market, ramkrishna Math in the Khar West and many other places. The coolest and the most refreshing scenery to capture was the view of the marine drive. It is also known as as the Queen's necklace because at night, the street lights resemble a string of pearls in a necklace. Of course how to miss the tour of the Gateway of India, the Mumbai's equivalent

to Eiffel tower and the beautiful Taj Mahal palace hotel beside it. But the most striking of them all was the metro stations. While travelling on local trains, I first thought it would be impossible for me to travel day to day on trains. The stations and the trains were flooded with people, the busy ticket counters, the S and F symbol with numbers of trains on the screen which later I realised were the initials for Slow and Fast trains. The second class, first class AC compartments, ladies compartments were as if kilometers apart from each other. I got on trains with no seats, hanging by the handles prepared to jerk as the train moves. To my surprise, it went smoothly and having it at the same time, charging the phones and laptops, sipping coffee, working on laptops, reading books, preparing baby food, breastfeeding having important discussions, packing stuff and Mildly doing stretching exercises while sitting. I felt half of the work was done on the train itself. Everybody was so busy, so occupied with work that I started to feel complex about not having any productive work to do. People get their work done on the trains and manage time whereas I still struggle with time management. May be this is the reason Mumbai is so productive and filled with jobs, contributing the highest to the GDP of India. I overheard the conversations of people and their stories. It's not wise to overhear someone's conversation but I was so dumbfounded to hear the realities in Mumbai. Mumbai life was tougher than I imagined. If one can get accustomed to the trains in Mumbai, they can save an ample amount of time in a place where 24 hours falls short. You can see all kinds of people wearing coats and blazers to the office to wearing half pants and lungis. Mumbai shows no discrimination. People wear clothes as per their free will and people give less judgement and less stares. One goes to Mumbai to fulfil their dreams in the city of dreams. People are physically fit and aged people take to trains and stairs without support. As much as I was fond of the city, my insides were jolted thinking of a life living in it. People in my hometown are so relaxed, social, and laid-back. Maybe this is why people return back to their hometowns after living a hectic life in such cities. But I also wish for once that people should visit the economic capital of India to experience how life is lived and how fast paced the city is. The environment is inspiring but difficult. I finally began to realise why Mumbai is called the city which never sleeps. ○

# ক্ৰমশঃ

— টুলুমনি দাস
প্ৰাক্তন প্ৰশিক্ষাৰ্থী

সমান্তৰাল চাৰিখন ভৰি
একেটা যুটি
দুখন হাত এটিয়েই মুঠি
সবল গতিৰ নৈঃশব্দত নতুন দিশৰ
ভাবুকি

উজুটি খোৱাৰ ভয়ত তেওঁ
কিছু পিছলৈ গতি কৰে
আগবঢ়াৰ অজুহাতত
মই তেওঁৰ কিছু আগত গতি কৰি থাকিলোঁ
ক্ৰমশঃ
দ্ৰুতগতিত খোজ বোৰ অসমান

বিৱৰ্তনৰ চমু বাট
খামুচি ধৰা হাতখন খহি পৰে
খোজবোৰ আগবাঢ়ে
অসমান্তৰাল এক ক্ৰমত!

ভালপোৱাৰ
দ্বিধাহীন অজুহাতত
মুঠি খুলি আঁতৰি আহে
উমাল পৰশৰ কেইবাটাও আঙুলি,
দুহাতৰ তলুৱাত লাগি ধৰে
স্মৃতিৰ ধূলি।

দুখন ভৰি
খোলা দুখন হাত
খোজবোৰে
বিচাৰি নিজলৈ উভতাৰ বাট।

# অনুভৱ

— ৰিমঝিম ডাউকা
বি.এড প্ৰথম বৰ্ষ

অনুভৱৰ এখিলা পাত
মই যে এতিয়া তোমাৰ অপেক্ষাৰত
জীৱনৰ তুলাচনীত জুখি চাওঁ নিজকে কেতিয়াবা
মই যে কাৰো শত্ৰু হ'ব নোৱাৰো
মনতে তোমাক আপোন বুলি ভাৱো
প্ৰতিক্ষণত চিন্তাত মচগুল মোৰ মন
হৃদয়ৰ শব্দ উমান অনুভৱ
চিন্তিত মোৰ বুকুৰ প্ৰতিটো ঢৌ
হালিপৰে কেতিয়াবা মোৰ মনৰ সীমান্ত
গধূলিৰ জোনাকত জীৱনৰ মাদকতা দেখা
পোৱা যায়।
বিষাদে মনটোক কেতিয়াবা বৰ দুখ দিয়ে
হিয়াৰ ঢাকুৰি কান্দি উঠে অভিজাত্য ভাৱনা
নিস্তব্ধতাৰ কেনভাচত মৃত্যুৱে কথা কয়।
মই হেনো দিশভ্ৰষ্ট পথিক
অনুভৱৰ এখিলা পাত মৰহি যায়
ফাগুনৰ আবেলিত।

# এমুঠি সুখ

— কৰিশ্মা দাস
বি.এড দ্বিতীয় বৰ্ষ

সুখ আৰু প্ৰত্যাহবানৰ আগমনি
সমান্তৰভাৱেই হয়।
এফালে সুখৰ ছায়া-মায়া ছবি,
আৰু আনফালে
প্ৰত্যাহ্বানৰ বজ্ৰপাত।
দিনবোৰ গণি-গণি শেষ হ'ব
মাথো ৰৈ গৈছে
বুকুত এক হুমুনিয়াহ।
প্ৰতিদিনেই সুখবোৰক দূৰৰ পৰাই
কোলাত লওঁ।
আচলতে সুখবোৰ মায়া লগা, এমুঠি জোনাক।
যি ধৰা নিদিয়ে।
সুখ আহিব আহিব বুলি
বাট চাওঁতেই
জীৱনৰ আধা বেলি মাৰ গ'ল।
তথাপিও,
এমুঠি সুখৰ বাবে
দুহাত মেলি দিছো দূৰ দিগন্তত
কিজানি দুহাতৰ মুঠিত
সুখবোৰ লাগি ধৰেই !!



# প্ৰাৰ্থনা

— শিল্পা ৰায়
বি.এড. দ্বিতীয় বৰ্ষ

কোনে জানে?
কাৰ প্ৰাৰ্থনাত কোন জী উঠে?
কোনে জানে?
কাৰ উপাসনাৰ দুপাহি কুসুমে বোৱাই নিয়ে
কাৰোবাৰ বাবে সুখৰ বন্যা
কোনে জানে?
কাৰ প্ৰাৰ্থনাত পুনৰ উজ্জীৱিত হয়
মুখৰিত হৃদয়ৰ অনৰ্গল কবিতা
কোনে জানে?
কাৰ এটি প্ৰণিপাতে পুনৰ সজল কৰে
কাৰোবাৰ বছৰ বছৰ জোৰা অব্যক্ত অস্তিত্ব
আছে
প্ৰাৰ্থনাতো শক্তি আছে
স্নেহৰ শক্তি
একান্ত নিস্বাৰ্থ অনুৰাগৰ শক্তি।

# জীৱনৰ শলিতা

— নিপামণি বড়ো
বি.এড. প্ৰথম বৰ্ষ

উৰুৱাই নিলে সোণৰ পঁজা আহি এজাক ধুমুহা,
ব্যস্ত পৃথিৱীত সহায় বিচাৰি হওঁ আত্মহাৰা,
মনৰ বাব সকলোতকৈ বেগী,
কোনে জানে জীৱন পথৰ বিজুতি,
বেজাৰত নিগৰি আহে লোতক দুধাৰি,
সহায় বিচাৰি ভাগৰে মোৰ কণ্ঠৰ ধ্বনি,
আশা নিৰাশা ভাৱৰ সম্বল
মনে কয় মাথোঁ আৰু এটি ক্ষণ,
নীৰৱ নিবিড় লীলা-খেলা
জিনিব লাগিব প্ৰকৃতিৰ মহাৰণ,
দীৰ্ঘ হুমুনিয়াহ কঁকালত গাঁঠি,
বহি পৰে সময়ৰ বিজুতি,
শান্তি বিচাৰি পৰে ভাগৰি
গছৰ ছাঁত ক্ষন্তেক বিৰতি,
কাল ৰাত্ৰি অকলশৰে টিঙৰ ফুটাৰে তৰা গণি,
হিয়া কঁপে জীৱন কালৰ ঘটনা ভাৱি,
বৰদৈচিলা জাকত-জিলিকা চূৰ্ণ-বিচূৰ্তি কৰে খেলা,
জীৱনেই তাণ্ডৱ ৰচে হাস্যকৰ মেলা,
উচুপি কান্দে চাক নৈয়া,
উটি গ'ল সময়ৰ সীমা,
এন্ধাৰ ভেদি পোহৰে আৱৰে
জাগি উঠে নাৱৰীয়াবোৰে,
বঠাৰ ঢাল সাগৰৰ মাজত,
পাব লাগিব সীমান্তৰ পাৰত,
কঁকালত গামোচা মূৰত পাগুৰি,
ঘূৰ্ণী বতাহে ধৰিলে আগুৰি।
প্ৰবল প্ৰতাপী মন মোহিনী,
জীৱনে নিতৌ কান্দে উচুপি,
অক্ষয় অৱস্থাত কালজয়ী মায়া,
সবাকে প্ৰণিপাত বিদায় বেলা।



# অনুগ্ৰহ কৰি মোক হত্যা নকৰিব

— সুজিত সৰকাৰ
প্ৰাক্তন প্ৰশিক্ষাৰ্থী

মোক উপৰ্যুপৰি বেত্ৰাঘাত কৰক
মই জী উঠিম আকৌ এবাৰ,
মোক চাবুকেৰে প্ৰহাৰ কৰক, যিমান পাৰে
মই জী উঠিম আকৌ এবাৰ,
মোক বিহ পান কৰাওঁক ডিঙিলৈকে
নীলকণ্ঠ হৈ মই জী উঠিম আকৌ এবাৰ।

অনুগ্ৰহ কৰি মোক হত্যা নকৰিব!!
দয়া ভিক্ষা মোৰ কোষ্ঠীৰ পৰিপন্থী
তথাপি ভাঙিছো সেই বেৰিকেড
ত্যাগ কৰিছোঁ মোৰ স্বাভিমান।

মই অজ্ঞাত আছিলোঁ আপোনাৰ
সাম্ৰাজ্যৰ নীতি-আদৰ্শৰ,
বিশ্বাসৰ শাস্তি যে প্ৰতাৰণা
মৰমৰ শাস্তি যে নিৰ্বাসন।
অৱশ্যে সেয়া মোৰ অজ্ঞাত।
সেয়েহে...
অনুগ্ৰহ কৰি মোক হত্যা নকৰিব!!
আপোনাৰ আদালতত ন্যায়ৰ
বাবে মকৰল নকৰো কোনো অধিবক্তা
নকৰে কোনেও অৱজেকচন
নাইবা
পুনৰ বিবেচনাৰ আপীল
অনুগ্ৰহ কৰি আপুনি নুশুনাব...
য়ু আৰ গিল্টি...
টু বি হ্যেং আনটিল ডেথ...
অনুগ্ৰহ কৰি জাৰি নকৰিব ব্লেক ৱাৰেণ্ট
নকৰো! আপোনাৰ চৰম
অগণতান্ত্ৰিক সংবিধানৰ অপলাপ...
নানো কোনো সংশোধনী প্ৰস্তাৱ
নকৰো কোনো মাৰ্চি পেটিচন
চৰ্তহীনভাৱে মানি লম হৃদয়ৰ আজীৱন
কাৰাদণ্ড
অনুগ্ৰহ কৰি মোক হত্যা নকৰিব।



# দেৱদাস

— অমিত সিংহ
বি.এড দ্বিতীয় বৰ্ষ

বুজিও নুবুজা নেকি বাৰু তুমি
মোৰ তিক্তপূৰ্ণ জীৱনৰ
কবিতাবোৰ।
শুনিও নুশুনা নেকি বাৰু তুমি
মোৰ বেদনাগধুৰ জীৱনৰ
চিৎকাৰবোৰ।

মইতো বিলীন হৈ থাকোঁ
সুৰাৰ ৰাগীত
নতুবা কোনোৱা বেশ্যালয়ৰ
কোনোবা এখন
মেহগনি পালেঙত।

এই পাৰো...
তুমি ভালে আছাতো?
নাজানো তোমাৰ পূৰ্ণতা ক'ত...?
মইতো তোমাতেই পূৰ্ণ।
আৰু তোমাৰ অনুপস্থিতিত
এই মদেই মোক পূৰ্ণ কৰি ৰাখে।
কিন্তু, এই চন্দ্ৰমুখী...
নাজানো তাইবা ক'ত বিচাৰি পায়
মোৰ মাজত নিজক পূৰ্ণ কৰাৰ থল।

এটা নিচা
ল'ৰালিৰ নিচা
তোমাৰ প্ৰেমত পৰাৰ নিচা
তোমাক ভালপোৱাৰ নিচা
বেয়া নাপাবা
এই নিচাবোৰ আঁতৰাব বাবেই
গঢ়িছো আৰু এক নতুন নিচা
মদ খোৱাৰ নিচা
(তোমাক পাহৰিব বাবে)

চাকনৈয়াৰ মাজত মই
চকুৰে টুপটোপকৈ নিগৰিছে
তপত তপত প্ৰেমৰ টোপাল।

ঘৰ এৰাৰ বেদনা
তোমাক নোপোৱাৰ বেদনা
আৰু ভালপোৱাৰ বেদনা
উহঃ...!

এই পাৰো...
তুমি বাৰু শুনিছানে মোৰ হৃদয়ত বাজি থকা
বেদনাৰ ৰাগ
সা-ৰে-গা-মা- ... (?)
ধিক্কাৰ আহে জানা
হাঁহিব বিচাৰিলেও হাঁহিব নোৱাৰোঁ
কান্দিব বিচাৰিলেও চকুপানী নোলায়।
(কলিজাখনত যেন শেলুৱৈ ধৰিছে)

আজি বিজয়া দশমী
ধূপ-ধূনাত আমোল মোলাব
ঠাকুৰ বাংলা
তোমাৰ লগত নাচিব নোৱাৰিম মই,
গাব নোৱাৰিম মই,
মা-দুৰ্গাৰ আশীৰ্বাদ ল'ব নোৱাৰিম মই।
নৈৰ ঘাটলৈ যাব নোৱাৰিম মই
তুমি অনা 'সন্দেস'ৰ জুতি
ল'ব নোৱাৰিম মই।

পাৰো...
বন্তিগছি এতিয়াও জ্বলাই ৰাখিছানে?
আৰু কিমান দিন জ্বলাই ৰাখিবা?

আৰু কিমান দিন জ্বলি থাকিব ই?
আৰু কিমান অপেক্ষা?

মদ মোৰ প্ৰিয় বন্ধু
মোৰ প্ৰেয়সী
যিয়ে তোমাৰ নিসংগতাৰ মোক সংগ দিয়ে।
তোমাৰ প্ৰেমক পাহৰিবৰ বাবে
মই মদৰ প্ৰেমত পৰিছো
আৰু এই প্ৰেমে মোৰ
তেজ, হাওঁ-ফাওঁ, ধমনী, সিৰা-উপসিৰা
সকলোবোৰ বিকল কৰিব আৰম্ভ কৰিছে।
ৰে'লগাড়ীয়ে ঝক্‌ঝক্ কৈ আগবঢ়াৰ দৰে
ময়ো আগবাঢ়িছো
জীৱনৰ শেষ ষ্টেচনলৈ
মৃত্যুৰ কাষলৈ।

মৃত্যুৰ এপল আগত হ'লেও
মই তোমাক লগ কৰিব পাৰো।
তোমাৰ পদুলিৰ কৃষ্ণচূড়া জোপা
ৰঙা হৈ ফুলিব
ৰঙা হ'ব তাৰ চৌপাশ
তাৰ তলতেই মই শুই পৰিম
তোমাৰ অপেক্ষাত
ধূপ-ধূনা নৈবদ্যৰ গোন্ধই
আমোল-মোলাবো বিজয়া দশমীৰ পূৰাটো।
কৃষ্ণচূড়াৰ ৰঙা ৰঙা পাহিবোৰ
মোৰ গাত সৰি পৰিব
আৰু শেষবাৰৰ বাবে
মই শুধিম তোমাক
"এই পাৰে...
তুমি কেনে আছা?

# তুমি মাথো এটি অনুভৱ

— জেৰিফা আহমেদ
বি. এড. প্ৰথম বৰ্ষ

তোমাৰ মিচিকিয়া হাঁহিত
সাথঁৰ হৈ ৰওঁ মই,
বাৰু বসন্ত আহিব দিয়া
বৰদৈচিলাৰ পৰশ পাই,
শুৱনি হ'ব মোৰ দেহ মন
প্ৰাণ পাই উঠিব মোৰ হৃদয়খন
জোনাকবোৰ বুটলি সপোন ৰচিম।
সজাই ৰাখিম চিৰসেউজ বুকুত,
জীপাল হৈ ৰ'ব, নৱ বসন্তৰ সুৱাসত।
ঠন ধৰি উঠিব সেউজীয়া সুৰীয়া মাতত।
মোহনীয়া কৰি ৰাখিব মোৰ,
মনৰ ফুলনিখন নৱ সাঁজত
সজাল হৈ বিৰিঙাৰ হাঁহিৰ
অনন্ত নিজৰা...
নদী হৈ বৈ যাব গভীৰ ভালপোৱা।

# শিৰোনামা— মই উৰ্মি

— টুবুলু নাথ
বি. এড. প্ৰথম বৰ্ষ

মই অভাগী উৰ্মি
মোৰ শিক্ত নয়ন জুৰি
মোৰ প্ৰাণত ৰিক্ত বেদনা
নেদেখে কোনেও, নুবুজে কোনেও
মোৰ আকুলতা।।
মোৰ প্ৰিয়ায়ো যে নুবুজে মোৰ সেই বেদনা
মইটো বিচৰা নাছিলো
ৰাজঅট্টালিকাৰ সুখ!
দিলা হৈ যদি তুমি চৰণৰ সুখ
গ'লাগৈ তুমি বনবাস
হৈ ৰ'লো মই অন্তবাস।
সহস্ৰ সুখে মোক ঘেৰি ৰাখিছে
ৰুগ্ন হৃদয়ে যে তোমাক বিচাৰে
এৰা বাটতে আছো
অপেক্ষাৰত।
পথত থাকিব পাৰে হেজাৰ কাঁইট
তথাপি থাকিব মোৰ মনত কোমলতা
তোমাৰ লগত
হেজাৰ জনেও উল্লেখ নকৰিলে
জনক নন্দিনীৰ উপস্থিতি
মই আছো প্ৰিয়াৰ শপততে
শপত ৰাখি
নিদ্ৰাৰত।।



# ক'ৰবাতে বৈ থাকিল!

— অংকিতা দেৱী
বি.এড. দ্বিতীয় বৰ্ষ

এই যান্ত্ৰিকতাৰ জগতখনত
মাথোঁ প্ৰতিযোগিতাৰ তোলপাৰ,
সময়ৰ সোঁতক নেওচি
কেৱল জীৱন যুঁজৰ হাহাকাৰ।
এতিয়া সকলো অচিনাকী যেন
চিনাকী চেহেৰা নিচেই ক্ষীণ,
নোহোৱা হ'ল সুখৰ মাদকতা
আছে মাথোঁ ব্যস্ততাৰ বীণ।
একাষৰীয়া আপোন, একাষৰীয়া সপোন
নিৰাশাৰ হুমুনিয়াহজাক সামৰি লৈ,
বুটলি ফুৰিছোঁ জীৱনৰ ৰংবোৰক
বুকুত মাথোঁ জুই একুৰা লৈ।
মন অৰণ্যত সিঁচি ৰখা আশাবোৰ
মোহাৰি পেলোৱা শব্দৰ ইতিহাস,
হৃদয়ৰ একোণত কলি হৈ ফুলিছে
স্মৃতিৰ বান্ধোনেৰে এজাক নতুন হ'বিয়াস।

# মই আজি অন্ধ

— বিকাশ কলিতা
বি. এড. দ্বিতীয় বৰ্ষ

কংক্রিটৰ বননীত আজি চোন
মই এক দুৰ্ভিক্ষ।
পথ বিচাৰি হাবাথুৰি খোৱা
মই এক অন্ধ।
ভাবিছিলো ধন্য হম আই
তোমাৰ চৰণযুগলত
এটুপি সুখৰ চকুলো বোৱাম
তোমাৰ শেতাপৰা দুগালত।
দৰিদ্ৰতাই চোন মোৰ ওপৰত
হেঙাৰ হৈ থিয় দিলে,
কৈশোৰ কালত কৰা ভুলবোৰে
আজি বৰকৈ আমনি কৰিলে।
কাৰোবাৰ প্ৰতিশ্ৰুতিবোৰে হৃদয়ত
দ'কৈ খুন্দিয়ালে,
সঁচা সঁচা লগা মিছাবোৰে মোক
নিশাচৰ কৰি তুলিলে।
কল্পনাৰ সাগৰত ডুবি
নিজকে অন্ধকাৰত ৰাখিলো।
সমাজৰ ৱাস্তৱিকতাবোৰ
এতিয়াহে বুজি পালো।
সপোনবোৰ সপোন হৈ ৰ'ল।
আশাবোৰ নিৰাশা হ'ল
আই তোমাৰ কষ্টবোৰ অথলে গ'ল।
মোৰ মুখ খন আজি আকাশত
তৰা হৈ জিলিকি ৰ'ল।



# আধৰুৱা অতীত

— বেবী খনিকৰ
বি. এড. দ্বিতীয় বৰ্ষ

অতীতৰ পৃষ্ঠাত এভুমুকি মাৰি চাবা বন্ধু
জীৱনৰ আধৰুৱা সপোনৰ কলিবোৰে
বাট বুলি আছে তাহানিৰ আধৰুৱা পৃষ্ঠাত
সংলাপৰ দৰে লগা সুমধুৰ পাঠবোৰ
উভতি নহাৰ পথত আজি
তিতা বাস্তৱৰ মৰহি যোৱা কলিবোৰে
ৰিঙিয়াই মাতে মাথো অতীতৰ মোহনালৈ।
হে আধৰুৱা জীৱন!
ভৱিষ্যতৰ বাট বুলা ৰঙীন পাহিবোৰত
সাৱধানে বাট বুলিবা প্ৰতিটো খোজত
ক্লান্ত সময়ৰ কোলাহল পৃথিৱীত
সকলো যে উভতি নহাৰ পথিক
সপোন তুলিকাৰ মায়ালগা সুৰবোৰে
যন্ত্ৰমুখী মানৱক কাহানিও নিচিনে,
মাথো সময় বৈ যা তই
বাট বুলি যা অতীতৰ ধূলিয়ৰী পৃষ্ঠা।

# Eternal Remembrance : A poetic Tribute to my mother in law.

— **Shyamolima Dutta**
Lecturer

A year and a half gone by,
Since you made your exit.
Yet, the pain doesn't subside
and there's no way to fix it.
In your grace a guiding light, mother in law a heart so bright.
The wisdom shines, and a beacon true
Homage to you with eternal remembrance.
Today you must be enchanting,
Heaven's devellerswith your charm.
And down here we embalm the scars
Rembering your verve in calm.
In the tapestry of life, her threads endure.
A memory's embrace, tender and pure.
Through she may rest in realms unseen
Her guidance and love is forever serene

# B.Ed - A journey

— **Bidyut Jyoti Sarmah**
B.Ed. 2nd year

With books in hand and mind intent,
A boy set forth on a journey bent,
To learn the art of teaching well,
And ring the future's beckoning bell.
His days were filled with books and pens.
With hours of study, again and again,
Yet through the haze he persevered,
His focus sharp, his well unfeared.
He learned of theories and strategies
Of methods to make knowledge breeze,
And practiced lessons day by day,
To see if he could lead the way.
He laughed with friends, and sometimes cried,
As moments came and moments died,
But always knew he had a goal,
To reach for heights and make them whole.
And now as he complets his guest,
B.Ed. degree in his chest,
He looks upon the future bright,
With confidence that he'll take flight.
For he has learned the art of teaching,
The power of knowledge for exceeding,
And knows that he can now be bold,
To shape the futures, yet untold.

# THE NIGHT........

— Semim Nasrina Yesmin
B.Ed. 1st Year

That Night, The moon become brighter
That Night, the wind become colder
That Night, I couldn't sleep at night.
That Night. I only saw your sight.
your voice, my melody
your choice, my fashion
your absence, my elegy
your presence makes me hasten
your eyes so deep,
your tears, my Weep
you look so magical
I lose my thoughts all logical...
That night, I dreamt of you
I'm longing for peace.
That Night, I wished this surreal,
one day, becomes real..



# THE LIFE........

— Abdus Salam
Ex-Student

I stand on my balcony,
Gazing at the setting Sun
Thoughts knock
Of pain and pleasure
Of love and hatred
Of war and peace
I wonder,
'Is life only about these?'
'No ', a voice within replied.
Then-
'What is life?'
'Life is-
How you see,
How you fell,
How you create',the same voice replied.

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—



সোঁৱৰণীৰ আঁত ধৰি ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে মই দেশমাতৃৰ বাবে নিজক উচৰ্গা কৰা প্ৰতিগৰাকী শ্বহীদ বীৰ-বীৰাংগণাক শ্ৰদ্ধাৰে স্মৰণ কৰিছো। তেওঁলোকৰ ত্যাগ আৰু বীৰত্বক জনাইছোঁ সহস্ৰ প্ৰণিপাত আৰু লগতে স্মৰণ কৰিছো সেইসকল মহান ব্যক্তিত্বক, সাহিত্যৰ পূজাৰী সকলক যিসকলৰ সুকৰ্মই আজি বিশ্বৰ দৰবাৰত আমাৰ অসমীয়া জাতিক পৰিচয় কৰাই দিছে।

শ্ৰদ্ধাৰে সুঁৱৰিছো সেই মহান ব্যক্তিসকলক যিসকলৰ অপ্ৰাণ চেষ্টা আৰু দূৰদৰ্শী চিন্তাৰ প্ৰতিফলন স্বৰূপে গঢ়ি উঠিছে এই গৌৰৱময় "কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়"। এই ছেগতে মহাবিদ্যালয় তৰফৰ পৰা মহাবিদ্যালয়খনৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে মই তেওঁলোকলৈ যাচিছোঁ সহস্ৰ প্ৰণিপাত।

সুদীৰ্ঘ ৩০ টা বসন্ত গৰকা আমাৰ এই শিক্ষণ মহাবিদ্যালয়খনৰ ২০২৩-২৪ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে এক গুৰু দায়িত্বৰ বাবে মোক বাচনি কৰি মহাবিদ্যালয়খনৰ হকে কাম কৰাৰ সুযোগকন দিয়া বাবে মই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° অভিজিত দেৱ অধিকাৰী, মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক আৰু মহাবিদ্যালয়খনৰ প্ৰশিক্ষাৰ্থী সকলক ধন্যবাদ জনাইছোঁ।

মোৰ কাৰ্যকালৰ চমু বিৱৰণী ঃ

জ্যেষ্ঠ প্ৰশিক্ষাৰ্থী সকলৰ বিদায়ী সভা ঃ

মোৰ কাৰ্যকালৰ এয়া আছিল প্ৰথম কাৰ্যসূচী। ২০২৩ বৰ্ষৰ জুলাই মাহৰ ৮ তাৰিখে এই বিদায়ী সভা আয়োজন কৰা হয়। জ্যেষ্ঠ প্ৰশিক্ষাৰ্থীসকলৰ ভাৱৰ আদান-প্ৰদান, বিভিন্ন ধৰণৰ সাংস্কৃতিক কাৰ্যসূচী, অধ্যক্ষ মহোদয় তথা শিক্ষক-শিক্ষয়িত্ৰী সকলৰ আশীষ বাক্যৰে এই অনুষ্ঠানটো সামৰণি পেলোৱা হয়।

প্ৰতিষ্ঠা দিৱস ঃ

২ ছেপ্তেম্বৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। ২০২৩ ইং বৰ্ষৰ ২ ছেপ্তেম্বৰত মহাবিদ্যালয়খনে ৩০ টা বসন্ত অতিক্ৰম কৰে। সেই সময়ত আমাৰ প্ৰথম বৰ্ষৰ চূড়ান্ত পৰীক্ষা চলি থকা বাবে প্ৰতিষ্ঠা দিৱস অনুষ্টুপীয়াকৈ উদ্‌যাপন কৰা হয়। পুৱাৰ ভাগত পতাকা উত্তোলন কৰি প্ৰয়াত কৃষ্ণ ৰাম দাস দেৱৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। সন্ধিয়াৰ ভাগত বন্তি প্ৰজ্বলন কাৰ্য্যসূচী ৰখা হয়।

শিক্ষক দিৱস ঃ

এয়া মোৰ কাৰ্য্যকালৰ তৃতীয়টো কাৰ্য্যসূচী। উক্তদিনা আমি প্ৰশিক্ষাৰ্থীসকলে উলহ-মালহেৰে শিক্ষক দিৱস

উদ্‌যাপন কৰো। শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্দ্ধনা, সৰ্বপল্লী ৰাধা কৃষ্ণণৰ প্ৰতিমূৰ্ত্তিত মাল্য অৰ্পণ, বন্তি প্ৰজ্বলন আদি কাৰ্য্যসূচীৰে শিক্ষক দিৱস উদ্‌যাপন কৰা হয়। উক্তদিনাই ২০২৩-২৪ বৰ্ষৰ বাবে নতুন নামভৰ্ত্তিও সমাপন কৰা হয়।

<u>ভূপেন হাজৰিকাৰ মৃত্যু তিথি উদ্‌যাপন</u> ঃ

৫ নৱেম্বৰ তাৰিখে মহাবিদ্যালয়ত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যু তিথি উদ্‌যাপন কৰা হয়। উক্তদিনা শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ আৰু প্ৰশিক্ষাৰ্থী সকলে মহাবিদ্যালয় সমবেত হৈ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। সমবেত সকলোৱে মানুহে মানুহৰ বাবে গীতটি গাই তেওঁক শ্ৰদ্ধাঞ্জলি প্ৰদান কৰো।

<u>নৱাগত আদৰণি সভা</u> ঃ

২০২৩ বৰ্ষৰ ২৯ ছেপ্তেম্বৰ তাৰিখে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাত ড° সংগীতা কাকতি বাইদেউ, শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মৃণাল কুমাৰ বৰুৱা ছাৰ, ৰাধা গোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ জয়ন্ত ডেকা ছাৰ আৰু শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় (TTC) মিৰ্জাৰ অধ্যাপক ড° প্ৰদীপ কলিতা ছাৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। উক্ত নৱাগত সভাত বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান, যোগাসন আদি প্ৰদৰ্শন কৰা হয়। সামৰণি সময়ত দক্ষিণ কামৰূপ অঞ্চলৰ জনপ্ৰিয় কণ্ঠশিল্পী ৰামকিষান দাসৰ সংগীতানুষ্ঠান পৰিৱেশন কৰা হয়।

<u>হাতে লিখা আলোচনী 'জ্ঞানম' উন্মোচন</u> ঃ

২০২২ ইং বৰ্ষৰ পৰা মহাবিদ্যালয়ত 'জ্ঞানম' নামেৰে এখন হাতে লিখা আলোচনী প্ৰকাশ কৰা হয়। এই আলোচনী খনৰ দ্বিতীয়টো সংখ্যা সম্পাদ্বক-দ্বয় হিমাশ্ৰী কাশ্যপ আৰু বিকাশ দাসৰ তত্বাৱধানত প্ৰস্তুত কৰি উলিওৱা হয়। এই আলোচনীখন ১৮ নৱেম্বৰ তাৰিখে অধ্যক্ষ ড° অভিজিত দেৱ অধিকাৰী ডাঙৰীয়াই উন্মোচন কৰে।

<u>বিশ্ব এইড্‌ছ দিৱস</u> ঃ

উক্ত বৰ্ষৰ ১ ডিচেম্বৰ তাৰিখে মহাবিদ্যালয়ত বিশ্ব এইড্‌ছ দিৱস উদ্‌যাপন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ প্ৰশিক্ষাৰ্থী সকলৰ মাজত এখনি বক্তৃতা প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়খনৰ প্ৰশিক্ষাৰ্থীসকলে এইড্‌ছৰ সজাগতাৰ ওপৰত এখনি Short Drama উপস্থাপন কৰে।

<u>মহাবিদ্যালয় সপ্তাহ</u> ঃ

২০২৩ ইং বৰ্ষৰ ডিচেম্বৰ মাহৰ ১১ তাৰিখৰ পৰা ১৮ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হয়। ১১ তাৰিখৰ ৰাতিপুৱা পতাকা উত্তোলন কাৰ্য্যসূচীৰে মহাবিদলয় সপ্তাহৰ আৰম্ভণি হয়। ইয়াৰ পিছত মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'ৰেঙনি' উন্মোচন কৰা হয়। এই বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত প্ৰথম বাৰৰ বাবে একাংকিকা নাটক প্ৰতিযোগিতাৰ আয়োজন কৰা হয় আৰু ইয়াত ২২ টি দলে অংশগ্ৰহণ কৰে। এই মহাবিদ্যালয় সপ্তাহত প্ৰশিক্ষাৰ্থী সকলৰ সুপ্ত প্ৰতিভা বিকাশৰ বাবে বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ১৬ ডিচেম্বৰত বাৰেবৰণীয়া সাংস্কৃতিৰ শোভাযাত্ৰা অনুষ্ঠিত কৰা হয়। য'ত গাঁৱলীয়া কৰ্ম সংস্কৃতি, সমাজ-সংস্কৃতিত বিজ্ঞানৰ প্ৰভাৱ, দক্ষিণ কামৰূপৰ লোক সংস্কৃতি আদি বিভিন্ন ধৰণৰ সংস্কৃতিক প্ৰদৰ্শন কৰা হয়। ১৮ ডিচেম্বৰত বঁটা বিতৰণী সভা আৰু সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা এডৱাৰ্ড ষ্টেডি এণ্ড চাংমা ছাৰ, গ্ৰামীন চাহাবাৰ CEO শৰৎ চন্দ্ৰ দাস ছাৰ আৰু মিৰ্জা DIET ৰ অধ্যক্ষ ড° পংকজা বৰুৱা বাইদেৱো উপস্থিত থাকে। এওঁলোকৰ উপস্থিতিয়ে বঁটা বিতৰণী সভাৰ সৌষ্ঠৱ বৰ্দ্ধণ কৰে। লগতে বামুণীগাঁও হাইস্কুল, গোবৰ্ধন হাইস্কুল, মহাশ্বেতা বিদ্যামন্দিৰৰ লগতে আন কেইবাখনো বিদ্যালয়ৰ প্ৰধান শিক্ষক এই সভাত উপস্থিত থাকে।

<u>সৰস্বতী পূজা</u> ঃ

মহাবিদ্যালয়ৰ কাৰ্য্যসূচীবোৰৰ ভিতৰত এক অন্যতম প্ৰধান কাৰ্য্যসূচী এই সৰস্বতী পূজা। ২০২৪ বৰ্ষৰ ১৪ ফেব্ৰুৱাৰীত আমি সমূহ প্ৰশিক্ষাৰ্থী আৰু শিক্ষক-শিক্ষয়িত্ৰী বৃন্দই উলহ-মালহেৰে এই সৰস্বতী পূজা পালন কৰো।

<u>প্ৰাক্তন প্ৰশিক্ষাৰ্থী সমিতি গঠন</u> ঃ

২০২৪ বৰ্ষৰ ...... তাৰিখে কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি যোৱা প্ৰশিক্ষাৰ্থী বৃন্দক লৈ এখন প্ৰাক্তন প্ৰশিক্ষাৰ্থী সন্মিলন গঠন কৰা হয়। এই সভাত সমিতিখনৰ সভাপতি পুলকেশ শৰ্মা, কাৰ্যকৰী সভাপতি দিলবৰ হুচেনি, নিপু ৰাভা, উপসভাপতি ড° ছাহিদুল ইছলাম আৰু হিতুমণি নাথ, সম্পাদক ময়দুৰ ৰহমান মণ্ডল , সহঃ সম্পাদ্বক-দ্বয় আৰ্জিনা আলী আৰু সুজিত সৰকাৰ, কোষাধ্যক্ষদ্বয় হাফিজুৰ ৰহমান আৰু কৰিশ্মা দাস, উপদেষ্টামণ্ডলী হৰিমতি কলিতা, ৰঞ্জু দাস শাৌলে, প্ৰণিতা দাস, কল্যাণী মহন্ত, জুনটি দাস শাৌলে, জুৰি দাসক দায়িত্ব অৰ্পন কৰা হয়।

<u>আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস</u> ঃ

২০২৪ ইং বৰ্ষৰ ২১ ফেব্ৰুৱাৰীত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস উদ্‌যাপন কৰা হয়। উক্ত দিনা অধ্যক্ষ ড° অভিজিত দেৱ অধিকাৰী দেৱৰ সভাপতিত্বত এখনি মুকলি সভা আয়োজন কৰা হয়। এই বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱসৰ Theme হ'ল — "Multilanguage Education is a pillar of intergenerational learning." — উক্ত বিষয়ৰ ওপৰত ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলে চিন্তাগধুৰ বক্তব্য আগবঢ়ায়।

<u>আন্তঃ বি.এড. কলেজ কুইজ প্ৰতিযোগিতা</u> ঃ

২০২৪ বৰ্ষৰ ৭ মাৰ্চ তাৰিখে কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ প্ৰাক্তন প্ৰশিক্ষাৰ্থী সন্মিলনীৰ দ্বাৰা এখনি আন্তঃ বি.এড. কলেজ কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। উক্ত প্ৰতিযোগিতাত মুঠ ২৪ টি দলে অংশ গ্ৰহণ কৰে। এই প্ৰতিযোগিতাত নলবাৰী বি.এড কলেজ প্ৰথম, বকো বি.এড. কলেজ দ্বিতীয় আৰু আমাৰ মহাবিদ্যালয়ে তৃতীয় স্থান অধিকাৰ কৰে। এই ছেগতে কুইজ প্ৰতিযোগিতাখন অনুষ্ঠিত কৰাত সহায় কৰা সমূহ প্ৰাক্তন প্ৰশিক্ষাৰ্থীক মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

<u>আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস</u> ঃ

চলিত বৰ্ষৰ ৮ আৰু ৯ মাৰ্চ তাৰিখত ২ দিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদ্‌যাপন কৰা হয়। এই বৰ্ষৰ নাৰী দিৱসৰ Theme হ'ল — "Invest in woman : Accelerate progewss." — উক্ত বিষয়ৰ ওপৰত শিক্ষক-শিক্ষয়িত্ৰী তথা শিক্ষাৰ্থীসকলে নিজৰ নিজৰ চিন্তাগধুৰ বক্তব্য আগবঢ়ায়।

বিশ্ব থিয়েটাৰ দিৱস : ২৭ মাৰ্চ তাৰিখে পশ্চিম গুৱাহাটী শিক্ষণ মহাবিদ্যালয় এ **বিশ্ব থিয়েটাৰ দিৱস** উপলক্ষে এখনি ছুটি নাটক প্ৰতিযোগিতা আয়োজন কৰে। উক্ত প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ পৰা দুটি দলে অংশগ্ৰহণ কৰে। উক্ত প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ প্ৰশিক্ষাৰ্থী চুমকি দাস আৰু পমী শীলৰ নেতৃত্বত প্ৰদৰ্শন কৰা নাটক 'মন কৰিলে চন বাকৰি মাটিতে ধন' নামৰ নাটকখনে বিচাৰকৰ বিশেষ বঁটা পাবলৈ সক্ষম হয় আৰু মোৰ নেতৃত্বত প্ৰদৰ্শন কৰা 'শেষ দস্তাবেজ' নাটকখনে দ্বিতীয় পুৰষ্কাৰ পাবলৈ সক্ষম হয়। উক্ত প্ৰতিযোগিতা খনত মই শ্ৰেষ্ঠ অভিনেতাৰ বঁটা পাবলৈ সক্ষম হওঁ। সেই মুহূৰ্তটো আমাৰ আটাইৰে বাবে আছিল বহুত উল্লাসৰ। এই ছেগতে আমাক দিহা পৰামৰ্শ দি নাটক দুখন কৰাত সহায় কৰা ভূপালী কলিতা বাইদেউ আৰু মহেশ পাল ছাৰক অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

<u>ধন্যবাদেৰে কৃতজ্ঞতা</u> ঃ

পোন প্ৰথমে ধন্যবাদ জনাইছোঁ অধ্যক্ষ ড° অভিজিত দেৱ অধিকাৰী ছাৰক লগতে ধন্যবাদ জনাইছোঁ মহাবিদ্যালয়ৰ

শিক্ষক-শিক্ষয়িত্ৰী বৃন্দক। তেওঁলোকৰ উপদেশ আৰু বিশ্বাসে মোক মোৰ দায়িত্ব পালন কৰাত যথেষ্ট উৎসাহিত কৰিছিল। ধন্যবাদ জনাইছোঁ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক। যাৰ সহযোগিতা অবিহনে কামবোৰ সুচাৰুৰূপে পৰিচালনা কৰা সম্ভৱপৰ নাছিল। ধন্যবাদ জনাইছো সহঃ সাধাৰণ সম্পাদক দীপজ্যোতি কলিতাক যাৰ সহযোগিতাই মোক কামবোৰ সুচাৰুৰূপে পৰিচালনা কৰাত যথেষ্ট উৎসাহিত কৰিছিল। ধন্যবাদ জনাইছোঁ হিৰক, বিকাশ, জীৱন, সয়ানী বিন্দাবন, পংখী, পূৰ্বাশ্ৰী, — যিসকলে সকলো সময়তে মোৰ লগত ছাঁৰ দৰে লাগি থাকিছিল। ধন্যবাদ জনাইছোঁ বাবলু, কেশৱ, মৃদু, মানস, ভাস্কৰ, ৰূপক, ৰাজা, হীৰক, ৰতন, মুজামিল, দিব্যজ্যোতি, সুদৰ্শন, ছলেমান, কৃতিদিপ্ত, চেমিম, আজমুল লগতে প্ৰথম বৰ্ষৰ সমূহ প্ৰশিক্ষাৰ্থীক যিসকলে মহাবিদ্যালয়ৰ সকলো ধৰণৰ কাম-কাজৰ সহায়ৰ হাত আগবঢ়াইছিল। শ্ৰদ্ধাৰ ভাৰত খুড়া আৰু সদানন্দ ছাৰক তেওঁলোকৰ বহুমূলীয়া দিহা পৰামৰ্শৰ বাবে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। ধন্যবাদ জনাইছোঁ মহাবিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী প্ৰদীপ দাস, ৰীণা বড়ো আৰু জীতেন দাস ডাঙৰীয়াক। যিসকলে মঞ্চ বনোৱাৰ পৰা আদি কৰি সকলো ধৰণৰ কামতে সহায় আগবঢ়াইছে। ধন্যবাদ জনাইছোঁ নিতেন শালৈ, মালতী শালৈ আৰু কেণ্টিনৰ সমূহ কৰ্মচাৰীক যিয়ে মহাবিদ্যালয়ৰ সকলো ধৰণৰ অনুষ্ঠানৰ সময়ত চাহ-জলপানৰ যোগান ধৰিছিল।

সামৰণি ঃ

প্ৰতিবেদনৰ শেষত, আশা কৰো কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ে মানৱ সম্পদ গঢ়ি তোলা শশ মহান শিক্ষকৰ জন্ম দিয়ক, যিসকলে যুগৰ পিছত যুগ ধৰি সমাজত শিক্ষাৰ আলোড়ণেৰে সৃষ্টি কৰিব এক নতুন দিগন্তৰ। সদৌ শেষত অবাঞ্চিত ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনা বিছাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

বিনম্ৰতাৰে —

অমিত সিংহ

সাধাৰণ সম্পাদক

ছাত্ৰ একতা সভা, ২০২৩-২৪

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন —



প্ৰতিবেদনৰ পাতিনতে সেই মহান মনিষীসকললৈ শ্ৰদ্ধা নিবেদিছোঁ, যাৰ চিন্তাধাৰাত ১৯৯৩ চনত বৃহৎ ঐতিহ্যমণ্ডিত ছয়গাঁও অঞ্চলত শিক্ষণ-প্ৰশিক্ষণ কেন্দ্ৰ কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ জন্ম হৈছিল। লগতে জ্ঞান আৰু প্ৰজ্ঞাৰ আধাৰত এই মহাবিদ্যালয়খনে ১৯৯৩ চনৰ পৰা আজিৰ সময়লৈকে শিক্ষা, সাহিত্য, সংস্কৃতি আদি সকলো দিশত ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত আগবঢ়াই নিয়াত এই পবিত্ৰ জ্ঞানৰ মন্দিৰৰ লগত জড়িত হৈ অহা শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল আৰু কৰ্মচাৰীসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মহাবিদ্যালয়ে নিৰ্বাচন কৰা ছাত্ৰ একতা সভাৰ 'সহঃ সম্পাদক'ৰ পদটিত অধিষ্ঠিত কৰোৱাৰ বাবে মহাবিদ্যালয়ৰ ওচৰত আজীৱন কৃতজ্ঞ হৈ ৰ'ম। মহাবিদ্যালয়ৰ আটাইৰে বিশ্বাস আৰু সহায়-সহযোগিতাৰে মই মোৰ কাৰ্যকালত কিছু কাৰ্যসূচী পালন কৰিছিলো।

মোৰ প্ৰথম কাৰ্যসূচী, ২০২৩ ইং বৰ্ষৰ ৮ জুলাই তাৰিখে জ্যেষ্ঠ প্ৰশিক্ষাৰ্থী বিদায় সভা। এই দিনটোৰ কাৰ্যসূচী হিচাপে জ্যেষ্ঠ প্ৰশিক্ষাৰ্থী সকলৰ ভাব-বিনিময়, বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী আৰু অধ্যক্ষ মহোদয় লগতে ছাৰ-বাইদেউ সকলে ভাষণ ৰাখি পিছলৈ অনুষ্ঠানটো সামৰণি পেলোৱা হয়।

২ ছেপ্তেম্বৰ, মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। ২০২৩ ইং বৰ্ষত মহাবিদ্যালয় খনে ৩০ টা বসন্ত পাৰ কৰিলে। ৰাতিপুৱা কাৰ্যসূচীত সভাপতি মহোদয় বানেশ্বৰ দাস ছাৰে পতাকা উত্তোলন কৰে আৰু গধূলি বন্তি প্ৰজ্বলন কৰা হয়।

প্ৰত্যেক বৰ্ষৰ দৰে মহাবিদ্যালয় শিক্ষাৰ্থীসকলৰ সহযোগত ৫ ছেপ্তেম্বৰ তাৰিখে অনুষ্ঠিত কৰা হয় শিক্ষক দিৱস। উক্তদিনা নিৰ্বাচিত প্ৰশিক্ষাৰ্থীসকলে বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠানৰ লগতে শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ সম্বৰ্দ্ধনা জনোৱা হয়।

নৱাগত আদৰণি সভা মহাবিদ্যালয়ৰ প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীৰে হেপাহৰ দিন। ২০২৩ ইং বৰ্ষৰ ২৯ ছেপ্তেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাত বিশেষ সমল ব্যক্তি ড° সংগীতা কাকতি বাইদেউ, ড° মৃণাল কুমাৰ বৰুৱা ছাৰ (শ্ৰীমন্ত শংকৰদেৱ বিশ্ব বিদ্যালয়ৰ পঞ্জীয়ক), জয়ন্ত ডেকা (ৰাধা গোবিন্দ বৰুৱা মহাবিদ্যালয়) আৰু মূখ্য অতিথি হিচাপে ড° প্ৰদীপ কলিতা ছাৰ (শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় TTC, মিৰ্জা) উপস্থিত থাকে। নৱাগত আদৰণি সভাত নৱাগতক আদৰণিৰ লগতে বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান, যোগাসন আদি প্ৰদৰ্শন কৰে।

২০২৩ ইং বৰ্ষৰ ১৮ নৱেম্বৰ তাৰিখে 'জ্ঞানম'ৰ দ্বিতীয় সংখ্যক হাতে লিখা আলোচনী ড° অধিকাৰ ছাৰে শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে শিক্ষক প্ৰশিক্ষাৰ্থীৰ উপস্থিতিত উন্মোচন কৰে।

প্ৰতিটো বছৰৰ দৰে ১ ডিচেম্বৰ তাৰিখে মহাবিদ্যালয়ত 'বিশ্ব এইড্‌চ দিৱস' উদ্‌যাপন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি চিত্ৰাংকন প্ৰতিযোগিতা আৰু বক্তৃতা প্ৰতিযোগিতাৰ লগতে এইড্‌ছৰ সজাগতা বিষয়ত আলোচনা কৰে।

২০২৩ ইং বৰ্ষৰ ডিচেম্বৰ মাহৰ ১১ তাৰিখৰ পৰা ১৮ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হয়। প্ৰথম দিনা পতাকা উত্তোলনৰ লগতে প্ৰাচীৰ পত্ৰিকা (ৰেঙণী) উন্মোচন কৰে। ইয়াৰ পিছতেই মহাবিদ্যালয় সপ্তাহৰ লগত

সংগতি ৰাখি বিভিন্ন বিভাগৰ তৰফৰ পৰা বিভিন্ন ধৰণৰ প্ৰতিযোগিতা আয়োজন কৰা হৈছিল। মহাবিদ্যালয়ৰ সপ্তাহত একাংকিকা নাটৰ লগতে প্ৰতিযোগিতামূলক 'সাংস্কৃতিক শোভাযাত্ৰা'ত প্ৰশিক্ষাৰ্থীসকলে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। কিয়নো সেইদিনাখন পৰিবেশনত অসমৰ বাবে ৰহণীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰদৰ্শন কৰিছিল। স্থান প্ৰাপ্ত প্ৰতিযোগীসকলক পুৰষ্কৃত কৰিবলৈ ২০২৩ ইং বৰ্ষৰ ১৮ ডিচেম্বৰ তাৰিখে বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হৈছিল আৰু বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ মাজেৰে মহাবিদ্যালয় সপ্তাহৰ সামৰণি পৰে।

যোৱা কেইবেলিৰ দৰে এই বেলিও ২০২৪ ইং বৰ্ষৰ ১৭ জানুৱাৰী তাৰিখে মহাবিদ্যালয়ত শিল্পী দিৱস উদ্‌যাপন কৰা হয়। এই দিবসৰ লগত সংগতি ৰাখি বন্তি প্ৰজ্বলন কৰে ৰেখামণি ডাকুৱা বাইদেৱে।

সৰস্বতী পূজা, মহাবিদ্যালয়ৰ আন এটা প্ৰধান কাৰ্যসূচী। ২০২৪ ইং বৰ্ষৰ ১৪ ফেব্ৰুৱাৰী তাৰিখে শিক্ষক-শিক্ষয়িত্ৰী বৃন্দ আৰু সমূহ প্ৰশিক্ষাৰ্থীয়ে উলহ-মালহেৰে সৰস্বতী পূজা পালন কৰে।

২০২৪ ইং বৰ্ষৰ ২১ ফেব্ৰুৱাৰী তাৰিখে আন্তঃৰাষ্ট্ৰীয় মাতৃ ভাষা দিৱস উদ্‌যাপন কৰা হয়। এই দিনটোত ড° অভিজিৎ দেৱ অধিকাৰী ছাৰৰ সভাপতিত্বত এখন মুকলি সভাৰ আয়োজন কৰা হয়। শিক্ষক-শিক্ষয়িত্ৰী তথা প্ৰশিক্ষাৰ্থী সকলে এই বাৰৰ চিন্তনীয় বিষয় "সাম্প্ৰতিক কালত মাতৃভাষাৰ গুৰুত্ব আৰু তাৎপৰ্য "ৰ ওপৰত বক্তব্য আগবঢ়ায়।

প্ৰথম বাৰৰ বাবে ২০২৪ বৰ্ষৰ ৭ মাৰ্চ তাৰিখে কৃষ্ণৰাম দাস মহাবিদ্যলয়ত প্ৰাক্তন শিক্ষাৰ্থীসকলে আন্তঃ বি.এড. কলেজ কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰে।

আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ লগত সংগতি ৰাখি ২০২৪ বৰ্ষৰ ৮ আৰু ৯ মাৰ্চ তাৰিখে ২ দিনীয়া কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদ্‌যাপন কৰা হয়। শিক্ষক-শিক্ষয়িত্ৰী তথা প্ৰশিক্ষাৰ্থীসকলে এইবাৰৰ চিন্তনীয় বিষয় "Invest in womean Acelenate progress" বিষয়ৰ ওপৰত নিজৰ নিজৰ বক্তৃতা আগবঢ়াই আৰু নাৰী দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচীৰে সামৰণি পৰে।

কৃতজ্ঞতা ঃ

আমাৰ কাৰ্যকালত বিভিন্ন দিশত সহায়-সহযোগিতা তথা পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় ড° অভিজিৎ অধিকাৰী ছাৰ, শিক্ষাগুৰুবৃন্দ লগতে ভাৰত খুৰা, সদানন্দ ছাৰক ধন্যবাদ জ্ঞাপন কৰিলো। ইয়াৰোপৰি ধন্যবাদ জনাইছো মোৰ লগত ছাঁৰ দৰে লাগি থকা ভাতৃতুল্য ধ্ৰুৱজ্যোতি কলিতাক। যাৰ সহযোগত কামবোৰ পৰিচালনা কৰাত সম্ভৱপৰ হৈ উঠিছিল। ধন্যবাদ জনাইছো অজিত, বনশ্ৰী, বিকাশ, ডেভিদ, ৰঞ্জিত, চয়ানিকা, বিপুল, হিৰক, হিমাশ্ৰী মজুমদাৰ, ৰতন, হিৰক, সুদৰ্শন আৰু ছাত্ৰ একতা সভাৰ সমূহ সদস্যক।

সদৌ শেষত আমাৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি আৰু কৃষ্ণৰাম শিক্ষণ মহাবিদ্যালয়ৰ উত্তৰণ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়"
জয়তু ছাত্ৰ একতা সভা

বিনম্ৰতাৰে —
দীপজ্যোতি কলিতা
সহঃ সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা
কৃষ্ণৰাম মহাবিদ্যালয়, ছয়গাঁও

# সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—



প্ৰতিবেদনৰ আদিতে সেইসকল মহৎ আৰু চিৰ নমস্য ব্যক্তিলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছোঁ যিসকলৰ মহান কৰ্মৰাজি আৰু প্ৰচেষ্টাৰ ফলত কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ সৃষ্টি হৈছিল। তেওঁলোকৰ আশাসুধীয়া চেষ্টা আৰু সময়ৰ গতিত আগবঢ়া চিন্তাৰাজিৰ বাবেই আমি এখন উল্লেখযোগ্য শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় লাভ কৰিবলৈ সক্ষম হ'লো, যি মহাবিদ্যালয়ে প্ৰতিটো বছৰত সমাজৰ মেৰুদণ্ডস্বৰূপ আৰু অয়নস্বৰূপ সম্পদৰ সৃষ্টি কৰি আহিছে। এনে এখন শৈক্ষিক অনুষ্ঠানৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুবৃন্দৰ নিৰ্বাচন ক্ৰমে ২০২৩-২৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ সম্পাদকৰ দায়িত্ব আমাৰ শিৰত পৰে। তেওঁলোকে আমাক এই বিভাগৰ দায়িত্ব গ্ৰহণ কৰাৰ ক্ষেত্ৰত উপযুক্ত বুলি ভাৱি যি বিশ্বাস আৰু দায়িত্ব আমাৰ হাতত দিয়ে, তাৰ বাবে আমি তেওঁলোকৰ ওচৰত চিৰঋণী তথা কৃতজ্ঞ।

সাহিত্য বিভাগৰ দায়িত্ব লোৱা কাৰ্যকালত মহাবিদ্যালয়খনত এক সুস্থ, উৎকৃষ্ট সাহিত্যিক পৰিৱেশৰ যাতে সৃষ্টি হয় তাৰ বাবে আমি কিছুমান কামত আত্মনিয়োগ কৰিছিলো। শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শিক্ষকবৃন্দৰ লগতে বি.এড সমূহ প্ৰশিক্ষাৰ্থীৰ তৰফৰ সহযোগত আমি প্ৰথমবাৰৰ বাবে **'জ্ঞানম্'** হাতেলিখা আলোচনী প্ৰস্তুত কৰি উলিয়াইছিলো।

এই চেগতে আলোচনীখন প্ৰস্তুত কৰাত সহায় কৰা প্ৰতিগৰাকী ব্যক্তিলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো আৰু এই হাতে লিখা আলোচনীখনৰ পৰম্পৰা অটুট ৰাখিবলৈ আমাৰ উত্তৰ প্ৰশিক্ষাৰ্থীক এই কলমৰ দ্বাৰাই অনুৰোধ জনালোঁ। প্ৰতিটো বৰ্ষত আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা **মহাবিদ্যালয় সপ্তাহত** আমাৰ বিভাগৰ তৰফৰ পৰা বহুতো প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'ৰেঙণি'ত এক বহুচৰ্চিত নতুন বিষয় **'কৃত্ৰিম বুদ্ধিমত্তা'**ৰ কিছু চমু আভাষ আমি দেখুৱাবলৈ যত্ন কৰিছিলোঁ। তাৰ লগতে আমাৰ কাৰ্যকালত আন্তৰ্জাতিক মাতৃভাষা দিৱস, সদৌ অসম আন্তঃ বি.এড কলেজ কুইজ প্ৰতিযোগিতা আদিও সুকলমে অনুষ্ঠিত হয়। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ প্ৰশিক্ষাৰ্থীৰ যি যোগাত্মক সহাঁৰি, সেয়াই আমাক অতিকৈ উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ সাহিত্যৰ প্ৰতি থকা অনুৰাগে আমাক নথৈ আনন্দিত কৰি তুলিছিল আৰু এই প্ৰেৰণা আৰু উৎসাহৰ ফলতেই আমি মহাবিদ্যালয়ৰ মুখপত্ৰ কাঁচিয়লিৰ সম্পাদনা কৰিবলৈ আগবাঢ়িছিলো আৰু এইদৰেই আমাৰ সাধ্যানুসৰি মহাবিদ্যালয়ৰ সাহিত্যৰ দিশটো আগুৱাই নিবলৈ যত্নপৰ হৈছিলো।

শেষত, আমাৰ এই এবছৰীয়া যাত্ৰাত আমাক নিৰ্বাচিত কৰা, সহায়-সহযোগিতা আগবঢ়োৱা, ধনাত্মক দিহা-পৰামৰ্শ আগবঢ়োৱা অধ্যক্ষ মহোদয়, আমাৰ সমূহ শিক্ষক বৃন্দ তথা সমূহ প্ৰশিক্ষাৰ্থী বিশেষকৈ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক অমিত সিংহ, সাংস্কৃতিক সম্পাদক সৌৰভ দাস, খেল বিভাগৰ সম্পাদক বিকাশ কলিতা আৰু মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ব্যক্তিলৈ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো লগতে এই প্ৰতিবেদন আৰু আমাৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰিলোঁ।

"জয়তু কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়"

বিনম্ৰতাৰে —
**হিমাশ্ৰী কাশ্যপ**
**বিকাশ দাস**
সাহিত্য বিভাগৰ সম্পাদকবৃন্দ
ছাত্ৰ একতা সভা, ২০২৩-২৪

# An Annual Report from Cultural Secretaries-



At the outset of this annual report, I'd like to pay my heartfelt gratitude to all the great human beings and visionary individuals whose unwavering dedication and foresight, valor and sacrifice laid the foundation for generations of learning and growth in the form of this esteemed teacher training college.

My deepest gratitude goes to our respected principal, Dr. Abhijit Dev Adhikary and the teaching staff of this institution for giving me this opportunity to serve as the cultural secretary of this college. I'd like to grab this opportunity to also thank all the teacher trainess and the non-teaching staff of this institution for their suggestions and cooperation.

On September 29th, 2023, the freshmen social event was held to celebrate and welcome the fresh faces with a day-long programme. The event was inaugurated by the President of the governing body of the institution Mr. Baneswar Das by hoisting the college flag. Martyr's tribute was paid by the respected member of the governing body Mr. Tarini Ch. Kalita and the stage opening for the cultural programme was done by the respected Principal Dr. Abhijit Dev Adhikary.

In the freshmen social event, as Chief Guest was present respectable Dr. Mrinal K. Bora, registrar, Mahapurush Srimanta Sankardeva University, retd. professor, Biswanath College, retd. professor , Chhaygaon College. As Special Guest was present respectable Dr. Jayanta Deka , *Axom Bhakha Baibhav* awardee as well as asst. professor of Radhagovinda Baruah College; and Dr. Pradeep Kalita, retd. controller of examination, AHSEC cum professor, Teacher's Training College, Mirza. As invited guest, Mr. Rekibuddin Ahmed, MLA, Chhaygaon constituency was present.

Moreover, the mass orientation program/event of the college was held from 11th December to 18th December. On this occasion, various cultural events and competitions were arranged by the cultural department. On 16th December, as ending of the mass orientation event, a colourful cultural rally was arranged with the cooperation and participation of all the trainees, teaching and non-teaching staff of the college. On 18th December, a day-long prize distribution event was held in relation with the mass orientation event.

On 27th March 2024, an 'Inter B.Ed. College Short Play Competition' was held in West Guwahati College of Education, Pandu. Two teams from our college participated in that competition. Both the teams were able to grab two prizes- the 2nd best team award

and judge's special award. Also, Amit Singha, the trainee of 2nd year of B.Ed. from our college was able to grab the 'Best Actor' award.

As we reflect on the accomplishments of the past year, we also look forward to the future with ambition and optimism and I am confident that our college will continue to serve as a platfrom for not only teaching and learning purposes but also for expression, freedom and creativity, reflecting the diverse voices and experiences of our college community.

Lastly, I extend my heartfelt thanks to everyone who contributed with their suggestions and cooperation for the successful and smooth conduct of my term as cultural secretary. Without your constant guide, efforts and suggestions it would have been a tough nut to crack. Together, let us continue to celebrate diversity, creativity and excellence in all our endeavors,

"Long Live K.R.D. Colege of Education."

**Sourabh Das**
**Chayanika Kalita**
Cultural Secretaries
House of Union, 2023-24

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন-



'লুইতৰ পাৰৰে আমি ডেকা ল'ৰা
মৰিবলৈ ভয় নাই।
মুকুতি-মেধৰ মহান মেজিৰ
নেজাল ফিৰিঙতি ছাই'

— জ্যোতি প্ৰসাদ আগৰৱালা।

জয় জয়তে প্ৰতেবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলত কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ জন্ম হৈছিল, সেইসকল ব্যক্তিলৈ নমন জনাই আমাৰ ফালৰ পৰা আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ আশীৰ্বাদ শিৰত লৈ এই মহাবিদ্যালয়ৰ ২০২৩-২৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ খেল সম্পাদক/সম্পাদিকাৰ পদত অধিষ্ঠিত কৰোৱাৰ বাবে আজীৱন আপোনাসবৰ ওচৰত কৃতজ্ঞ হৈ ৰ'ম।

মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ যিকোনো বিভাগৰ সম্পাদকৰ প্ৰথম আৰু প্ৰধান উদ্দেশ্য হৈছে নিজৰ বিভাগীয় কাম-কাজসমূহৰ উপৰিও বিভিন্ন ক্ষেত্ৰত ছাত্ৰ-একতা সভাৰ অন্যান্য বিষয়ববীয়াসকলৰ লগত মহাবিদ্যালয়ৰ বিভিন্ন ক্ষেত্ৰৰ উন্নতিত অৰিহণা যোগোৱা। এই উদ্দেশ্য আগত ৰাখিয়েই আমি খেল বিভাগৰ সম্পাদক আৰু সম্পাদিকা হিচাপে নিজৰ সেৱা আগবঢ়াবলৈ চেষ্টা কৰিছিলোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই আমাৰ প্ৰথম কাৰ্যসূচী আছিল অগ্ৰজসকলৰ বিদায়ী সভা। বিদায়ী সভা সুকলমে সম্পন্ন হৈ যোৱাৰ পিছতেই কাৰ্যসূচী আছিল নৱাগত আদৰণি সভা, সৰস্বতী পূজা, শিক্ষক দিৱস, প্ৰতিষ্ঠা দিৱস, মহান পুৰুষসকলৰ জন্মবাৰ্ষিকী, আদি বিভিন্ন অনুষ্ঠান মহাবিদ্যালয়ৰ সমূহ পৰিয়াল একত্ৰিত হৈ সুকলমে অনুষ্ঠিত কৰা হৈছিল।

আমাৰ এই. বি. এড মহাবিদ্যালয়ৰ অন্যতম আন এক দিশ হৈছে বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ। আমাৰ এই মহাবিদ্যালয়ে প্ৰতিবছৰে অনুষ্ঠিত কৰাৰ দৰে এইবেলিও মহাবিদ্যালয় সপ্তাহখনি ১১ ডিডেম্বৰৰ পৰা ১৮ ডিচেম্বৰলৈ সুকলমে অনুষ্ঠিত কৰে। মহাবিদ্যালয় সপ্তাহখনি সুচাৰুৰূপে চলাই নিয়াত আমাক বিভিন্ন দিশৰ পৰাই সহায় আৰু পৰামৰ্শ দিয়া তত্বাৱধায়ক শ্ৰীযুতা দুলুমণি মেধি কলিতা বাইদেউ আৰু শ্ৰীযুত সদানন্দ দাস চাৰৰ লগতে সমূহ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দক আমাৰ ফালৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আমাৰ কাৰ্যকালৰ প্ৰতিটো দিশত সহায় সহযোগিতা আগবঢ়াই অহা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াসকলৰ লগতে মোৰ সমূহ বন্ধু-বান্ধৱীসকলৰ লগতে মোৰ সমূহ বন্ধু-বান্ধৱীলৈ লগতে মহাবিদ্যালয়ৰ কৰ্মচাৰী প্ৰদীপ দাসক বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত আমাৰ কাৰ্যকালৰ সময়ছোৱাত অজানিতে হৈ যোৱা ভুল-ক্ৰটিৰ বাবে ক্ষমা মাৰ্জনা বিচাৰি আৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয়তু কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়'

বিনম্ৰতাৰে—

**বিকাশ কলিতা**
**কংকনা তামুলী**
সম্পাদকদ্বয়, খেল বিভাগ
ছাত্ৰ একতা সভা, ২০২৩-২৪

# সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন —





প্ৰতিবেদনৰ পাতনিতে সেইসকল মহান ব্যক্তিলৈ শ্ৰদ্ধা নিবেদিছো যাৰ প্ৰচেষ্টাত গঢ় লৈ তথা প্ৰাণ পাইছে কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ে। সময়ৰ ধাৰা বোৰতী নদী সদৃশ। এই মহান শিক্ষানুষ্ঠান খন প্ৰাণ পায় উঠিছিল ১৯৯৩ চনত। স্থাপিত চনৰে পৰা আজিৰ সময় লৈ শৈক্ষিক, সাহিত্যিক, সাংস্কৃতিক, নৈতিক, বৌদ্ধিক দিশৰ সমন্বয়ৰ জৰিয়তে তথা এই মহান শিক্ষাৰ মন্দিৰৰ নিয়োজিত হৈ অহা পৰম শ্ৰদ্ধাৰ সন্মানীয় অধ্যক্ষ, শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দলৈ মোৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা শ্ৰদ্ধা নিবেদিছো।

ঐতিহ্যমণ্ডিত ছয়গাঁওৰ বিশিষ্ট সমাজ সেৱক কৃষ্ণৰাম দাস দেৱৰ অৱিহনাত প্ৰাণ পাই উঠিছিল এই মহাবিদ্যালয় খনি। মহাবিদ্যালয়ে নিৰ্বাচন কৰা ছাত্ৰ একতা সভাৰ 'সমাজ সেৱা সম্পাদক'ৰ পদটিত অধিষ্ঠিত কৰোৱাৰ বাবে মই মহাবিদ্যালয়ৰ ওচৰত চিৰকাল কৃতজ্ঞ হৈ ৰম।

মহাবিদ্যালয়ৰ সকলোৰে বিশ্বাস তথা সহায় সহযোগিতাৰে মই মোৰ কাৰ্যকালত বিভিন্ন ধৰণৰ কাৰ্যপন্থা অৱলম্বন কৰিছিলো। তাৰে কিছু খতিয়ান হ'ল —

ছাত্ৰ একতা সভাৰ সমাজ সেৱাৰ সম্পাদক হিচাপে মোৰ প্ৰথম কাৰ্যসূচী আছিল ২০২৩ ইং বৰ্ষৰ ৮ জুলাই তাৰিখে অনুষ্ঠিত কৰা প্ৰাক্তন প্ৰশিক্ষাৰ্থী বিদায়ী সভা।

২০২৩ ইং বৰ্ষৰ ২ ছেপ্তেম্বৰ তাৰিখে মহাবিদ্যালয় খনে ৩০ বছৰ অতিক্ৰম কৰে। উক্ত ২ ছেপ্তেম্বৰ তাৰিখত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ লগত সংগতি ৰাখি ৰাতিপুৱা কাৰ্যসূচী ৰূপে সভাপতি মহোদয় বানেশ্বৰ দাস দেৱে পতাকা উত্তোলন কৰাৰ লগতে সন্ধিয়া বন্তি প্ৰজ্বলন কৰা হয়।

অন্যবাৰৰ নিচিনাকৈ এইবেলিও ৫ ছেপ্তেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ সমূহ প্ৰশিক্ষাৰ্থীৰ সহযোগত শিক্ষক দিৱস পালন কৰা হয়। উক্ত দিনটোত শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলোক সাদৰেৰে সম্ভাষণ জনোৱাৰ লগতে প্ৰশিক্ষাৰ্থী সমূহৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়।

২০২৩ ইং বৰ্ষৰ ২৯ ছেপ্তেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। এই দিনটো আমাৰ মহাবিদ্যালয়ৰ সকলোৰে এটি বিশেষ আনন্দৰ দিন। উক্ত দিনটোত আমি অগ্ৰজসকলে অনুজ সকলোৰ লগত চিনা পৰিচয়ৰ লগতে বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান যুগুত কৰা হয়। এই সভাত উপস্থিত থাকে ড° সংগীতা কাকতি বাইদেউ, ড° মৃণাল কুমাৰ বৰুৱা ছাৰ (শ্ৰীমন্ত শংকৰদেৱ বিশ্ব বিদ্যালয়ৰ পঞ্জীয়ক), জয়ন্ত ডেকা (ৰাধা গোবিন্দ বৰুৱা মহাবিদ্যালয়) আৰু মূখ্য অতিথি হিচাপে ড° প্ৰদীপ কলিতা ছাৰ (শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় TTC, মিৰ্জা) উপস্থিত থাকে।

২০২৩ ইং বৰ্ষৰ ১৮ নৱেম্বৰ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ প্ৰশিক্ষাৰ্থী সমূহৰ সহযোগিতাত প্ৰাণ পাই উঠা হাতে লিখা আলোচনী 'জ্ঞানম'ৰ দ্বিতীয় সংখ্যা খন অধ্যক্ষ মহোদয়ে শিক্ষক-শিক্ষয়িত্ৰীৰ তথা প্ৰশিক্ষাৰ্থীৰ লগত উন্মোচন কৰে।

প্ৰতি বছৰৰ দৰে এইবেলিও ১ ডিচেম্বৰ তাৰিখে বিশ্ব এইড্‌ছ দিৱস উদ্‌যাপনৰ লগতে এই দিৱসৰ লগত সংগতি ৰাখি চিত্ৰাংকন প্ৰতিযোগিতা আৰু বক্তৃতা প্ৰতিযোগিতাৰ মাধ্যমেৰে এইড্‌ছৰ সজাগতা বিষয়ত আলোচনা কৰা হয়।

২০২৩ ইং বৰ্ষৰ ডিচেম্বৰ মাহৰ ১১ তাৰিখৰ পৰা ১৮ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হয়। এই মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি প্ৰথম দিনা পতাকা উত্তোলনৰ লগতে প্ৰাচীৰ পত্ৰিকা (ৰেঙণী) উন্মোচন কৰে। ইয়াৰ পিছতেই মহাবিদ্যালয়ত বিভিন্ন বিভাগৰ তৰফৰ পৰা বিভিন্ন ধৰণৰ প্ৰতিযোগিতা আয়োজন কৰা হৈছিল। লগতে

বিভিন্ন ধৰণৰ খেল-ধেমালিৰ মাজেৰে প্ৰশিক্ষাৰ্থী সমূহৰ মাজত থকা সুপ্ত প্ৰতিভা সমূহ দেখুওৱাৰ পৰিলক্ষিত হয়। মহাবিদ্যালয়ৰ সপ্তাহত একাংকিকা নাটৰ লগতে প্ৰতিযোগিতামূলক 'সাংস্কৃতিক শোভাযাত্ৰা'ত প্ৰশিক্ষাৰ্থীসকলে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। কিয়নো সেইদিনাখন পৰিৱেশন কৰা সাংস্কৃতিক শোভাযাত্ৰাৰ যোগেৰে অসমৰ বাৰে ৰহণীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰদৰ্শন কৰিছিল। স্থান প্ৰাপ্ত প্ৰতিযোগীসকলক পুৰষ্কৃত কৰিবলৈ ২০২৩ ইং বৰ্ষৰ ১৮ ডিচেম্বৰ তাৰিখে বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হৈছিল আৰু বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ মাজেৰে মহাবিদ্যালয় সপ্তাহৰ সামৰণি পৰে।

২০২৪ ইং বৰ্ষৰ ১৭ জানুৱাৰী তাৰিখে মহাবিদ্যালয়ত শিল্পী দিৱস উদ্‌যাপন কৰা হয়। জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ৰেখামণি ডাকুৱা বাইদেৱে।

২০২৪ ইং বৰ্ষৰ ২১ ফেব্ৰুৱাৰী তাৰিখে আন্তঃৰাষ্ট্ৰীয় মাতৃ ভাষা দিৱস উদ্‌যাপন কৰা হয়। এই দিনটোত ড° অভিজিৎ দেৱ অধিকাৰী ছাৰৰ সভাপতিত্বত এখন মুকলি সভাৰ আয়োজন কৰা হয়। শিক্ষক-শিক্ষয়িত্ৰী তথা প্ৰশিক্ষাৰ্থী সকলে মাতৃভাষাৰ ওপৰত বক্তব্য আগবঢ়ায়।

মহাবিদ্যালয়ৰ আন এটা প্ৰধান কাৰ্যসূচী হ'ল আমাৰ সকলোৰে জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী মাৰ পূজাভাগ। ২০২৪ ইং বৰ্ষৰ ১৪ ফেব্ৰুৱাৰী তাৰিখে সমূহ শিক্ষক-শিক্ষয়িত্ৰী বৃন্দ তথা প্ৰশিক্ষাৰ্থী সকলৰ সহযোগিতাত উলহ-মালহেৰে সৰস্বতী পূজা পালন কৰা হয়।

প্ৰথম বাৰৰ বাবে ২০২৪ বৰ্ষৰ ৭ মাৰ্চ তাৰিখে কৃষ্ণৰাম দাস মহাবিদ্যলয়ত প্ৰাক্তন প্ৰশিক্ষাৰ্থীসকলে আন্তঃ বি.এড. কলেজ কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰে।

আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ লগত সংগতি ৰাখি ২০২৪ বৰ্ষৰ ৮ আৰু ৯ মাৰ্চ তাৰিখে ২ দিনীয়া কাৰ্যসূচীৰে আন্তঃ ৰাষ্ট্ৰীয় নাৰী দিৱস উদ্‌যাপন কৰা হয়। শিক্ষক-শিক্ষয়িত্ৰী তথা প্ৰশিক্ষাৰ্থীসকলে এইবাৰৰ চিন্তনীয় বিষয় Invest in women Accelerate progress বিষয়ৰ ওপৰত নিজৰ নিজৰ বক্তৃতা আগবঢ়াই আৰু নাৰী দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচীৰে সামৰণি পৰে।

কৃতজ্ঞতা ঃ

আমাৰ কাৰ্যকালত বিভিন্ন ধৰণে সহায়-সহযোগিতা তথা উদ্‌গনি যোগোৱা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় ড° অভিজিৎ দেৱ অধিকাৰী ছাৰ তথা শিক্ষাগুৰু সকলোৰ লগতে মৰমৰ ভাৰত খুৰা তথা জ্যেষ্ঠ ভাতৃস্বৰূপ সদানন্দ ছাৰক কৃতজ্ঞতা জনালো। তাৰোপৰি মোৰ মৰমৰ দীপ দাক মোৰ সকলো কাৰ্যত সহায় কৰাৰ বাবে অলেখ ধন্যবাদ জনাইছোঁ।

সদৌ শেষত আমাৰ কাৰ্যকালত হৈ যোৱা ভুল ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ মংগল কামনা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়"

"জয়তু ছাত্ৰ একতা সভা"

বিনম্ৰতাৰে —

ধ্ৰুৱজ্যোতি কলিতা আৰু হিৰকজ্যোতি বড়ো

সমাজ সেৱা সম্পাদকদ্বয়

ছাত্ৰ একতা সভা

কৃষ্ণৰাম মহাবিদ্যালয়, ছয়গাঁও

# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন—



প্ৰতিবেদনৰ আৰম্ভণিতে দেশৰ বাবে শ্বহীদ হোৱা মহান ব্যক্তিসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো, লগতে যিসকল ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম, অহোপুৰুষাৰ্থ চেষ্টা আৰু গভীৰ সাধনাৰ ফলশ্ৰুতিত কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়ে জন্মলাভ কৰি বৰ্তমানৰ জাকত-জিলিকা অৱস্থালৈ পৰ্যবসিত হৈছে, সেই মহান আৰু চিৰনমস্য ব্যক্তিসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

এই কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ ২০২৩-২৪ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ অন্তৰ্গত ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা ৰূপে দায়িত্ব ভাৰ গ্ৰহণ কৰিছিলো। ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা ৰূপে সেৱা আগবঢ়াবলৈ মোক সুযোগ দিয়াৰ বাবে আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্যকালত কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়ত গণতন্ত্ৰ দিৱস, সৰস্বতী পূজা, নৱাগত আদৰণী সভা, মহাবিদ্যালয় সপ্তাহ, আন্তৰ্জাতিক মাতৃভাষা দিৱস, শিক্ষক দিৱস, সদৌ অসম ভিত্তিক আন্তঃ শিক্ষণ মহাবিদ্যালয় কুইজ প্ৰতিযোগিতাৰ লগতে মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'ৰেঙণি' আৰু হাতে লিখা আলোচনী 'জ্ঞানম'ৰ প্ৰস্তুতকৰণ, আৰ্ন্তজাতিক নাৰী দিৱস উদ্‌যাপন কৰা হৈছিল আৰু এই অনুষ্ঠান সমূহ নিয়াৰিকৈ পালন কৰিবলৈ সক্ৰিয়ভাৱে জড়িত হৈ পৰিছিলোঁ। বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত ছাত্ৰী জিৰণী কোঠাৰ ফালৰ পৰা বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল।

এই সুযোগতে মোৰ কাৰ্যকালত মোক বিশেষকৈ সু-পৰামৰ্শ দি সহায় কৰা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল আৰু মহাবিদ্যালয়ৰ সমূহ শিক্ষক-প্ৰশিক্ষাৰ্থীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা প্ৰতিটো অনুষ্ঠানতেই এক পৰিয়াল সদৃশ হিচাপে আগবঢ়োৱা মিলিত সহায়-সহযোগিতাৰ বাবে ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যাবৃন্দকে মই ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত সম্পাদিকাৰ ভাৰ লৈ অজানিতে কৰা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি কৃষ্ণ ৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো। ধন্যবাদ।

"জয়তু কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়, ছয়গাঁও"

বিনম্ৰতাৰে —

হিমাশ্ৰী মজুমদাৰ

সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা

কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়, ছয়গাঁও

## বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফলসমূহ

## সাহিত্য বিভাগৰ ফলাফল ঃ

| | | |
|---|---|---|
| কুইজ ঃ | প্ৰথম | ঃ পলাশ জ্যোতি দাস আৰু উদিত ভাস্কৰ বিশ্বাস (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ বশিষ্ঠ ৰাভা আৰু ধিৰু দাস (প্ৰথম বৰ্ষ) |
| | তৃতীয় | ঃ ঋতুপৰ্ণা শইকীয়া আৰু ডিম্পু বৰুৱা (দ্বিতীয় বৰ্ষ) |
| নীলা খামৰ চিঠি ঃ | প্ৰথম | ঃ চিমি নাথ (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ বিকাশ কলিতা (দ্বিতীয় বৰ্ষ) |
| | তৃতীয় | ঃ লিজা আহমেদ (প্ৰথম বৰ্ষ) |
| থিতাতে লিখা কবিতা ঃ | প্ৰথম | ঃ অমিত সিংহ (দ্বিতীয় বৰ্ষ) |
| | দ্বিতীয় | ঃ সুস্মিতা দাস (দ্বিতীয় বৰ্ষ) |
| | তৃতীয় | ঃ বিকাশ কলিতা (দ্বিতীয় বৰ্ষ) |
| আকস্মিক বক্তৃতা ঃ | প্ৰথম | ঃ বিকাশ দাস (দ্বিতীয় বৰ্ষ)<br>পলাশ জ্যোতি দাস (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ সুস্মিতা দাস (দ্বিতীয় বৰ্ষ)<br>বিকাশ কলিতা (দ্বিতীয় বৰ্ষ) |
| | তৃতীয় | ঃ চিমি নাথ (প্ৰথম বৰ্ষ) |
| অসমীয়া কবিতা আবৃত্তি ঃ | প্ৰথম | ঃ অমিত সিংহ (দ্বিতীয় বৰ্ষ) |
| | দ্বিতীয় | ঃ কেশৱানন্দ গগৈ (প্ৰথম বৰ্ষ) |
| | তৃতীয় | ঃ পলাশ জ্যোতি দাস (প্ৰথম বৰ্ষ) |
| ইংৰাজী কবিতা আবৃত্তি ঃ | প্ৰথম | ঃ সয়ানী ভট্টাচাৰ্য (দ্বিতীয় বৰ্ষ) |
| | দ্বিতীয় | ঃ মণীষা গুপ্তা (দ্বিতীয় বৰ্ষ) |
| | তৃতীয় | ঃ কাকলি শৰ্মা (প্ৰথম বৰ্ষ) |
| চিত্ৰাংকন ঃ | প্ৰথম | ঃ কঙ্কণা তামুলী (দ্বিতীয় বৰ্ষ) |
| | দ্বিতীয় | ঃ হিৰক জ্যোতি কলিতা (প্ৰথম বৰ্ষ) |
| | তৃতীয় | ঃ শিল্পা ৰায় (দ্বিতীয় বৰ্ষ) |

# সাংস্কৃতিক বিভাগৰ ফলাফল ঃ

সাংস্কৃতিক শোভাযাত্ৰা —

| | | |
|---|---|---|
| প্ৰথম | ঃ | গাঁৱলীয়া কৰ্ম সংস্কৃতি |
| দ্বিতীয় | ঃ | সমাজ আৰু সংস্কৃতিৰ ওপৰত বিজ্ঞানৰ প্ৰভাৱ |
| তৃতীয় | ঃ | দক্ষিণ কামৰূপৰ লোক সংস্কৃতি |

জ্যোতি সংগীত —

| | | |
|---|---|---|
| প্ৰথম | ঃ | মাধুৰীমা দত্ত (প্ৰথম বৰ্ষ) |
| দ্বিতীয় | ঃ | হিমশিখা কেওঁট (দ্বিতীয় বৰ্ষ) |
| তৃতীয় | ঃ | শিল্পা ৰায় (দ্বিতীয় বৰ্ষ) |

বিষ্ণু সংগীত —

| | | |
|---|---|---|
| প্ৰথম | ঃ | মাধুৰীমা দত্ত (প্ৰথম বৰ্ষ) |
| দ্বিতীয় | ঃ | শিল্পা ৰায় (দ্বিতীয় বৰ্ষ) |
| তৃতীয় | ঃ | ডলি মালি (প্ৰথম বৰ্ষ) |

আধুনিক সংগীত —

| | | |
|---|---|---|
| প্ৰথম | ঃ | মাধুৰীমা দত্ত (প্ৰথম বৰ্ষ) |
| দ্বিতীয় | ঃ | ডলি মালি (প্ৰথম বৰ্ষ) |
| তৃতীয় | ঃ | পলাশ জ্যোতি দাস (প্ৰথম বৰ্ষ) |

একক নৃত্য —

| | | |
|---|---|---|
| প্ৰথম | ঃ | হিমাশ্ৰী মজুমদাৰ (দ্বিতীয় বৰ্ষ) |
| দ্বিতীয় | ঃ | ময়ূৰাক্ষী ভৰালী (প্ৰথম বৰ্ষ) |
| তৃতীয় | ঃ | অমিত সিংহ (দ্বিতীয় বৰ্ষ) |

পৰম্পৰাগত দলীয় নৃত্য —

| | | |
|---|---|---|
| প্ৰথম | ঃ | হিমাশ্ৰী মজুমদাৰৰ দল (দ্বিতীয় বৰ্ষ) |
| দ্বিতীয় | ঃ | নিলাক্ষী বৰাৰ দল (দ্বিতীয় বৰ্ষ) |
| তৃতীয় | ঃ | চুমকি দাসৰ দল (দ্বিতীয় বৰ্ষ) |
| | ঃ | নিপামণি বড়োৰ দল (প্ৰথম বৰ্ষ) |

নাটক —

| | | |
|---|---|---|
| প্ৰথম | ঃ | শেষ দস্তাবেজ (দ্বিতীয় বৰ্ষ) |
| দ্বিতীয় | ঃ | ৰক্তদান (প্ৰথম বৰ্ষ) |
| তৃতীয় | ঃ | সময় গতিশীল (দ্বিতীয় বৰ্ষ) |
| | ঃ | উদং বুকুৰ হেজাৰ কাহিনী (প্ৰথম বৰ্ষ) |

# খেল বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল

| | | | |
|---|---|---|---|
| চামুচ মাৰ্বল— | প্ৰথম | ঃ | লিজা আহমেদ (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ | হিমাদ্ৰী চেতিয়া (প্ৰথম বৰ্ষ) |
| | তৃতীয় | ঃ | কাকলি শৰ্মা (প্ৰথম বৰ্ষ) |
| কুকুৰা যুঁজ (পুৰুষ)— | প্ৰথম | ঃ | ৰতন কলিতা (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ | মানৱ জ্যোতি ৰাভা (প্ৰথম বৰ্ষ) |
| | তৃতীয় | ঃ | বিন্দাবন দাস (দ্বিতীয় বৰ্ষ) |
| পানী-পাৰ— | প্ৰথম | ঃ | উপমা ঠাকুৰীয়া (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ | অনুৰূপা কলিতা (প্ৰথম বৰ্ষ) |
| | তৃতীয় | ঃ | ময়ূৰাক্ষী ভৰালী (প্ৰথম বৰ্ষ) |
| উঠা-বহা (পুৰুষ)— | প্ৰথম | ঃ | চলেমান আলি (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ | বিকাশ কলিতা (দ্বিতীয় বৰ্ষ) |
| | তৃতীয় | ঃ | ধিৰু দাস (প্ৰথম বৰ্ষ) |
| টেকেলী ভঙা — | | | |
| | প্ৰথম | ঃ | প্ৰীতি হাজোৰাৰী (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ | সয়ানী ভট্টাচাৰ্য্য (দ্বিতীয় বৰ্ষ) |
| | তৃতীয় | ঃ | তৰালী ৰাভা (দ্বিতীয় বৰ্ষ) |
| সংগীত চকী (মহিলা)— | প্ৰথম | ঃ | ভাগ্যশ্ৰী কলিতা (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ | উপমা ঠাকুৰীয়া (প্ৰথম বৰ্ষ) |
| | তৃতীয় | ঃ | চাংচি জি. চাংমা (প্ৰথম বৰ্ষ) |
| ডবা খেল — | প্ৰথম | ঃ | চাৰ্‌চিল চাংমা (দ্বিতীয় বৰ্ষ) |
| | দ্বিতীয় | ঃ | ধ্ৰুৱ জ্যোতি কলিতা (দ্বিতীয় বৰ্ষ) |
| বেডমিণ্টন — | প্ৰথম | ঃ | হিৰক জ্যোতি বড়ো আৰু সয়ানী ভট্টাচাৰ্য্য (দ্বিতীয় বৰ্ষ) |
| | দ্বিতীয় | ঃ | ডেভিদ মেধি আৰু ৰূপশ্ৰী দাস (দ্বিতীয় বৰ্ষ) |
| কেৰম — | প্ৰথম | ঃ | ৰাজা ৰাছেল চৌধুৰী আৰু জিতুল খণ্ডকাৰ (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ | মুন্না আহমেদ আৰু মণীষা দত্ত লহকৰ (দ্বিতীয় বৰ্ষ) |

| | | |
|---|---|---|
| ১০০ মিঃ দৌৰ (মহিলা)— | প্ৰথম | ঃ চয়নিকা কলিতা (দ্বিতীয় বৰ্ষ) |
| | দ্বিতীয় | ঃ খ্ৰাইশ্ৰীতি মাৰাক (দ্বিতীয় বৰ্ষ) |
| | তৃতীয় | ঃ তৰালী বৰুৱা (প্ৰথম বৰ্ষ) |
| ১০০ মিঃ দৌৰ (পুৰুষ)— | প্ৰথম | ঃ বিপুল কলিতা (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ ৰূপক ৰাভা (প্ৰথম বৰ্ষ) |
| | তৃতীয় | ঃ দিব্য জ্যোতি হুজুৰী (প্ৰথম বৰ্ষ) |
| ২০০ মিঃ দৌৰ (মহিলা) — | প্ৰথম | ঃ চয়নিকা কলিতা (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ তৰালী বৰুৱা (প্ৰথম বৰ্ষ) |
| | তৃতীয় | ঃ টুইঙ্কা চাংমা (প্ৰথম বৰ্ষ) |
| ২০০ মিঃ দৌৰ (পুৰুষ) — | প্ৰথম | ঃ ৰূপক ৰাভা (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ হিৰক জ্যোতি বড়ো (দ্বিতীয় বৰ্ষ) |
| | তৃতীয় | ঃ বিকাশ কলিতা (দ্বিতীয় বৰ্ষ) |
| শ্বত পুট (পুৰুষ) — | প্ৰথম | ঃ হিৰকজ্যোতি কলিতা (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ ৰতন কলিতা (প্ৰথম বৰ্ষ) |
| | তৃতীয় | ঃ ৰঞ্জিত সান্যাল (দ্বিতীয় বৰ্ষ) |
| শ্বট পুট (মহিলা) — | প্ৰথম | ঃ কংকনা তামুলী (দ্বিতীয় বৰ্ষ) |
| | দ্বিতীয় | ঃ সুহিনি ভট্টাচাৰ্য্য (প্ৰথম বৰ্ষ) |
| | তৃতীয় | ঃ হিমাশ্ৰী কাশ্যপ (দ্বিতীয় বৰ্ষ) |
| জেভলিন থ্ৰ (পুৰুষ) — | প্ৰথম | ঃ ৰূপক ৰাভা (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ ৰতন কলিতা (প্ৰথম বৰ্ষ) |
| | তৃতীয় | ঃ মুন্না আহমেদ (দ্বিতীয় বৰ্ষ) |
| জেভলিন থ্ৰ (মহিলা) — | প্ৰথম | ঃ কৰবী গগৈ (দ্বিতীয় বৰ্ষ) |
| | দ্বিতীয় | ঃ চুম্‌কি দাস (দ্বিতীয় বৰ্ষ) |
| | তৃতীয় | ঃ পূজা দেৱনাথ (দ্বিতীয় বৰ্ষ) |
| ডিচকাচ থ্ৰ (পুৰুষ) — | প্ৰথম | ঃ হিৰক জ্যোতি কলিতা (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ হিৰক জ্যোতি বড়ো (দ্বিতীয় বৰ্ষ) |
| | তৃতীয় | ঃ ৰঞ্জিত সান্যাল (দ্বিতীয় বৰ্ষ) |

| | | |
|---|---|---|
| জেভলিন থ্ৰ (মহিলা) — | প্ৰথম | ঃ লভিতা দাস (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ সয়ানী ভট্টাচাৰ্য (দ্বিতীয় বৰ্ষ) |
| | তৃতীয় | ঃ চাইনি চিমলা গগৈ (দ্বিতীয় বৰ্ষ) |
| লং জাম্প (পুৰুষ) — | প্ৰথম | ঃ ঋপক ৰাভা (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ বিকাশ কলিতা (দ্বিতীয় বৰ্ষ) |
| | তৃতীয় | ঃ হৃদয় কুমাৰ খাখলাৰী (প্ৰথম বৰ্ষ) |
| লং জাম্প (মহিলা) — | প্ৰথম | ঃ তৰালী কলিতা (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ পৰী কলিতা (প্ৰথম বৰ্ষ) |
| | তৃতীয় | ঃ টুইঙ্কা চাংমা (প্ৰথম বৰ্ষ) |
| ৰছী টনা (পুৰুষ) — | প্ৰথম | ঃ বিকাশ কলিতাৰ দল (দ্বিতীয় বৰ্ষ) |
| | দ্বিতীয় | ঃ হিৰক জ্যোতি কলিতাৰ দল (প্ৰথম বৰ্ষ) |
| ৰছী টনা (মহিলা) — | প্ৰথম | ঃ জোনালী শইকীয়াৰ দল (প্ৰথম বৰ্ষ) |
| | দ্বিতীয় | ঃ কংকনা তামুলীৰ দল (দ্বিতীয় বৰ্ষ) |
| ভলীবল — | প্ৰথম | ঃ বিকাশ কলিতাৰ দল (দ্বিতীয় বৰ্ষ) |
| | দ্বিতীয় | ঃ পলাশ জ্যোতি দাসৰ দল (প্ৰথম বৰ্ষ) |

ক্ৰিকেট —

বিজয়ী দল ঃ বিপুল কলিতাৰ দল (প্ৰথম বৰ্ষ)

ক্ৰিকেট খেলৰ শ্ৰেষ্ঠ খেলুৱৈ ঃ সদানন্দ দাস

২০২৩-২৪ ইং বৰ্ষৰ শ্ৰেষ্ঠ প্ৰশিক্ষাৰ্থী ঃ সয়ানী ভট্টাচাৰ্য

মহাবিদ্যালয় সপ্তাহৰ সৰ্বাধিক পুৰস্কাৰ প্ৰাপ্ত প্ৰশিক্ষাৰ্থী ঃ

বিকাশ কলিতা (দ্বিতীয় বৰ্ষ)

# ছাত্ৰী জিৰণি কোঠা বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল

মেহেন্দী—

| | | |
|---|---|---|
| প্ৰথম | ঃ | আৰজুৱাৰা বেগম (প্ৰথম বৰ্ষ) |
| দ্বিতীয় | ঃ | পল্লৱী বিশ্বাস (দ্বিতীয় বৰ্ষ) |
| তৃতীয় | ঃ | কংকনা তামুলী (দ্বিতীয় বৰ্ষ) |

চালাদ —

| | | |
|---|---|---|
| প্ৰথম | ঃ | হিমাশ্ৰী দাস আৰু ধৃণালী ঠাকুৰীয়া (প্ৰথম বৰ্ষ) |
| দ্বিতীয় | ঃ | পমী শীল আৰু পূজা দেৱনাথ (দ্বিতীয় বৰ্ষ)<br>চুম্‌কি দাস আৰু প্ৰীতি মল্লিক (দ্বিতীয় বৰ্ষ) |
| তৃতীয় | ঃ | ভাস্কৰ জ্যোতি বৰ্মন আৰু হিমাদ্ৰী চেতিয়া (প্ৰথম বৰ্ষ) |

ৰংগলী —

| | | |
|---|---|---|
| প্ৰথম | ঃ | পংখী কলিতাৰ দল (দ্বিতীয় বৰ্ষ) |
| দ্বিতীয় | ঃ | নন্দিতা ঠাকুৰীয়াৰ দল (প্ৰথম বৰ্ষ) |
| তৃতীয় | ঃ | বন্দিতা দাসৰ দল (প্ৰথম বৰ্ষ) |

পৰম্পৰাগত সাজপাৰ —

| | | |
|---|---|---|
| প্ৰথম | ঃ | মাধুৰীমা দত্ত (প্ৰথম বৰ্ষ) |
| দ্বিতীয় | ঃ | বনশ্ৰী দত্ত (দ্বিতীয় বৰ্ষ) |
| তৃতীয় | ঃ | চমি নাথ (প্ৰথম বৰ্ষ) |

পৰম্পৰাগত খাদ্য —

| | | |
|---|---|---|
| প্ৰথম | ঃ | জোনালী শইকীয়া আৰু বন্দনা মহন্ত (প্ৰথম বৰ্ষ) |
| দ্বিতীয় | ঃ | পমী শীল আৰু পূজা দেৱনাথ (দ্বিতীয় বৰ্ষ)<br>চুম্‌কি দাস আৰু প্ৰীতি মল্লিক |
| তৃতীয় | ঃ | নিহাৰিকা দাস আৰু নন্দিতা ঠাকুৰীয়া (প্ৰথম বৰ্ষ)<br>বনামী বড়ো আৰু হিৰণ্ময়ী বড়ো (প্ৰথম বৰ্ষ) |

০ ০ ০ ০ ০

# K.R.D. College of Education, Chhaygaon

## GOVERNING BODY

| Sl.No. | Name of Members | Designation |
|---|---|---|
| 1 | Mr. Baneswar Das | President<br>(Rtd. Professor, Chhaygaon Colege) |
| 2 | Dr. Abhijit Dev Adhikary | Principal & Secretary |
| 3 | Md. Rekibuddin Ahmed | Invitee Member,<br>MLA, Chhaygaon Constitution |
| 4 | Dr. Nripen Goswami | G.U.Nominee Member<br>(Rtd. Principal, J.N.College,Boko) |
| 5 | Dr. Anup Chakraborty | G.U. Nominee Member<br>(Rtd. Professor, D.K. College, Mirza) |
| 6 | Dr. Sangita Kakati | Donor Member |
| 7 | Mr. Arun Chandra Sharma | Member<br>(Rtd. Principal, Chhaygaon College) |
| 8 | Mr. Tarini Charan Kalita | Member<br>(Rtd. Professor, Chhaygaon Colege) |
| 9 | Mr. Rudra Kr. Choudhury | Member |
| 10 | Dr. Moni Saloi | Member |
| 11 | Mr. Brojendra Kr. Goswami | Member |
| 12 | Mr. Boloram Das | Member |
| 13 | Mrs. Akan Saloi | Lady Member |
| 14 | Mrs. Umanandaa Barua | Teachers' Representative |

# STAFF OF K.R.D. COLLEGE OF EDUCATION CHHAYGAON

**PRINCIPAL** :

**Dr. Abhijit Dev Adhikary,** M.A., M.Phil, M.Ed., Ph.D

## FACULTY MEMBERS :

***DEPARTMENT OF EDUCATION :***

**Ms. Rekhamani Dakua**, M.A., M.Ed.

**Ms. Umanandaa Barua**, M.A., M.Ed.

**Ms. Sangrila Basumatary**, M.A., B.Ed., M.Phil, SLET

**Ms. Niharika Bujar Baruah**, M.A., B.Ed., NET, SLET, Ph.D pursuing

***DEPARTMENT OF ASSAMESE :***

**Ms. Barnali Goswami**, M.A., M.Ed.

**Ms. Rofiqul Islam**, M.A., M.Ed., SLET, PGDCA

***DEPARTMENT OF SOCIAL SCIENCE :***

**Ms. Reetu Bargayary**, MSW, M.Ed.,NET

**Mr. Mahesh Paul**, M.A., B.Ed., NET, M.Ed. pursuing

***DEPARTMENT OF ENGLISH :***

**Ms. Shyamolima Dutta**, M.A., M.Ed.

***DEPARTMENT OF MATHEMATICS :***

**Ms. Bandana Chakarborty**, M.Sc., M.Ed.

***DEPARTMENT OF PHYSICAL EDUCATION :***

**Ms. Dulumoni Medhi Kalita**, M.A. (Assamese, Yoga Science & Naturopathy)

**Mr. Dhruba Medhi**, BPE.S, BPE.D

***DEPARTMENT OF PERFORMING ARTS :***

**Ms. Bhupali Kalita,** M.A., B.Ed.

**OFFICE STAFF :**

Libarian : **Ms. Sagarika Daimary**, M.Lisc., B.Ed.
Library Helper : **Mr. Ananta Das**
Supervising Assistant : **Mr. Bharat Goswami**
Lab. Asstt. cum Computer Operator : **Mr. Sadananda Das**, MCA
Office Menial : **Ms. Minati Saloi**
Lab. Attdts./Support Staff : **Mr. Pradip Das**
Night Chowkidar/Store Keeper : **Mr. Jiten Deka**

**MEMBERS OF HOUSE OF UNION :**

**K.R.D. College of Education, Chhaygaon**

1. Chief Leader : Amit Singha
2. Assistant Chief Leader : Deepjyoti Kalita
3. Literary Secretary : Himashree Kashyap, Bikash Das
4. Cultural Secretary : Sourabh Das, Chayanika Kalita
5. Sports Secretary : Bikash Kalita, Kankana Tamuli
6. Social Service : Dhrubajyoti Kalita, Hirak Jyoti Boro
7. Girls' Common Room : Himashree Mazumdar

o o o o o o o

# ACHIEVEMENT OF OUR TRAINEES



2nd Prize in Inter B.Ed College Short Dama Competition organised by West Guwahati College of Education
Drama Name : শেষ দস্তাৱেজ
Written & Direction : Amit Singha



Judge's Special Award in Inter B.Ed College Short Dama Competition organised by West Guwahati College of Education
Drama Name : মন কৰিলে চন বাকৰি মাটিতে ধন
Writer : Sumki Das & Pomi shill
Direction : Bhupali Kalita



Palashjoyti Das & Udit Bhaskar Biswas
3rd Prize in Inter B.Ed College Quiz Competition organised by KRD College of Education Chhaygaon



Amit Singha
Best Actor in Inter B.Ed College Short Dama Competition organised by West Guwahati College of Education
Drama Name : শেষ দস্তাৱেজ
Written & Direction : Amit Singha

# ছয়গাঁৱৰ কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ তোৰণ মুকলি দাতা ড° সংগীতা কাকতিৰ

নিয়মীয়া বাৰ্তা, ছয়গাঁও, ৪ নবেম্বৰ ঃ কামৰূপ জিলাৰ ছয়গাঁৱৰ কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ ডাঃ সুৰেন্দ্ৰ নাৰায়ণ কাকতি আৰু অঞ্জলি কাকতি সোঁৱৰণী তোৰণ আজি উদ্বোধন কৰে তোৰণৰ দাতা তথা বিশিষ্ট শিল্পী ড° সংগীতা কাকতিয়ে। কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ৰ নৱনিৰ্মিত কেণ্টিনখন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অভিজিৎ দেৱ অধিকাৰীৰ উপস্থিতিত পৰিচালনা সমিতিৰ সভাপতি বানেশ্বৰ দাসে ৮ পৃষ্ঠাত



## World Theatre Day observed

GUWAHATI, April 1: World Theatre Day was observed recently at the West Guwahati College of Education with a short play competition being organized among the BEd colleges of Kamrup (M) by the institution.

The Principal of the college, Dr Gitanjali Choudhury welcomed all the participants and encouraged them to perform their respective characters so that all the student trainees can perform this skill in transacting the teaching-learning process in the future.

All the nine groups of student-teacher trainees enthralled the audience with their scripts which were a reflection of the present societal issues such as woman trafficking, old age home, ban on plastics, drug addiction, job crisis, anti-ragging etc.

Mirza TT College, KRD College of Education, ABS College of Education bagged the 1st, 2nd and 3rd prizes. Amit Singh won the best actor prize representing KRD College of Education and Papari Barman the best actress from Mirza TT College, West Guwahati Col-

## কৃষ্ণৰাম দাস শিক্ষণ কলেজত 'ব্লু প্ৰিণ্ট প্ৰস্তুতকৰণ'ৰ কৰ্মশালা সম্পন্ন

## ছয়গাঁৱৰ কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ত প্ৰথম প্ৰাক্তন সতীৰ্থ সন্মিলন



## কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়ত সাংস্কৃতিক শোভাযাত্ৰা



২৫খন শিক্ষণ মহাবিদ্যালয়ৰ প্ৰশিক্ষাৰ্থীৰ অংশগ্ৰহণ

## ছয়গাঁৱৰ কেআৰডি কলেজত আন্তঃশিক্ষণ মহাবিদ্যালয়ভিত্তিক কুইজ



## মহাবিদ্যালয় সংবাদ

নিজা বাতৰি দিওঁতা
ছয়গাঁও, ১৭ ডিচেম্বৰ ঃ ছয়গাঁৱৰ আগশাৰীৰ শিক্ষানুষ্ঠান কৃষ্ণৰাম দাস দক্ষিণ মহাবিদ্যালয়ৰ বছৰেকীয়া মহাবিদ্যালয় সপ্তাহৰ কাপি সামৰণি পৰে। পুৱা অধ্যক্ষ ডঃ অভিজিৎ দেৱ অধিকাৰীয়ে শোভাযাত্ৰা উদ্বোধন কৰি ছাত্ৰ-ছাত্ৰীসকলে প্ৰদৰ্শন কৰা সুন্দৰ কলা-সংস্কৃতিৰ প্ৰশংসা কৰাৰ উপৰি কৃষ্ণৰাম দাস দক্ষিণ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ব্যতিক্ৰমী চিন্তা-ধাৰাৰো প্ৰশংসা কৰে। উল্লেখ্য যে মহাবিদ্যালয়খনৰ সামৰণী অনুষ্ঠান উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়খনৰপৰা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে বিশাল সাংস্কৃতিক শোভাযাত্ৰা উলিয়ায়। এই শোভাযাত্ৰাত ছাত্ৰ-ছাত্ৰীসকলে ছয়গাঁৱৰ কলা-কৃষ্টিৰ উপৰি বিহু, বিভিন্ন জাতি-জনগোষ্ঠীৰ নৃত্য, পৰম্পৰাগত খাদ্য সামগ্ৰী আদিও প্ৰদৰ্শন কৰে।

# SOME GLIMPSES OF FRESHMAN SOCIAL-2023




















# SPRINKLES OF MASS ORIENTATION




































# COLLAGE



FELICITATION PROGRAM OF RESPECTED FORMER G.B. MEMBERS











# COLLAGE



কৃষ্ণৰাম দাস শিক্ষণ মহাবিদ্যালয়
KRISHNARAM DAS COLLEGE OF EDUCATION
ORGANIZED BY
DEPARTMENT OF EDUCATION IN CALLABORATION
IQAC, KRD COLLEGE OF EDUCATION, CHHAYGAON
RESOURCE PERSON : DR. MAHINDRA KOUR
VENU : COLLEGE AUDITORIUM
DATE : 11TH MARCH, 2024




**Second Year Batch-2022-24**




**First Year Batch-2023-25**




**International Woman's Day Celebration**



**World Environment Day**




**Wall Magazine *Rengoni* Inauguration**


KRISHNARAM DAS (K.R.D) COLLEGE OF EDUCATION


জ্ঞানম্
সম্পাদকদ্বয়:
বিকাশ দাস
হিমাশ্ৰী কাশ্যপ


জ্ঞানম্
দ্বিতীয় সংখ্যা




বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ
Mass Orientation Program


Orientation Program

